ৰিমেনচ্ ইম্‌পেক্ট্ নেটৱাৰ্ক

# ডিচাইপেলশ্বিপ্ মেনৱেল

Presented by:
Association for International
Disciplship Advancement (AIDA)
*in collaboration with* **Educational Resources**

নাম :________________________________________

স্থান :________________________________________

ৰাজ্য :________________________________________

তাৰিখ :________________________________________

# ৱিন্ ডিচাইপেলশ্বিপ্ মেনুৱেল্

(ASSAMESE)

গ্ৰন্থকাৰৰ স্বত্ব © এচচিয়েচন ফৰ ইন্টাৰনেচনেল
ডিচাইপেলশ্বিপ্ এডভাঞ্চমেন্ট (এআইডিএ)
নিউ দেল্হি, ইন্দিয়া
২০১৩

এই মেনুৱেলখন হৈছে ৱিমেনচ ইমপেক্ট নেটৱাৰ্ক (WIN)ৰ মূল পাঠ বা লেখনি, যিয়ে মহিলাসকলক যীচুখ্ৰীষ্টৰ প্ৰকৃত সৰ্মপিত শিষ্য হোৱা বাবে প্ৰত্যাহবান জনায়, আৰু তাৰ পিছত তেওঁলোকক জ্ঞান, শিক্ষা আৰু অনুশীলৰ কৌশলেৰে আন মহিলাসকলক গতিশীল প্ৰভাৱেৰে প্ৰভাৱিত কৰি আত্মিক সংগঠন কৰে— অবিশ্বাসীসকলক যীচুখ্ৰীষ্টলৈ লৈ আনে, আৰু বিশ্বাসীক সৰ্মপিত শিষ্যা হ'বলৈ উপযুক্ত শিক্ষা দিয়ে।

ই আৰ/ এআইডিএৰ এই ব্যক্তিসকলে এই
ডিচাইপেলশ্বিপ্ মেনুৱেলৰ কাৰণে লিখনিৰে
বিষয়বস্তু আগবঢ়াইছে।

**ৰেভাঃ শান্তা ৰৱাট**
**শ্ৰীযুতা ৰহ্নদা দ্ৰাগমিৰ**
**শ্ৰীযুতা কেৰলিন আকবৰ**
**শ্ৰীযুতা ছিৱা বেইজু**
**শ্ৰীযুতা মাৰ্থা স্পাৰ্কচ**
**ৰেভাঃ ষ্টিফান লিভাৰচেইজ**
**ৰেভাঃ ৰলেন্দ ব'মেন**
**ৰেভাঃ প'ল ব্ৰাউন**
**ৰেভাঃ ষ্টিফান ৰাৱাট**

বিক্ৰিৰ বাবে নহয় ঃ কেৱল ব্যক্তিগত বিতৰণৰ বাবে

*Printed at : NEW LIFE PRINTERS (P) LTD, Delhi, Ph. : 011-27659883*

# সূচীপত্ৰ


উছৰ্গা

১। শিষ্যাত্বৰ কাৰণে আদেশ......১

২। এঘৰাকী শিষ্যাৰ লক্ষণ......৭

৩। বৈথনিয়াৰ মৰিয়ম : এগৰাকী উত্তম শিষ্যা......১৫

৪। এগৰাকী শিষ্যাৰ জীৱন প্ৰণালী......২১

৫। যীচুখ্ৰীষ্টত......৩২

৬। এগৰাকী শিষ্যা আৰু তেওঁৰ সম্পৰ্কবোৰ......৩৬

৭। এগৰাকী শিষ্যা আৰু প্ৰাণ-জয় কৰা......৪৪

- প্ৰাণ-জয় কৰা কাৰণবোৰ,
- আপোনাৰ ব্যক্তিগত সাক্ষ্য, ৪৫
- পাঁচটা-আঙুলিৰ প্ৰচাৰ কাৰ্য্য ৪৮
- ৰোমন পথটি, ৫০
- শব্দহীন কিতাপখন ৫১

৮। চমৰীয়াৰ মহিলাগৰাকী :
এগৰাকী প্ৰাণ-জয় কৰোঁতা/সাক্ষী......৫৭

৯। নয়মী আৰু ৰথ :
উত্তম শিষ্যাত্বৰ কাৰণে শিক্ষা দিয়া......৬৩

১০। প্ৰিস্কিলা : এগৰাকী শিষ্যা-গঢ়োতা......৬৯

১১। জয় কৰা আৰু জয় কৰোঁতাসকল......৭৫

১২। 'ৱিন' (জয় কৰা) দলক নেতৃত্ব দিয়া......৭৯



# উছৰ্গা

তেওঁৰ ৯০তম জন্মদিনৰ এমাহ আগতে থেলমা মামা ব্ৰাউনে ২০০৯ চনৰ ১৩ আগষ্ট তাৰিখে প্ৰভুৰ লগত থাকিবলৈ গুচি গ'ল। ১৩ বছৰ বয়সৰ পৰাই তিনিখন মণ্ডলীত পালক ৰূপে প্ৰভুৰ পৰিচৰ্য্যা কাৰ্য্য কৰিছিল, আৰু তাৰ পিছত কলেজীয়া শিক্ষা শেষ কৰি তেওঁৰ স্বামী ড° বিলিচ ব্ৰাউনৰ লগত আফ্ৰিকাত মিচনেৰী ৰূপে পৰিচৰ্য্যা কৰিছিল।

মামা ব্ৰাউনেই আছিল সেই গৰাকী যি গৰাকীয়ে ভাৰতবৰ্ষত এআইডিএ মহিলাসকলৰ পৰিচৰ্য্যা (Ministry of AIDA Women's Conferences in India) কাৰ্য্য আৰম্ভ কৰিছিল। তেওঁৰ জীৱনকালৰ শেষৰ তিনিটা বছৰ যদিও তেওঁ পেনক্ৰিয়াটিক কেন্সাৰ ৰোগত ভুগি আছিল, তেওঁ ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যলৈ যোৱাৰ ওপৰিও নেপাল, বাংলাদেশ, ম্যানমাৰলৈ গৈ মণ্ডলীৰ মহিলাসকলক সাক্ষী দিয়া আৰু প্ৰচাৰ কাৰ্য্যৰ বাবে উপযুক্ত শিক্ষাৰে সজ্জিত কৰিছিল। মঞ্চত তেওঁৰ উপস্থিতি সকলোৰে কাৰণে এক মহান প্ৰেৰণা আৰু বাণী স্বৰূপ আছিল।

তেওঁৰ জীৱনে আনক কি দৰে প্ৰভাৱিত কৰিছিল তলৰ উক্তিবোৰে তাকেই প্ৰকাশ কৰে।

*"মই মামা ব্ৰাউনৰ পৰা এই শিক্ষাই লাভ কৰিলোঁ যে, যদি তেওঁ এই বয়সটো প্ৰভুৰ পৰিচৰ্য্যা কৰিব পাৰে তেনে ক্ষেত্ৰত ময়ো যিকোনো সময়তে, যিকোনো ঠাইত, যিকোনো পৰিস্থিতিতে, যিকোনো বয়সতে প্ৰভুলৈ সেৱা বা পৰিচৰ্য্যা আগবঢ়াব পাৰিব লাগিব" (ৰেভা : জেইন থমাচ, হিমাচল প্ৰদেশ)।*

*"মই এই সিধান্তত উপনীত হৈছো যে, যদি মামা ব্ৰাউনে সাত সাগৰ পাৰ হৈ আহি প্ৰভুৰ পৰিচৰ্য্যা কৰিব পাৰে, তেনে ক্ষেত্ৰত আমিও মণ্ডলীত একেদৰে কাম কৰি থাকিব লাগে" (ৰৌশ্বানী ফিলিপ্‌চ ৱাৰানসী, ইউ, পি)।*

*"গোটেই দিনটো আমাৰ লগত ইমান ভাল ভাবে খাপখাই মামা ব্ৰাউনক বহি থকা দেখি শুভবাৰ্ত্তাৰ কাম চলাই যাবলৈ অনুপ্ৰাণিত কৰিছিল" (কেৰলিন আক্‌বৰ, নাগপুৰ, মহাৰাষ্ট্ৰ)*

মামা ব্ৰাউনে তেওঁৰ শেষ শিক্ষাত এইদৰে কৈছিল, **"প্ৰচাৰ কাৰ্য্যৰ কাম শেষ হোৱা নাই? শেষ কৰিবলৈ ই এতিয়াও অপেক্ষা কৰি আছে। পেৰুতে হওক বা পশ্চিম বংগতে হওঁক বা যিকোনো দেশকে হওক য'ত লোকবিলাকে প্ৰভুৰ বিষয়ে শুনিবলৈ অপেক্ষা কৰি আছে, তেনেবোৰ ঠাইত আমাৰ প্ৰভু যীচুখ্ৰীষ্টৰ বাণী প্ৰচাৰ কৰাই হৈছে এই পৃথিৱীত আমাৰ আটাইতকৈ মহান কৰ্ম। মনত ৰাখিব, কাম সম্পূৰ্ণ হোৱা নাই। শুভবাৰ্ত্তা প্ৰচাৰ কৰা ক্ষেত্ৰত আপুনি যি কৰিব পাৰে সেই ক্ষেত্ৰত ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক।"**

প্ৰকৃত পক্ষে শুভবাৰ্ত্তা প্ৰচাৰৰ কাৰ্য্য এতিয়াও শেষ হোৱা নাইঙ্গ যীচু খ্ৰীষ্টৰ প্ৰতি গৰাকী শিষ্যাই তেওঁৰ সাক্ষী হোৱা উচিত। এগৰাকী শিষ্যাই ই এক প্ৰধান চৰিত্ৰ যে তেওঁ আনক যীচুৰ ওচৰলৈ আগবঢ়াই আনে। আমি প্ৰাৰ্থনা কৰোঁ, যে, ঈশ্বৰৰ অনুগ্ৰহৰ সাৰ্মথ্যৰে, প্ৰতি গৰাকী জয় কৰোতাই (WINner) প্ৰাণ জয় (Soul-winner) কৰোঁতা হ'ব পাৰে—আৰু তেওঁৰ কাৰণে অধিক ফল ধাৰণ কৰিব পাৰে (যোহন ১৫:১-২,৬ পদ)।

# ১ শিষ্যত্বৰ কাৰণে আদেশ

**মুখ্য পদ ঃ ১ম কৰিন্থীয়া ৯:১৯**

"মই স্বাধীন মানুহ, মই কাৰো দাস নহওঁ, কিন্তু যিমানকৈ পাৰোঁ, সিমানকৈ খ্ৰীষ্টলৈ জয় কৰিবৰ অৰ্থে মই নিজকে সকলোৰে দাস কৰিলোঁ।"

তেওঁৰ শিষ্যসকলৰ প্ৰতি যীচুৰ শেষ আজ্ঞা আছিল "**তোমালেক সকলো জাতিৰ ওচৰলৈ যোৱা আৰু তেওঁলোকক মোৰ শিষ্য কৰি...**" (মথি ২৮:১৯ পদ)। শিষ্যা/শিষ্য শব্দৰ অৰ্থ হৈছে শিকোতা : যিসকলক শিক্ষা দিয়া হয়। বাইবেলে কয় যে, "**সকলো জাতিৰ ওচৰলৈ যোৱা আৰু *শিকোৱা...***" ২০ পদে শিক্ষাৰ এই উদ্দেশ্যক সুস্পষ্ট কৰি দিছে "**...মই যি যি আদেশ তোমালোকক দিলোঁ, সেই সকলোকে পালন কৰিবলৈ তেওঁলোকক শিক্ষা দিয়া।**" যীচু খ্ৰীষ্টৰ শিষ্যা/শিষ্য সেইসকল যি সকলে কেৱল তেওঁৰ শিক্ষাই নিশিকে কিন্তু সেই সকলোৰে বাধ্য হয়। যিহেতু তেওঁৰ শিক্ষাত সেই মহান আজ্ঞাও অন্তভুৰ্ক্ত হৈ আছে, সেয়ে প্ৰকৃত শিষ্যা এগৰাকী হৈছে সেই গৰাকী যি গৰাকীয়ে আনকো শিষ্যা কৰি তেওঁ যি আজ্ঞা দিছে সেই সকলোকে পালন কৰিবলৈ তেওঁলোকক শিক্ষা দিয়ে।

যীচু খ্ৰীষ্টৰ জাগতিক পৰিচৰ্য্যাৰ সময়ত, অনেকেই তেওঁক অনুসৰণ কৰিছিল। সুস্থ হ'বলৈ অগণন লোক তেওঁৰ ওচৰত গোট খাইছিল। (মথি ৮:১৬ পদ)। তেওঁৰ আচৰিত কৰ্ম্ম দেখাৰ কাৰণে তেওঁক অনুসৰণ কৰিছিল (যোহন ৬:২ পদ)। তেওঁক অনুসৰণ কৰা অনেকেই তেওঁক কৈছিল যে তেওঁলোকে তেওঁৰ শিষ্য হৈ তেওঁৰ পৰা শিক্ষা লাভ কৰিব বিচাৰিছিল। কিন্তু অবশেষত বহুতেই তেওঁক ত্যাগ কৰি গুচি গৈছিল। (যোহন ৬:৬৬ পদ)। কিন্তু অৱশেষত সেই সকলেই তেওঁৰ প্ৰকৃত শিষ্য আছিল যি সকলে সকলোকে ত্যাগ কৰি তেওঁৰ প্ৰাৰ্থিৱ জীৱনৰ শেষলৈকে আনকি তেওঁলোকৰ নিজৰ জীৱনৰ শেষলৈকে তেওঁক অনুসৰণ কৰিলে (মাৰ্ক ১০:২৮ পদ)। তেওঁলোকে তেওঁৰ লগত নীবিৰভাবে জীৱন যাপন কৰিলে, তেওঁৰ পৰা গভীৰ

সত্যৰ বিষয়ে শিকিলে, আৰু তেওঁৰ কাৰণে “মানুহ ধৰা জালোৱাই” হ’ল।

“আমেৰিকান ট্ৰাক্ট চোচাইটি ডিকচানেৰীৰ” মতে “যীচু খ্ৰীষ্টৰ শিষ্যা/শিষ্য এগৰাকীক এইদৰে ব্যাখ্যা কৰিব পাৰি, যিজনে তেওঁৰ তত্ত্বত বিশ্বাস কৰে, তেওঁৰ চৰম ত্যাগৰ ওপৰত নিৰ্ভৰ কৰে, তেওঁৰ আত্মাক আহৰণ কৰে, তেওঁৰ আদৰ্শক অনুসৰণ কৰে, আৰু তেওঁৰ কাম কৰিবলৈ জীয়াই থাকে।” ই দেখুৱাই যে পৰিত্ৰাণৰ পিছৰ পদক্ষেপটি হৈছে শিষ্যাত্ব, পৰিত্ৰাণ হৈছে শিষ্যা হোৱা আৰম্ভণি মাত্ৰ। পৰিত্ৰাণ পাবলৈ এজনে যীচুখ্ৰীষ্টত বিশ্বাস কৰে। পৰিত্ৰাণ হৈছে একমাত্ৰ **“বিশ্বাসৰ দ্বাৰাই..... অনুগ্ৰহতহে”, “তোমালোকৰ নিজৰ কৰ্ম্মৰ গুণত নহয়, সেয়ে ঈশ্বৰৰহে দান”** (ইফিচীয়া ২:৮ পদ)। কিন্তু শিষ্যাত্বৰ যি প্ৰণালী তাৰ উদ্দেশ্যটো হৈছে আমাৰ ত্ৰাণখৰ্ত্তা প্ৰভুৱে আজ্ঞা দিয়াৰ দৰে তেওঁৰ আৰ্হিৰে আমাৰ জীৱনক গঢ় দিয়া আৰু তেওঁৰ পৰিচৰ্য্যা কৰা, মৃত্যুলৈকে তেওঁৰ বিশ্বাসী হৈ থকাই আমাক তেওঁৰ উপস্থিতিলৈ লৈ যায়।

শিষ্যাত্বৰ কাৰণে বিশ্বাসীৰ বাবে অনুশাসন আৰু সমপৰ্নৰ প্ৰয়োজন হয়। শিষ্যাত্বত শিক্ষা দিয়া আৰু শিক্ষা লাভ কৰা লিপ্ত হৈ আছে। শিষ্যা কৰা জনে শিক্ষা দান কৰে আৰু শিষ্যাই শিক্ষা লাভ কৰে। যীচুৱে কি দৰে তেওঁৰ শিষ্যসকলত শিক্ষা দিছিল এই বিষয়ে আমি চাৰিওখন শুভ-বাৰ্ত্তাতে পঢ়িবলৈ পাওঁ, পাচনিকৰ্ম্মত আমি পঢ়িবলৈ পাঁও কিদৰে পাঁচনিসকলে শিক্ষা দিয়া খ্ৰীষ্টৰ বাক্যত নতুন বিশ্বাসীসকলে দৃঢ়তাৰে চলি গৈছিল। শিষ্য সকলে আনক শিষ্যা/শিষ্য কৰিছিল, আৰু তেওঁলোক সকলোকে খ্ৰীষ্টিয়ান বুলি মতা হৈছিল (পাঁচনিকৰ্ম্ম ১১:২৬ পদ)। নতুন নিয়মৰ বাকী খিনি অংশ আছিল (আৰু হয়) খ্ৰীষ্টিয়ান শিষ্যা। শিষ্য সকলৰ প্ৰতি ঈশ্বৰৰ বাক্য। সেয়ে শিষ্যা/শিষ্যত্ব হৈছে যীচুখ্ৰীষ্টৰ চানেকীৰে জীৱনধাৰণ কৰা— শাস্ত্ৰত বৰ্ণনা কৰা জীৱন প্ৰণালী।

পৰিত্ৰাণ যি একমাত্ৰ ঈশ্বৰৰ পৰাহে সম্ভৱ, তাৰ বিপৰীতে শিষ্যাত্ব হৈছে ঈশ্বৰ আৰু আমাৰ মাজত সহযোগীতাৰ সম্বন্ধ। ঈশ্বৰৰ দ্বাৰাই আমি উদ্ধাৰ পাওঁ, ঈশ্বৰৰ পবিত্ৰ-আত্মাৰে আমি পৰিপূৰ্ণ হওঁ, যিয়ে ঈশ্বৰক সন্তুষ্ট কৰিব পৰা জীৱন নিবাস কৰিবলৈ আমাক সমক্ষম কৰে (যোহন ১৪:২৬; পাঁচনিকৰ্ম্ম ৫:৩২; ১ম কৰিন্থীয়া ১২:৩ (শেষ অংশ) পদ)। যিহেতু নিজকে উদ্ধাৰ কৰিবলৈ আমি একো কৰিব নোৱাৰো, কিন্তু পবিত্ৰ আত্মাই আমাক শিষ্যা হ’বলৈ শক্তিশালী কৰা কাৰণে আমিও কিবা এটা কৰা উচিত, বাইবেলে কৈছে যে, পবিত্ৰ আত্মাই যীচু খ্ৰীষ্টৰ বিষয়ে সাক্ষ্য

দিব, আৰু তেওঁলৈ গৌৰৱ আনিব (যোহন ১৫:২৬; ১৬:১৩-১৪ পদ)। পবিত্ৰ আত্মাৰ লগত আমাৰ সক্ৰিয় সহযোগ আৰু একটাৰ ভাব নাথাকিলে আমি উত্তম শিষ্যা হ'ব নোৱাৰো, শিষ্যাত্বৰ কাৰণে যি প্ৰয়োজন সেই কাম কৰিবলৈ তেৱেঁই আমাক শিক্ষা দিব। ঈশ্বৰৰ বাক্য আমাৰ জীৱনত ব্যৱহাৰ কৰা দ্বাৰাই তেওঁ এই কামটো কৰে (যোহন ১৬:১৩-১৫ পদ)।

ঈশ্বৰৰ বাক্যই নিৰ্দ্দেশ দিয়াৰ দ্বাৰাই আৰু পবিত্ৰ-আত্মাৰ সহায়ত যদি আপুনি যীচু খ্ৰীষ্টৰ শিষ্য হ'ব বিচাৰিছে, তেতিয়া শিষ্যা হোৱা কাৰণে যি সকলো আদেশ দিয়া হয় সেই সকলো পালন কৰিবলৈ আপুনি শিকে আৰু বাধ্য হয়। আপুনিহে সকলো অস্বীকাৰ কৰি নিজৰ ক্ৰুচ বহন কৰি তেওঁক অনুসৰণ কৰে (মাৰ্ক ৮:৩৪ পদ)। আপুনিহে ঈশ্বৰৰ অনুগ্ৰহৰ দ্বাৰাই উদ্ধাৰ পোৱা অভিজ্ঞতাৰ বিষয়ে জানি, আপুনি নিজকে জীৱিত, পবিত্ৰ আৰু ঈশ্বৰৰ গ্ৰহণীয় বলি স্বৰূপে উছৰ্গ কৰিব পাৰিব। (ৰোমীয়া ১২:১ পদ)। আপুনিহে সিধান্ত কৰি নিজকে অনুশাসন কৰিব যাতে এই জগতৰ স্বভাব-চৰিত্ৰ, চাল-চলন, ৰীতি-নীতি, দৰ্শন আদিৰ লগত এক হৈ নাযাব, কিন্তু ঈশ্বৰৰ ইচ্ছাৰ দ্বাৰাই দৃঢ়ভাবে জীৱন যাপন কৰিব (ৰোমীয়া ১২:২ পদ)। আপুনি যেতিয়া নিজকে সমৰ্পন কৰিব আৰু "খ্ৰীষ্টসদৃশ" জীৱন প্ৰণালীৰ দৰে কাম কৰিবলৈ পবিত্ৰ আত্মাক অনুমতি দিব, তেতিয়া ঈশ্বৰে পৰিত্ৰাণৰ যি উত্তম কাম আপোনাত কৰিলে, সেই কাম সম্পূৰ্ণ নোহোৱালৈকে চলাই নিব (ফিলিপীয়া ১:৬ পদ)। আৰু আপোনাৰ শিষ্যাত্বৰ ফল কেৱল খ্ৰীষ্টসদৃশ স্বভাৱ-চৰিত্ৰই নহয় কিন্তু আপুনি অনেকক শিষ্যা কৰি "মানুহ ধৰা জালোৱাই" কৰিব পাৰিব। আপোনাৰ শিষ্যাত্বৰ জীৱন প্ৰণালীয়ে আপোনাক শিষ্যা গঢ়াত সহায় কৰিব আৰু অনেকক প্ৰকৃত শিষ্যা কৰি গঢ়ি তোলাত সহায় কৰিব। প্ৰতি গৰাকী খ্ৰীষ্টিয়ানৰ কাৰণে, এয়ে হৈছে মণ্ডলীৰ জীৱন চক্ৰ। মহান আজ্ঞাত এয়ে যীচু খ্ৰীষ্টৰ উদ্দেশ্য।

আমাৰ সাংস্কৃতিত অতি কম শতাংশৰ খ্ৰীষ্টিয়ান থকা কাৰণে,— সকলো জাতি, লোকসকল আৰু ভাষাৰ অগণন জনক ঢুকি পাব পৰাকৈ, আৰু অনন্ত শাস্তিৰ বিপদৰ পৰা হেৰুৱা জনক উদ্ধাৰ কৰি তেওঁলোকক যীচু খ্ৰীষ্টৰ শিষ্যা কৰাৰ ক্ষেত্ৰত আমাৰ আগত এক মহান কৰ্ত্তব্য আছে। তাৰোপৰি আমাৰ ৰাষ্ট্ৰ দৃশ্যপটে তিনিটা প্ৰত্যাহবান জনায় :

**(১) জনসংখ্যা :** "পৃথিৱীৰ আন সকলো অংশতকৈ ভাৰতবৰ্ষত বহুতো (আৰু

বৃহত) দলৰ লোকসমূহ আছে য'ত কোনো খ্ৰীষ্টিয়ান, মণ্ডলী বা কৰ্ম্মী নাই...পৃথিৱীৰ য'ত প্ৰচাৰ কাৰ্য্য হোৱাই নাই" (অপৰেচন বাৰ্ল্দ, এডিচন, 2010 পিপি. 405-417)। বৰ্ত্তমানে অবিৰামভাবে কৰ্ম্মৰত হৈ থকা প্ৰচাৰক আৰু পালকসকল থাকিলেও এই কাৰ্য্য সম্পূৰ্ণ হৈ উঠা অসম্ভৱ।

**(২) লিংগ মনোভাব :** ঘৰত আৰু বাহিৰত নিৰাপত্তা আৰু স্বাস্থ্যৰ ক্ষেত্ৰ ভাৰতবৰ্ষত মহিলাসকলে নানা বাধাৰ সম্মুখীন হোৱাটো বৰ্ত্তমানেও চলি আছে। বৰ্ত্তমানে আধুনিক জীৱন প্ৰণালীৰ ইমান বিস্ফোৰক পৰিবৰ্ত্তন হোৱাৰ সময়তো অনেকেই অসহায় আৰু আশাহীনতা অনুভৱ কৰে। তেওঁলোকে আইনৰ আগত কান্দে, দাবী কৰে আৰু আবেদন কৰে। তেওঁলোকে নিজৰ অধিকাৰৰ কাৰণে আৰু নিজ মূল্যৰ দৃঢ়তাৰ কাৰণে যুঁজ কৰে। কিন্তু তেওঁলোকে বুজি নাপায় যে তেওঁলোকৰ প্ৰাথমিক প্ৰয়োজনটো হৈছে স্বাভাৱিকতে আত্মিক আৰু অনন্তকলীয়া। এই ক্ষেত্ৰত কোনে তেওঁলোকৰ আগত সেই পোহৰ প্ৰকাশিত কৰিব যিজনে সেই প্ৰকৃত মূল্য দিবলৈ মৃত্যুবৰণ কৰি আজি জীৱিত হৈ আছে।

**(৩) জ্ঞানৰ অভাৱ :** এই বৰ্ত্তমান সময়ত ঈশ্বৰে মহানভাবে কাৰ্য্য কৰি আছে, আৰু অনেকেই যীচু খ্ৰীষ্টলৈ আহি আছে। মহিলাসকলৰ মাজত অনেক নতুন বিশ্বাসী আছে, যিসকলক তেওঁৰ শিষ্যা হোৱা ক্ষেত্ৰত শিক্ষা দিয়া প্ৰয়োজন। দৃঢ় মূল্যাংকনৰ দ্বাৰাই দেখা গৈছে যে ঈশ্বৰ কৃপাত যদিও তেওঁলোকে বিশ্বাসত বৃদ্ধি লাভ কৰিছে, কিন্তু তেওঁৰ বাক্যৰ শিক্ষাৰ অভাৱ আছে। বিপৰীত পক্ষৰ পৰা যেতিয়া হেঁচা আৰু তাড়না আহে তেতিয়া অনেকেই নিজ বিশ্বাসৰ পৰা আঁতৰি যায়। আনহাতে প্ৰকৃত শিষ্যা হ'বলৈ যদি তেওঁলোকক প্ৰশিক্ষণ দিয়া যায়, তেতিয়া ঈশ্বৰৰ ৰাজ্যৰ কাৰণে তেওঁলোকক উৎপ্ৰেড়িত কৰি অসংখ্য মৌ-মাখিৰ দৰে—সুসংগঠিত ভাবে, কষ্টৰে পৰিশ্ৰম কৰি, আনক যীচু খ্ৰীষ্টলৈ আনিব পাৰিব।

সেয়ে ঈশ্বৰৰ কাৰণে আমাৰ অনেক কৰ্ম্মীৰ প্ৰয়োজন, যীচু খ্ৰীষ্টৰ কাৰণে অনেক সাক্ষীৰ প্ৰয়োজন, আৰু মহিলাসকলৰ মাজত অনেক শিষ্যা কৰোঁতাৰ প্ৰয়োজন। মণ্ডলীৰ অনেক চলাওঁতাই উপলব্ধি কৰি প্ৰকাশ কৰিছে যে, পুৰুষসকলতকৈ মহিলাসকল উত্তম আৰু ফলদায়ক বা প্ৰভাৱশালী প্ৰচাৰক, কিয়নো তেওঁলোকে কেৱল মহিলাসকলকেই নহয়, কিন্তু সৰু সৰু ল'ৰা-ছোৱালী, যুৱক-যুৱতী আৰু বয়োজ্যেষ্ঠ সকলৰো ওচৰ চাপিব পাৰে। শিষ্যা কৰোঁতাৰ ক্ষেত্ৰত মহিলাসকলৰ


প্ৰভাৱ অতি মহান।

অত্যাৱশ্যকী এই পৰিশ্ৰমে দুটা কাম কৰিবলৈ আমাক বাধ্য কৰায়। **প্ৰথমে,** যীচু খ্ৰীষ্টৰ প্ৰকৃত শিষ্যা (যোহন ৮:৩১ পদ) আমি প্ৰাৰ্থনাৰে নিজৰ মূল্যাংকন কৰি আমাৰ জীৱন পুনৰ উছৰ্গা কৰিব লাগিব। **দ্বিতীয়** আমি নিজকে দৃঢ় সাক্ষী আৰু শিষ্যা কৰোঁতা স্বৰূপে সৰ্মপিত হব লাগিব। এই দুয়োটা কৰ্ম্মই সম্পাদন কৰা কাৰণে 'ৰিনে' তাৰ চানেকি দিয়ে। যি সকলো মহিলাই "ৰিন"ত যোগদান কৰিব তেওঁলোক সেই মহান আজ্ঞা পূৰ্ণ কৰাত অংশ থাকিব। ঈশ্বৰে আপোনাক মনোনীত কৰিছে। তাতকৈ মহান সুযোগ আৰু নাই।

**'ৰিনে' খ্ৰীষ্টিয়ান মহিলাসকলক সুদূৰ প্ৰসাৰী দৃষ্টি প্ৰদান কৰে, দৃঢ় শিষ্যাত্বৰ প্ৰতি প্ৰত্যাহৰান জনায়, আন মহিলাসকলৰ লগত গতিশীল আত্মিক সংগঠন গঢ়িবৈল আৰু যিসকলক শক্তিশালী শিষ্যা গঢ়ি তোলাৰ ক্ষেত্ৰত প্ৰেৰিত কৰিব। আহঁক আমি "ৰিনাচ" হওঁ!**

সমস্ত গৌৰৱেৰে ঈশ্বৰলৈ,
যিজনাৰ অনুগ্ৰহণ সকলো উত্তম কৰ্ম্মৰ মূল,
যীচু খ্ৰীষ্টৰ উদ্দেশ্যে আপোনাৰ,

— ৰিন ভিশ্চনেৰিচ



# টীকা

# ২ এগৰাকী শিষ্যৰ লক্ষণ

**মুখ্য পদ : কলচীয়া ১: ১০ পদ**

"... তোমালোকে ঈশ্বৰৰ ইচ্ছানুসাৰে জীৱনযাপন কৰিবলৈ... আৰু তেওঁৰ দৃষ্টিত যি যি সন্তোষজনক তাকে সদায় কৰিব পাৰিব। তাতে তোমালোকৰ জীৱনে সকলো প্ৰকাৰৰ সৎকৰ্ম্ম উৎপন্ন কৰিব, আৰু তোমালোকে ঈশ্বৰৰ তত্ত্বজ্ঞানত অধিক অধিককৈ বৃদ্ধি পাই যাবা।"

**প্ৰস্তাৱনা**

১। অনেকেই যীচুত বিশ্বাস কৰে, কিন্তু এগৰাকী শিষ্যা হৈছে সেই গৰাকী যিয়ে তেওঁক প্ৰেম কৰে আৰু অতি নিবীড় ভাবে তেওঁক অনুসৰণ কৰে।

ক) লোকবিলাকে আহাৰ, আচৰিত কৰ্ম্ম, সুস্থ হ'বলৈ, উদ্ধাৰ পাবলৈ, আৰু ৰাজনৈতিক স্বাধীনতাৰ কাৰণে যীচুক অনুসৰণ কৰিছিল। তেওঁলোক সকলোৱে যীচুৰ শিষ্যা/শিষ্য আছিল নে (যোহন ৬:১৪-১৫ পদ)?

খ) যীচু লগত থাকিবলৈ আৰু তেওঁক অনুসৰণ কৰিবলৈ বাৰ গৰাকী পাঁচনিয়ে তেওঁলোকৰ ব্যক্তিগত জীৱন ত্যাগ কৰিছিল। তেওঁলোক শিষ্য আছিল নে (মথি ৪:১৯-২০ পদ)?

২। এই পাঠত আমি যীচু খ্ৰীষ্টৰ প্ৰকৃত শিষ্যা/শিষ্যাৰ চৰিত্ৰৰ বিষয়ে আবিস্কাৰ কৰিম আৰু আমি নিজেও প্ৰকৃত শিষ্যা/শিষ্য হ'বলৈ শিক্ষা লাভ কৰিম।

**যীচুখ্ৰীষ্টৰ প্ৰকৃত শিষ্যা/শিষ্যৰ চৰিত্ৰবোৰ**

১। এগৰাকী প্ৰকৃত শিষ্যাই **আন সকলোতকৈ ঈশ্বৰক অধিক প্ৰেম কৰে** (লূক ১৪:১৬-২৬ পদ)।

ক) ঈশ্বৰৰ প্ৰতি প্ৰেমেই হৈছে এগৰাকী শিষ্যাৰ জীৱনৰ প্ৰভাৱশালী চৰিত্ৰ। আমাৰ নিজৰ প্ৰতি প্ৰেমতকৈ যীচুৰ প্ৰতি আমাৰ প্ৰেম

সৰ্বাধিক হোৱা উচিত। আমাৰ হেঁপাহ আৰু সপোন, আমাৰ প্ৰিয় বিষয় আৰু স্বভাৱ, আমাৰ বিশ্ৰাম আৰু সুখ আনন্দতকৈ আমি তেওঁক অধিক প্ৰেম কৰা উচিত।

খ) যীচুৰ প্ৰতি প্ৰেমৰ তুলনাত আনসকলো প্ৰেমেই ঘৃণা স্বৰূপ।

- আমি জানো যে আমি প্ৰকৃত পক্ষে আমাৰ পৰিয়ালক ঘৃণা কৰা উচিত নহয়, উদাহৰণ স্বৰূপে পিতৰে তেওঁৰ ভাৰ্য্যাক পৰিচৰ্য্যাৰ কাৰ্য্যলৈ আনিছিল (১ম কৰিন্থীয়া ৯:৫ পদ)।
- আমি জানো যে আমি আমাৰ পৰিয়াল আৰু সম্বন্ধীয়ৰ যতন ল'ব লাগে। বাইবেলে কৈছে যে, যিসকলে তেনেদৰে নকৰে তেওঁলোক "বিশ্বাস নকৰা লোকতকৈয়ো অধম" (১ম তীমথি ৫:৮ পদ)।
- হিতোপদেশ ৩১:১০-৩১ পদে মহিলাসকলক গুণৱতী আৰু ঈশ্বৰ ভয়কাৰী আৰু নিজ পৰিয়ালক ভালদৰে যতন ল'বলৈ পৰামৰ্শ দিছে। নতুন নিয়মৰ ১ম তীমথি ২:৯-১০ পদ আৰু ১ম পিতৰ ৩:১-৬ পদ কেইটা চমুকৈ হৈছে পুৰণি নিয়মৰ একেই পৰামৰ্শ।
- লূক ১৪:২৬ পদত থকা ঘৃণা শব্দৰ অৰ্থ হৈছে কম পৰিমাণে প্ৰেম কৰা।

  — আমি আমাৰ পৰিয়াল বা সম্বন্ধীয়তকৈ খ্ৰীষ্ট আৰু তেওঁৰ কৰ্ম্ম আৰু বাক্যক গুৰুত্ব দিয়া উচিত।

  — তেওঁ যদি আমাক তেওঁৰ শুভবাৰ্ত্তা প্ৰচাৰ কৰিবলৈ আন ঠাইলৈ যাবলৈ আহ্বান জনায় তেনে ক্ষেত্ৰত আমি এই সকলোকে ত্যাগ কৰিবলৈ ইচ্ছুক হ'ব লাগিব।

  — এই সকলো যদি তেওঁ আমাৰ পৰা লৈ যায় তেতিয়া আমি এটা শব্দ উচ্চাৰণ নকৰাকৈ তেওঁৰ সৰ্মপিত হ'ব লাগিব।

গ) মথি ১০:৩৭ পদত যীচু খ্ৰীষ্টই এই সত্যকে সাহিত্য ৰূপত বহলভাবে বুজাই দিছে। এই পদক এইদৰে বুজা উচিত যে, খ্ৰীষ্ট যীচুক সৰ্বোস্বভাবে প্ৰেম কৰা উচিত। যদি নহয়, তেতিয়া আমি তেওঁৰ শিষ্য্যা বা খ্ৰীষ্টিয়ান ৰূপে গণিত হোৱা যোগ্য নহয়।

ঘ) যি গৰকী শিষ্যাই যীচু খ্ৰীষ্টক নিজৰ জীৱনত প্ৰথম স্থান দিয়ে তেওঁ পুৰস্কৃত হ'ব (মথি ৬:৩৩, মাৰ্ক ১০:২৮-৩০ পদ)।

২। এগৰাকী প্ৰকৃত শিষ্যাই **তেওঁৰ ক্ৰুচ তুলি লয়** (লূক ১৪:১৭ পদ, মাৰ্ক ৮:৩৪-৩৫ পদ)।

ক) বৰ্ত্তমানৰ দৰে নহয়, আদি মণ্ডলীত ক্ৰুচ আছিল মৃত্যুৰ প্ৰতীক। যদি এগৰাকী মহিলাই যীচু খ্ৰীষ্টৰ শিষ্যা হ'বলৈ মনোনীত কৰে আৰু সিধান্ত লয়, তেতিয়া তেওঁ প্ৰতি দিনেই নিজৰ ক্ৰুচ তুলি লব লাগিব।

খ) ই পৌলৰ মনোভাবৰ দৰে, "কিয়নো মোৰ কাৰণে জীয়াই থকাই হৈছে খ্ৰীষ্ট, আৰু মৰাই হৈছে লাভ" (ফিলিপীয়া ১:২১ পদ)। যীচু খ্ৰীষ্ট আৰু তেওঁৰ কাৰ্য্যৰ কাৰণে তেওঁ আনকি নিজৰ জীৱনো হেৰুৱাবলৈ সাজু থাকিব লাগিব।

গ) মাংসিক অভিলাষবোৰ দমন কৰিবলৈ তেওঁ নিজকে অস্বীকাৰ কৰিব লাগিব। যীচুখ্ৰীষ্টৰ অনুগামী জনে জাগতিক সুখ-আনন্দ বা উন্নতিৰ কাৰণে হাবিয়াস নকৰি নিজকে অনুশাসন কৰিব লাগিব। তেওঁ নিজকে অগ্ৰাহ্য বা অস্বীকাৰ কৰাৰ অনুশীলন কৰিব লাগিব আৰু সকলো ত্যাগ কৰিবলৈ ইচ্ছুক হ'ব লাগিব, যীচুখ্ৰীষ্টৰ কাৰণে আনকি জাগতিক সকলো সুখ-আৰাম আৰু উপভোগ ত্যাগ কৰিবলৈকো কুণ্ঠাবোধ কৰিব নালাগিব।

ঘ) খ্ৰীষ্টিয়ান পৰিচৰ্য্যা কাৰণে তেওঁৰ ওপৰত ঈশ্বৰে যি বোজা দিছে তাক সাহসেৰে আৰু আনন্দেৰে বহন কৰিব লাগিব, আৰু পৰিয়ালৰ প্ৰতি তেওঁৰ যি বোজা তাকো বহন কৰিব লাগিব।

- এইদৰে কৰোঁতে শিষ্যাগৰাকীয়ে ঈশ্বৰে দিয়া বোজা আৰু পাপ কৰ্ম্মৰ দ্বাৰাই নিজে বা আনে দিয়া বোজাৰ (অৰ্থাৎ অপব্যৱহাৰ) মাজৰ পাৰ্থক্যটো বুজি পোৱা অতি প্ৰয়োজন।
- শিষ্যা গৰাকী যীচুখ্ৰীষ্টৰ লগত যুঁৱলিত আছে (মথি ১১:৩০ পদ)-। যেতিয়া বোজা অধিক গধুৰ যেন লাগে, তেতিয়া পাপৰ দ্বাৰাই হোৱা বোজাবোৰ আতঁৰাই পেলাবলৈ আৰু যি বোজা বহন কৰিবলৈ তেওঁ সহায় কৰিছে তাৰ কাৰণে জ্ঞান, শক্তি আৰু সহায়ৰ বাবে প্ৰাৰ্থনা কৰা উচিত, যাতে সেই

বোজা তেওঁ ভালদৰে বহন কৰিব পাৰে।

৩। এগৰাকী প্ৰকৃত শিষ্যাই **যীচু খ্ৰীষ্টক** অনুসৰণ কৰে (লূক ১৪:২৭ পদ)।

ক) যীচু খ্ৰীষ্টক অনুসৰণ কৰা অৰ্থ হৈছে তেওঁৰ আজ্ঞাৰ বাধ্য হোৱা। যি কোনোৱে যীচু খ্ৰীষ্টক প্ৰেম কৰে তেওঁ তেওঁৰ শিক্ষাবোৰৰ বাধ্য হ'ব। আৰু যি কোনোৱে তেওঁৰ আজ্ঞাবোৰৰ পালন  কৰে, তেওঁৰ প্ৰেমতে থাকে (যোহন ১৪:২৩; যোহন ১৫:১০ পদ)।

খ) যীচু খ্ৰীষ্টক অনুসৰণ কৰাৰ অৰ্থ হৈছে তেওঁৰ উদাহৰণক অনুকৰণ কৰা। এগৰাকী প্ৰকৃত শিষ্যাই যীচু খ্ৰীষ্টৰ জীৱনী আৰু শিক্ষাবোৰৰ ওপৰত দিনে ৰাতিয়ে ধ্যান কৰে। তেওঁৰ উদাহৰণৰ নিয়ম আৰু আৰ্দশৰে প্ৰতিদিনেই তেওঁ নিজৰ জীৱনক শুদ্ধ কৰা আৰু শোধন কৰা অভ্যাস কৰে (ফিলিপীয়া ২:৪ পদ)।

গ) যীচুখ্ৰীষ্টক অনুসৰণ কৰা অৰ্থ হৈছে তেওঁৰ উদ্দেশ্যৰ কাৰণে নিজকে সম্পূৰ্ণভাবে উছৰ্গা কৰা। আকৌ, ই পৌলৰ উছৰ্গা দৰেই, যিজনে কৈছিল, "মোৰ পক্ষে জীয়াই থকাই হৈছে খ্ৰীষ্ট" (ফিলিপীয়া ১:২১ পদ)।

ঘ) যীচু খ্ৰীষ্টক অনুসৰণ কৰা অৰ্থ হৈছে মৃত্যুলৈকে বিশ্বাসী হৈ থকা এগৰাকী শিষ্যাই যীচু খ্ৰীষ্টৰ প্ৰতি তেওঁৰ বিশ্বাসত দৃঢ় হৈ থাকে, আৰু সিদ্ধান্ত কৰে যে, তেওঁ কেতিয়াও যীচু খ্ৰীষ্টৰ ত্যাগ নকৰে। আৰম্ভ কৰা জনেই নহয়, কিন্তু যিজনে শেষ কৰে তেওঁহে পুৰস্কাৰ লাভ কৰে (ফিলিপীয়া ৩:১১-১৪; প্ৰকাশিত বাক্য ২:১০ পদ)।

৪। এগৰাকী প্ৰকৃত শিষ্যাই **তেওঁৰ সম্পত্তিকো এৰি দিবলৈ ইচ্ছুক** (লূক ১৪:৩৩; মাৰ্ক ১০:২১ পদ)।

ক) শিষ্যাসকল নিজৰ জীৱনৰ গৰাকী নহয়; তেওঁলোক মাত্ৰ তাৰ ঘৰগিৰিহে (১ম কৰিন্থীয়া ৬:১৯ পদ)।

খ) বৈথনিয়াৰ মৰিয়মে তেওঁৰ আটাইতকৈ মূল্যৱান সম্পত্তি জটামাংসীৰ বহুমূলীয়া সুগন্ধি তেল যীচু খ্ৰীষ্টৰ চৰণত বাকি দিছিল—তেওঁৰ চৰণ অভিষিক্ত কৰিছিল (যোহন ১২:৩ পদ)।

গ) এগৰাকী ধনী যুবক শাসনকৰ্ত্তাৰ এটা বস্তুৰ অভাৱ আছিল : যীচু

খ্ৰীষ্টতকৈ তেওঁ নিজৰ সম্পত্তিক অধিক প্ৰেম কৰিছিল। সেই কাৰণে তেওঁ যীচ খ্ৰীষ্টক অনুসৰণ নকৰিলে (মাৰ্ক ১০:২১-২২ পদ)।

৫। এগৰাকী প্ৰকৃত শিষ্যাই **ঈশ্বৰৰ বাক্য জানে আৰু তাত বৃদ্ধি লাভ কৰে** (যোহন ৮:৩১ পদ)।

ক) প্ৰথমতে যীচু খ্ৰীষ্টক অনুসৰণ কৰা অনেকেই তেওঁত বিশ্বাস কৰিছিল, কিন্তু পিছলৈ গুচি গৈছিল (যোহন ৬:৬ পদ)। যীচু খ্ৰীষ্টই ঘোষণা কৰিছিল যে এগৰাকী শিষ্যা সেই গৰাকী যি গৰাকীয়ে তেওঁৰ বাক্যত চলি যায়। যীচু খ্ৰীষ্টৰ প্ৰতি আমাৰ শুদ্ধ প্ৰেমৰ পৰীক্ষা হৈছে তেওঁৰ বাক্যত অবিৰত বিশ্বাস আৰু বৃদ্ধিপূৰ্ণ বাধ্যতা।

খ) নতুনকৈ জন্মা কেচুৱাই যিদৰে গাখীৰৰ কাৰণে ভোকাতুৰ হয় ঠিক সেইদৰে এগৰাকী শিষ্যাই ঈশ্বৰৰ বাক্যৰ কাৰণে হেপাঁহ কৰে (১ম পিতৰ ২:২ পদ)।

গ) এগৰাকী শিষ্যাই জীয়াই থাকিবলৈ—আত্মিকভাবে বৃদ্ধি পাবলৈ আৰু চয়তানক জয় কৰিবলৈ ঈশ্বৰৰ বাক্য ভোজন কৰে। ঈশ্বৰৰ বাক্য ভোজন কৰা দ্বাৰাই আমি যীচু খ্ৰীষ্টক ভোজন কৰোঁ (মথি ৪:৪, যোহন ৬:৩৫ পদ)।

ঘ) যীচু খ্ৰীষ্টৰ এগৰাকী শিষ্যাই তেওঁৰ যুঁৱলি লোৱাৰ দ্বাৰাই তেওঁৰ বাক্যত প্ৰকাশ হোৱা দৰে তেওঁৰ বাক্যৰ বাধ্য হোৱাৰ ওপৰিও তাক কিদৰে তেওঁৰ ইচ্ছা পূৰ্ণ কৰিব পাৰে সেই বিষয়ে শিকে (মথি ১১:২৯-৩০ পদ)।

৬। এগৰাকী প্ৰকৃত শিষ্যাই **পবিত্ৰ জীৱন যাপন কৰা দ্বাৰাই ঈশ্বৰক সন্তোষ্ট কৰিব চেষ্টা কৰে** (১ম পিতৰ ১:১৫ পদ)।

ক) যীচুখ্ৰীষ্টৰ শিষ্যাসকলক ঈশ্বৰে এক পবিত্ৰ জীৱনলৈ আহ্বান কৰিছে (১ম থিচলনীকীয়া ৪:৭ পদ)।

খ) আমাৰ পৰিত্ৰাণত খ্ৰীষ্ট যীচুত আমাক পবিত্ৰ কৰা হয় আৰু অবিৰাম শুদ্ধিকৰণ কাৰণে আহ্বান কৰা হয়। (১ম কৰিন্থীয়া ১:২ পদ)।

গ) "পবিত্ৰ" শব্দৰ অৰ্থ হৈছে আমাৰ চাৰিওফালে থকা অবিশ্বাসীসকলৰ জীৱন প্ৰণালীৰ পৰা আমাক পৃথক কৰা হৈছে, আৰু ঈশ্বৰ আৰু

তেওঁৰ উদ্দেশ্যৰ কাৰণে সমৰ্পন কৰা হৈছোঁ। শিষ্যা এগৰাকী শিষ্যা নোহোৱা সকলৰ পৰা বেলেগ হোৱা উচিত; তেওঁ জীৱিত পবিত্ৰ ঈশ্বৰৰ প্ৰতি সৰ্মপিত।

ঘ) পবিত্ৰতাই হৈছে এগৰাকী শিষ্যাৰ জীৱনত ঈশ্বৰৰ পৰিত্ৰাণ আৰু তেওঁৰ উপস্থিতিৰ প্ৰমাণ (১ম যোহন ৩:৬-৯ পদ)।

৭। এগৰাকী প্ৰকৃত শিষ্যাই **আন শিষ্যাসকলক প্ৰেম কৰে** (যোহন ১৩:৩৪-৩৫ পদ)।

ক) প্ৰথম শতিকাৰ খ্ৰীষ্টিয়ানসকলৰ মাজত ভাতৃ প্ৰেম ইমান এক বিশেষ চৰিত্ৰ আছিল যে এগৰাকী বুৰঞ্জীবিদে তেওঁলোকৰ বিষয়ে এইদৰে বৰ্ণনা কৰি লিখিছিল, "পৰস্পৰে পৰস্পৰক জনাৰ আগতেই তেওঁলোকে প্ৰেম কৰে।" ইয়ে তেওঁলোকৰ সাক্ষী যে, তেওঁলোক যীচু খ্ৰীষ্টৰ অনুগামী।

খ) যীচু খ্ৰীষ্টত প্ৰকাশ পোৱা ঈশ্বৰৰ মহান প্ৰেমক চিনি পোৱা কাৰণে শিষ্যা/শিষ্যাসকলে পৰস্পৰে পৰস্পৰক প্ৰেম কৰে।

গ) যি সকলে বিশ্বাস কৰে যে যীচুৱেই খ্ৰীষ্ট হয় তেওঁলোক সকলোৱেই ঈশ্বৰৰ সন্তান। আৰু যি সকলে পিতৃক প্ৰেম কৰে তেওঁ তেওঁৰ সন্তান সকলকো প্ৰেম কৰে (১ম যোহন ৫:১ পদ)।

ঘ) "প্ৰেম" শব্দৰ কাৰণে গ্ৰীক ভাষাত তিনিটা শব্দ আছে—"ইৰচ, ফিলিঅ, আগাপে।" ১ম যোহনত ব্যৱহাৰ হোৱা "আগাপে"ৰ অৰ্থ হৈছে নিস্বাৰ্থ প্ৰেম। ঈশ্বৰৰ নিস্বাৰ্থ প্ৰেমেৰে শিষ্যা/শিষ্যাসকলে পৰস্পৰে পৰস্পৰক প্ৰেম কৰা উচিত (১ম যোহন ৩:১৬-১৮ পদ)। ই প্ৰকৃত সহভাগিতালৈ আগুৱাই নিয়ে, আৰু নিৰাপত্তাৰ ভাব জগাই তোলে।

৮। এগৰাকী প্ৰকৃত শিষ্যাই **অনেক ফল ধাৰণ কৰে** (মোহন ১৫:৫-৩৫ পদ)।

ক) ঈশ্বৰ দ্ৰাক্ষাবাৰীৰ ৰক্ষক যীচু খ্ৰীষ্ট দ্ৰাক্ষালতা আৰু ফল উৎপন্ন কৰিবলৈ শিষ্যা/শিষ্যাসলক ডাল। যিজনে ফল ধাৰণ নকৰে তাক কাটি পেলোৱা হয় আৰু জ্বলাই দিয়া হ'ব। ঈশ্বৰৰ কাৰণে ফল ধাৰণ

কৰাই হৈছে খ্ৰীষ্টিয়ান শিষ্যাত্বৰ প্ৰকৃত পৰীক্ষা (যোহন ১৫:১-২,৬ পদ)।

খ) "অধিক ফল ধৰা"ৰ অৰ্থ হৈছে উত্তম বা ভাল কৰ্ম্মত ফলৱান হোৱা, সদায় প্ৰভুৰ কামত উপচি পৰা। আমাৰ বিশ্বাস, আমাৰ কথোপকথন, আৰু আমাৰ অনন্তকলীয়া পৰিত্ৰাণ, কৰ্ম্মৰ পৰা হোৱা নহয় কিন্তু ঈশ্বৰৰ অনুগ্ৰহৰ বিনামূলীয়া উপহাৰ। কিয়নো, যি সৎকৰ্ম্মত চলিবলৈ ঈশ্বৰে পূৰ্ব্বতে প্ৰস্তুত কৰি থলে, সেই সৎকৰ্ম্মৰ উদ্দেশ্যে যীচু খ্ৰীষ্টত আমি সৃষ্ট হলোঁ (ইফিচীয়া ২:১০ পদ)।

গ) শিষ্যাই আত্মাৰ ফলবোৰ প্ৰকাশ কৰে (গালাতীয়া ৫:২২-২৫ পদ)।

ঘ) শিষ্যাই শিষ্যা ধাৰণ কৰে—আনক যীচু খ্ৰীষ্টলৈ লৈ আনে আৰু তেওঁ দিয়া সকলো আজ্ঞাৰে বাধ্য হ'বলৈ তেওঁলোকক শিক্ষা দিয়ে (মথি ২৮:১৮-২০ পদ)।

**সামৰণি**

১। যীচু খ্ৰীষ্টই আমাক তেওঁৰ শিষ্যা হ'বলৈ আৰু আনক শিষ্যা কৰিবলৈ আহ্বান জনায়। দুখৰ বিষয় যে সকলোবোৰ "খ্ৰীষ্টিয়ানেই" শিষ্যা/শিষ্য নহয়।

২। এগৰাকী শিষ্যা অনুশাসনৰ বশৱৰ্ত্তী : ইয়াৰ অৰ্থ হৈছে, এগৰাকী বিশ্বাসীয়ে তেওঁ নিজে বিচৰা বিষয়বোৰ নহয় কিন্তু তেওঁৰ গৰাকীয়ে বিচৰা বিষয়বোৰহে কৰে।

৩। এগৰাকী শিষ্যাই জানে যে তেওঁক এক মূল্য দি কিনি লোৱা হৈছে আৰু তেওঁৰ জীৱন তেওঁৰ নিজৰ নহয় কিন্তু ঈশ্বৰৰহে হয়।

৪। যীচু খ্ৰীষ্ট সকলো শিষ্যা/শিষ্যৰে প্ৰভু, ইয়াৰ অৰ্থ যীচুৱেই তেওঁৰ জীৱনৰ প্ৰধান গৰাকী।

**আলোচনাৰ কাৰণে প্ৰশ্ন**

১। এগৰাকী প্ৰকৃত শিষ্যাই আন সকলোতকৈ ঈশ্বৰক অধিক প্ৰেম কৰে। এগৰাকী শিষ্যাৰ কাৰণে তেওঁৰ জীৱনত ঈশ্বৰতকৈ আন কি প্ৰলোভনীয় বিষয়বোৰ থাকিব পাৰে?

২। আনৰ কাৰণে আপুনি কি কি কৰিছে। যাৰ যোগেদি প্ৰৰ্দশিত হয় যে

**প্ৰাৰ্থনা**

*প্ৰিয় পিতা, যীচু খ্ৰীষ্ট মোৰ প্ৰভুৰ প্ৰকৃত শিষ্য্যা হ'বলৈ মোক সহায় কৰক, যাতে মই নিজকে অস্বীকাৰ কৰি সম্পূৰ্ণ হৃদয়েৰে তেওঁক প্ৰেম কৰি তেওঁৰ অনুগামী হ'ব পাৰে। তেওঁৰ কাৰণে যাতে মই সকলো ত্যাগ কৰিবলৈ ইচ্ছাকৃত হওঁ, আন কি মোৰ জীৱনো, আৰু তেওঁৰ বাক্যতেই থাকি অধিক ফল ধাৰণ কৰিব পাৰোঁ। আমেন।*

# টোকা

# ৩ বৈথনিয়াৰ মৰিয়ম এগৰাকী উত্তম শিষ্যা

**মুখ্য পদ : যোহন ১২: ৩ পদ**

"তেতিয়া মৰিয়মে আধা লিটাৰমান বিশুদ্ধ জটা-মাংসীৰ বহুমূল্য সুগন্ধি তেল আনি যীচুৰ চৰণত বাকি দিলে, আৰু চুলিৰে তেওঁৰ চৰণ মচিলে। তাতে তেলৰ সুগন্ধে গোটেই ঘৰ জুৰিলে।"

**বৈথনিয়াৰ মৰিয়মক উল্লেখ কৰা শাস্ত্ৰৰ অংশসমূহ :** লূক ১০:৩৮-৪২, যোহন ১১:১-৪৫; যোহন ১২:১-৮ পদ।

**বৈথনিয়াৰ মৰিয়মৰ নাম উল্লেখ নকৰাকৈ তেওঁৰ বিষয়ে উল্লেখিত শাস্ত্ৰৰ অংশসমূহ :** মথি ২৬:৬-১৩; মাৰ্ক ১৪:৩-৯ পদ।

১। **উত্তম শিষ্যা হোৱা ক্ষেত্ৰত বৈথনিয়াৰ মৰিয়মে আমাক দেখুৱা সাতটা পথ :**

ক) মৰিয়ম, তেওঁৰ বায়েক মাৰ্থা আৰু তেওঁলোকৰ ভায়েক লাজাৰে, তেওঁলোকৰ ঘৰলৈ যীচু খ্ৰীষ্টক আদৰণি জনাইছিল (লূক ১০:৩৮-৩৯ পদ)।

খ) যীচু খ্ৰীষ্টৰ প্ৰতি মৰিয়মৰ গভীৰ বিশ্বাস আছিল। তেওঁ বিশ্বাস কৰিছিল যে, যীচু খ্ৰীষ্ট এজন প্ৰকৃত বন্ধু যি জনাই তেওঁলোকক সহায় কৰিব বিচাৰিছিল। তেওঁ নিশ্চিত আছিল যে, তেওঁলোকৰ ভায়েকৰ মৃত্যুৰ সময়ত তেওঁ তেওঁলোকক সহায় কৰিলেহেঁতেন (যোহন ১১:৩২ পদ)।

গ) মৰিয়মে বিশ্বাস কৰিছিল যে, যীচুখ্ৰীষ্টৰ মহান শক্তি আছে, আনকি ভায়েকৰ মৃত্যুক বাধা দিব পৰা শক্তি (যোহন ১১:৩২ পদ)। এগৰাকী শিষ্যা/শিষ্যৰ সৰ্বপ্ৰথম প্ৰয়োজনটো হৈছে যীচু খ্ৰীষ্টক ব্যক্তিগতভাবে

চিনি পোৱা। আমাৰ পাপবোৰৰ কাৰণে অনুতপ্ত হৈ যীচু খ্ৰীষ্টক আমাৰ জীৱনলৈ আদৰণি জনোৱা উচিত। দ্বিতীয় প্ৰয়োজনীয় বিষয়টো হৈছে তেওঁত বিশ্বাস কৰা।

**২। মৰিয়মে তেওঁৰ স্থান যীচু খ্ৰীষ্টৰ চৰণত লৈছিল।**

ক) মৰিয়মে যীচু খ্ৰীষ্টৰ চৰণত বহি তেওঁৰ শিক্ষা শুনি আছিল। শিষ্যা/শিষ্য এগৰাকীয়ে ঈশ্বৰৰ বাক্য বাইবেলখন অধ্যয়ন কৰে, প্ৰাৰ্থনা কৰে আৰু ঈশ্বৰৰ নিৰ্দ্দেশৰ কাৰণে শুনে (লূক ১০:৩৯ পদ)।

খ) তেওঁৰ ভায়েক লাজাৰৰ কবৰত যীচু খ্ৰীষ্টক লগ পাওঁতে মৰিয়মে নম্ৰভাবে তেওঁৰ চৰণত প্ৰণিপাত কৰিলে। মৰিয়মে ঈশ্বৰৰ সহায়ৰ কাৰণে নিবেদন কৰিলে। এগৰাকী শিষ্যা/শিষ্যই প্ৰতিটো প্ৰয়োজনৰ কাৰণে যীচুখ্ৰীষ্টৰ চৰণলৈ আহে (যোহন ১১:৩২ পদ)।

**৩। মৰিয়মে বিশ্বাসত তেওঁৰ দৈনিক জীৱন যাপন কৰিছিল।**

ক) মৰিয়ম এটি পৰিয়ালৰ সদস্যা আছিল, নিত্যকৰ্ম্মত যীচু খ্ৰীষ্টৰ কাৰণে জীৱন নিবাহ কৰিছিল (লূক ১০:৩৮-৪২ পদ)।

খ) যীচুৰ প্ৰকৃত অনুগামী হোৱা স্বত্তেও মৰিয়মে নিজৰ পৰিয়ালৰে এগৰাকী সদস্যাৰ পৰা অন্যায়ভাবে কটু বাক্য শুনিব লগা হৈছিল (লূক ১০:৩৮-৪০ পদ)।

গ) যীচু খ্ৰীষ্টৰ প্ৰকৃত অনুগামী হোৱা স্বত্তেও জীৱনৰ সমস্যাবোৰ পৰা ৰক্ষা পোৱা নাছিল (লাজাৰৰ কাহিনীটো চাওক, যোহন ১১:১-৪৪ পদ)।

ঘ) শিষ্যা হোৱা কাৰণে তেওঁ জনতাৰ সমালোচনাৰ পৰা ৰক্ষা পোৱা নাছিল (মথি ২৬:৮-৯; মাৰ্ক ১৪:৪-৫; যোহন ১২:৪-৬ পদ)। এগৰাকী শিষ্যাই নিজকে অস্বীকাৰ কৰে, আৰু ঈশ্বৰৰ ওপৰত সম্পূৰ্ণ বিশ্বাসেৰে তেওঁৰ দৈনিক জীৱনত ঈশ্বৰৰ ইচ্ছাক গ্ৰহণ কৰে।

**৪। মৰিয়মৰ আচৰণৰ কাৰণে তেওঁক জনা গৈছিল।**

ক) মৰিয়মে যেতিয়া শুনিলে যে যীচু খ্ৰীষ্টই তেওঁক বিচাৰিছে, তেওঁ তৎক্ষণাতে যীচু খ্ৰীষ্ট থকা স্থানলৈ গৈছিল। তেওঁৰ কাৰণে যীচু খ্ৰীষ্টৰ হেপাঁহ আৰু ইচ্ছা জনাৰ লগে লগেই শিষ্যা গৰাকীয়ে তাৰ বাধ্য হয়।

খ) মৰিয়মে যীচু খ্ৰীষ্টক তেওঁৰ উত্তম ভাগ দিছিল, আটাইতকৈ মূল্যৱান উপহাৰ। যীচু খ্ৰীষ্টই আমাৰ কাৰণে ইমান কৰিলে; তেওঁ আমাৰ অতি উত্তম কাম আৰু চেষ্টাৰ যোগ্য (যোহন ১২:৩ পদ)।

গ ) যীচু খ্ৰীষ্টক অধিক পৰিমাণ মূল্যৱান সুগন্ধি উপহাৰ দিয়াই মৰিমক যীচু খ্ৰীষ্টৰ পৰিচৰ্য্যাৰ কাৰণে উছৰ্গাৰ এক নতুন স্থৰলৈ তুলি নিছিল। আমি নিজেই বহুমূলীয়া সুগন্ধি দ্ৰব্য, যীচু খ্ৰীষ্টৰ সোৱা পৰিচৰ্য্যাৰ কাৰণে প্ৰেম আৰু ভক্তিৰে বাকি দিয়া উচিত (যোহন ১২:৩ পদ)।

ঘ) মৰিয়মে পাত্ৰটো ভাঙি যীচু খ্ৰীষ্টৰ কাৰণে সুগদ্ধি দ্ৰব্য বাকি দিছিল। মৰিয়মৰ দৰে শিষ্যা/শিষ্যসকলেও যীচু খ্ৰীষ্টৰ কাৰণে নিজৰ জীৱন মুক্ত কৰি নিজকে বাকি দিয়া উচিত (মাৰ্ক ১৪:৩ পদ)।

**৫। ফলদায়ক জীৱনৰ কাৰণে মৰিয়মক জনা হৈছিল।**

ক) মৰিয়মৰ বন্ধু-বান্ধৱী সকলে মৰিয়মক লগ ধৰিবলৈ আৰু যীচু খ্ৰীষ্টক লগ পাবলৈ আহিছিল। তেওঁলোকে যেতিয়া যীচু খ্ৰীষ্টই কৰা কৰ্ম দেখিলে, তেওঁলোকে তেওঁত বিশ্বাসী হৈ পৰিছিল। এগৰাকী শিষ্যা প্ৰাণ-জয় কৰোঁতা হয় (যোহন ১১:৪৫ পদ)।

খ) যেতিয়া মৰিয়মে যীচুখ্ৰীষ্টৰ চৰণত সুগন্ধি দ্ৰব্য বা তেল বাকি দিছিল, সেই সুগন্ধিৰে গোটেই ঘৰ ভৰি পৰিছিল (যোহন ১২:৩ পদ)। এগৰাকী শিষ্যা /শিষ্যৰ জীৱন প্ৰণালীয়ে ঈশ্বৰৰ পবিত্ৰ আত্মাৰ মিঠা ফলবোৰ—প্ৰেম, আনন্দ, শান্তি, চিৰসহিষ্ণুতা, দয়া, শিষ্টতা, বিশ্বাস্ততা, নম্ৰতা আৰু আত্ম-সংযম প্ৰকাশ কৰে (গালাতীয়া ৫:২২-২৩ পদ)।

**৬। মৰিয়মৰ প্ৰতি যীচু খ্ৰীষ্টৰ সহাঁৰিৰ কাৰণে তেওঁক জনা গৈছিল।**

ক) মৰিয়মৰ বায়েক মাৰ্থাই যেতিয়া ভনীয়েকক সমালোচনা কৰিছিল, যীচু খ্ৰীষ্টই মৰিয়মক সমৰ্থন কৰিছিল (লূক ১০:৪২ পদ)।

খ) মৰিয়মৰ ভায়েক লাজাৰৰ মৃত্যুত যেতিয়া যীচু খ্ৰীষ্ট বৈথনিয়া পাইছিল, তেওঁ মৰিয়মক বিচাৰিছিল (যোহন ১১:২৮ পদ)।

গ) যেতিয়া যীচুৱে মৰিয়মৰ দুখ দেখিলে, তেওঁৰ সহানুভূতি উপজিল। মৰিয়মৰ লগত তেওঁ ক্ৰন্দন কৰিলে (যোহন ১১:৩৩,৩৫ পদ)।

ঘ) লাজাৰৰ মৃত্যুত যেতিয়া মৰিয়ম আৰু তেওঁৰ পৰিয়ালে ভাঙি পৰিছিল,

তেতিয়া যীচু খ্ৰীষ্টই লাজাৰক পুনৰ জীৱন দান কৰি তেওঁলোকক শান্তনা দিছিল (যোহন ১১:৩৮-৪৪ পদ)।

ঙ) বহুমূলীয়া সুগন্ধি দ্ৰব্য যীচু খ্ৰীষ্টত বাকি দিয়া কাৰণে যেতিয়া মৰিয়মক সমালোচনা কৰা হৈছিল তেতিয়া যীচু খ্ৰীষ্টই তেওঁক সুৰক্ষা কৰিছিল (যোহন ১২:৭-৮ পদ)।

চ) যেতিয়া মৰিয়ম আৰু তেওঁৰ বায়েক মাৰ্থাই তেওঁলোকৰ ঘৰলৈ যীচু খ্ৰীষ্টক আদৰণি জনাইছিল, তেতিয়া তেওঁ তাক আনন্দেৰে গ্ৰহণ কৰিছিল (লূক ১০:৩৮-৩৯ পদ)।

- যীচু খ্ৰীষ্টই আমাৰ উপহাৰবোৰ আদৰেৰ গ্ৰহণ কৰে (যোহন ১২:২ পদ)।
- যীচু খ্ৰীষ্টই আমাৰ পৰিচৰ্য্যাৰ উপহাৰবোৰ গ্ৰহণ কৰে, আৰু তেওঁৰ উপস্থিতি আৰু আৰ্শিববাদেৰে আমাক ধন্যবাদ জ্ঞাপন কৰে (মাৰ্ক ১৪:৮; যোহন ১২:২ পদ)।
- যীচুখ্ৰীষ্টই তেওঁৰ শিষ্যা/শিষ্যাসকলৰ সংগতি বিচাৰে (যোহন ১১:২৮ পদ)।
- যিসকলে যীচু খ্ৰীষ্টক প্ৰেম কৰে তেওঁলোকৰ লগত তেওঁ সহভাগিতা বিচাৰে (লূক ১০:৩৮ পদ)।

**৭। মৰিয়মৰ জীৱনত যীচু খ্ৰীষ্টৰ বিশ্বস্ততাৰ কাৰণে তেওঁক জনা যায়।**

ক) মৰিয়মৰ পৰিচৰ্য্যাৰ কাৰ্য্যক ভুল বুজা হৈছিল আৰু তেওঁক কঠোৰ ভাবে সমালোচনা কৰা হৈছিল। যি ঘটি আছিল আৰু তেওঁ সুৰক্ষা দিছিল (মাৰ্ক ১৪: ৪-৯ পদ)।

খ) মৰিয়াম সম্মানিত হ'ব বুলি কৰা ভবিষ্যতবাণী হ'ল। মৰিয়মৰ কাহিনীক অন্তৰ্ভুক্ত কৰিবলৈ মথি আৰু মাৰ্কক প্ৰেৰিত কৰিছিল। সত্যত পৰিণত হ'ল। মৰিয়মৰ কাহিনী আৰু যীচু খ্ৰীষ্টৰ ভৱিষ্যতবাণীক মথি আৰু মাৰ্কক তেওঁলোকৰ শুভবাৰ্ত্তাত অন্তভুক্ত কৰিবলৈ পবিত্ৰ আত্মাই উদগাইছিল। বাইবেল পাঠ কৰা সকলোৱে জানে মৰিয়মে কি কৰিলে আৰু তেওঁৰ কৰ্ম্মত যীচু খ্ৰীষ্টৰ সমৰ্থনৰ বিষয়ে শিক্ষা লাভ কৰে (মথ ২৬:১৩; মাৰ্ক ১৪:৯ পদ)। আমাৰ কাৰণে যীচু খ্ৰীষ্টৰ উদ্ধাৰ বা আমাৰ কৰ্ম্মৰ কাৰণে পুৰস্কাৰ আমালৈ অতি

সোনকালে নাহিব পাৰে। স্বৰ্গলৈ নোযোৱালৈকে ই স্তগিত হ'ব পাৰে। কিন্তু তেওঁ তেওঁৰ শিষ্যা/শিষ্যাসকলক সহায় কৰি সন্মানিত কৰিব (মথি ১৯:২৯ পদ)

**আলোচনাৰ কাৰণে প্ৰশ্ন**

১। উত্তম শিষ্যা/শিষ্য হোৱা কাৰণে মই পাপৰ কাৰণে অনুতাপ কৰি যীচু খ্ৰীষ্টৰ লগত ব্যক্তিগত সম্বন্ধ ৰখাৰ প্ৰয়োজন কি? যীচু খ্ৰীষ্টৰ লগত বন্ধুৰ দৰে ব্যক্তিগতভাবে খোজ দিয়াৰ দ্বাৰাই মই কি কি শিক্ষা লাভ কৰিব পাৰোঁ?

২। বৈথনিয়াৰ মৰিয়মে তেওঁৰ বিশ্বাসত দৈনিক জীৱন যাপন কৰিছিল। মোৰ জীৱনত এনে কোনো পৰিস্থিতি আছে নে যাক মই দমন কৰা নীতিক এৰি দি সকলো যীচু খ্ৰীষ্টৰ হাতত সমৰ্পন কৰিব পাৰোঁ?

৩। মই কি বিশেষ কাৰ্য্য হাতত ল'ব পাৰোঁ যাৰ দ্বাৰাই মোৰ চাৰিওফালে থকা সকলোৱে দেখিব যে মই যীচু খ্ৰীষ্টৰ শিষ্যা?

**প্ৰাৰ্থনা**

*স্বৰ্গীয় পিতৃ, মৰিয়মে কৰা দৰে স্পৰ্শ কৰি সুগন্ধিৰ গোন্ধ ল'বলৈ, আৰু উপহাৰ দিবলৈ মোৰ প্ৰিয় প্ৰভু যীচু ব্যক্তি হিচাবে ইয়াত নাই। তেওঁৰ শিষ্যা স্বৰূপে উত্তম ৰূপে নিজকে প্ৰৰ্দশিত কৰিবলৈ মোক নম্ৰতা আৰু বিশ্বস্ততা শিকাওক। তেওঁৰ উপস্থিতি যাতে মোৰ জীৱনৰ যোগেদি প্ৰতিফলিত হোৱা আনে দেখিব, মোক এনে ধৰণৰ জীৱন যাপন কৰিবলৈ শিক্ষা দিয়ক। আমেন।*



# টোকা

# ৪ এগৰাকী শিষ্যাৰ জীৱন প্ৰণালী

**মুখ্য পদ : যোহন ১৫:৫ পদ**

“ময়েই প্ৰকৃত দ্ৰাক্ষালতা আৰু তোমালোক ডাল”

**প্ৰস্তাৱনা**

১। প্ৰত্যেকটো গছক তাৰ ফলৰ দ্বাৰাই জনা যায়। যদি যীচু খ্ৰীষ্টৰ এগৰাকী শিষ্যা/শিষ্য প্ৰকৃত দ্ৰাক্ষালতা যীচুৰ ডাল হয় তেতিয়া সেই কথা আমাৰ জীৱন প্ৰণালীৰ দ্বাৰাই প্ৰকাশ পোৱা উচিত।

২। আমি সদায় এই পৃথিবীৰ নীতি-নিয়ম আৰু মূল্যক আয়ত্ব কৰিবলৈ প্ৰলোভিত হঁও। মহিলাসকলে তেওঁলোকৰ কাপোৰ পিন্ধাৰ ষ্টাইল, চুলিৰ ষ্টাইল, জোতা, গহনা আদিক অনুসৰণ কৰি দেখাত তেওঁলোকৰ দৰেই হ’ব বিচাৰে। তেওঁলোকৰ দৰে কথোপকথন কৰিবলৈ আৰু অনুকৰণ কৰিবলৈ প্ৰলোভিত হ’ব পাৰোঁ। কিন্তু যীচু খ্ৰীষ্টৰ শিষ্যা/শিষ্যসকলক ঈশ্বৰে তেওঁক সন্তুষ্ট কৰা জীৱন প্ৰণালী থকাটো আশা কৰে।

৩। খ্ৰীষ্টিয়ান হিচাপে আগবাঢ়ি যাঁওতে আমি ঈশ্বৰক সন্তুষ্ট কৰিছো নে নাই এই কথা প্ৰকাশ পাবলৈ আমি সদায় সময় উলিয়াই নিজকে প্ৰশ্ন কৰাটো এটি উত্তম অনুশীলন। এগৰাকী খ্ৰীষ্টিয়ান শিষ্যাৰ জীৱন প্ৰণালী চাৰিটা মুখ্য বিষয়েৰে বুজিব পৰা যায়।

## I. এগৰাকী শিষ্যা আৰু তেওঁৰ পৰিত্ৰাণ

১। বাইবেলে কৈছে, “....তোমালোকে ভয় আৰু কম্পনেৰে তোমালোকৰ নিজৰ নিজৰ পৰিত্ৰাণ সম্পূৰ্ণ কৰিবলৈ যত্ন কৰা, কাৰণ যিবোৰ বিষয়ে ঈশ্বৰক সন্তোষ দিয়ে, সেইবোৰৰ প্ৰতি তোমালোকৰ ইচ্ছা জন্মাবলৈ আৰু সেইবোৰৰ বাবে কাম কৰিবলৈ, ঈশ্বৰে নিজেই তোমালোকক প্ৰেৰণা

যোগাই তোমালোকৰ অন্তৰত কাম কৰি থাকে” (ফিলিপীয়া ২:১২-১৩ পদ)। **সেই কাৰণে**

ক) **একমাত্ৰ ঈশ্বৰত বিশ্বাস কৰা।** পৰিত্ৰাণৰ কাৰণে আমি একমাত্ৰ ঈশ্বৰত বিশ্বাস কৰা উচিত। পৰিত্ৰাণ পোৱা ক্ষেত্ৰত সুস্থ হোৱা, বাপ্তিস্ম, মানুহৰ কৰ্ম্ম বা মানুহৰ চেষ্টাত বিশ্বাস কৰা অনুচিত (পাঁচনি কৰ্ম্ম ৪:১২; ইফিচীয়া ২:৮-৯ পদ)।

খ) **যীচু খ্ৰীষ্টক আপোনাৰ জীৱনৰ প্ৰভু কৰক।** যীচু খ্ৰীষ্ট প্ৰকৃতপক্ষে আমাৰ জীৱনৰ প্ৰভু হোৱা উচিত। আমি সম্পূৰ্ণভাবে ঈশ্বৰৰ প্ৰতি সৰ্মপিত হোৱা উচিত (লূক ৯:২৩; লূক ১৪:২৬ পদ)।

২। আমি দৈনিক জীৱনযাপন কৰোতে আমাৰ পৰিত্ৰাণ প্ৰকাশিত হোৱা উচিত। **সেই কাৰণে,**

ক) **আপোনাৰ সময় জ্ঞানীৰ দৰে ব্যৱহাৰ কৰক।** যীচু খ্ৰীষ্টৰ প্ৰতি আমাৰ সৰ্মপনে আমি কিদৰে সময়ৰ ব্যৱহাৰ কৰিছোঁ আৰু কিহক প্ৰধান্য দিছোঁ তাৰ দ্বাৰাই প্ৰতিফলিত হোৱা উচিত (ইফিচীয়া ৫:১৫-১৬ পদ)। জাগতিক ভোগ-বিলাসত আমি সময় নিয়াব নালাগে, কিন্তু আমাৰ সময়বোৰ ঈশ্বৰৰ উদ্দেশ্যক পূৰ্ণ কৰাত ব্যৱহাৰ কৰা উচিত (মথি ৬:৩৩ পদ)।

খ) **পবিত্ৰ হওক।** আমি পবিত্ৰ হোৱা কাৰণে ঈশ্বৰে যি মানদণ্ড দিছে (১ম পিতৰ ১:১৫-১৭ পদ)।

- আমি পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱা উচিত যাতে সেই পবিত্ৰ আত্মাই আমাৰ মাজেদি বৈ গৈ আনৰ জীৱন স্পৰ্শ কৰিব পাৰে। (পাঁচনিকৰ্ম্ম ১৩:৫২ পদ)।
- আমি দৈনিক পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হৈ তেওঁৰ নিয়ন্ত্ৰণত থকা উচিত (ইফিচীয়া ৫:১৮ পদ)।
- আমাৰ আচৰণ, চৰিত্ৰ আৰু যিসকলো কৰ্ম্ম কৰোঁ সেই সকলোতে পবিত্ৰ হোৱা উচিত (১ম পিতৰ ১:১৩ পদ)।
- আমি পবিত্ৰ আত্মাত চলি যোৱা উচিত যাতে আমি মাংসিক অভিলাষবোৰ পূৰ্ণ নকৰিম।

গ) **যীচু খ্রীষ্টৰ দৰে আমাৰ একে মনোভাৱ হওক।** আমাৰ মনোভাব যীচুখ্ৰীষ্টৰ দৰে একে হোৱা উচিত (ফিলিপীয়া ২:৫ পদ)।

- নিৰ্ম্মল চিন্তাৰে আমি তেওঁক সন্তোষ্ট কৰা উচিত (ফিলিপীয়া ৪:৮-৯ পদ)।
- আমি পাপক ঘৃণা কৰা উচিত (গীতমালা ১১৯:১০৪ পদ)।
- ঈশ্বৰ বা আন কোনো ব্যক্তিৰ প্ৰতি আমি ইচ্ছাকৃতভাবে ভুল কৰা নাই এনে পৰিস্কাৰ বিবেকেৰে আমি জীৱন ধাৰণ কৰা উচিত (পাঁচনি কৰ্ম্ম ২৪:১৬ পদ)।
- কষ্টৰ সময়তো আমাৰ ধৈৰ্য্য আৰু আনন্দ থকা উচিত (যাকোব ১:২-৩, ১২ পদ)।

## II.শিষ্যাগৰাকী আৰু তেওঁৰ প্ৰভু

১। ঈশ্বৰৰ লগত ওচৰ সম্বন্ধ থকা কাৰণে, আমি প্ৰাৰ্থনাত সময় কটোৱা উচিত **সেই কাৰণে**

ক) **এগৰাকী প্ৰাৰ্থনাশীল মহিলা হওক।** শিষ্যাসকলে উৎসুকতাপূৰ্ণ প্ৰাৰ্থনাৰে দৈনিক ঈশ্বৰৰ লগত সহজগিতা কৰা উচিত (যাকোব ৫:১৬ পদ)।

খ) **নিৰন্তৰে প্ৰাৰ্থনা কৰিবা।** আমাৰ অন্তৰখন প্ৰতিটো মুহূৰ্ত্ততে ঈশ্বৰৰ লগত সংযোগত থকা উচিত (১ম থিচলনীকীয়া ৫:১৭ পদ)।

গ) **নিৰ্ম্মল অন্তৰেৰে প্ৰাৰ্থনা কৰিবা।** আমাৰ প্ৰাৰ্থনা সৎ হোৱা উচিত (মথি ৬:৫-৭ পদ)।

ঘ) **উদ্দেশ্যেৰে প্ৰাৰ্থনা কৰিবা।** আমি সকলোৰে কাৰণে বিশেষকৈ সকলোৰে পৰিত্ৰাণৰ কাৰণে প্ৰাৰ্থনা কৰা উচিত (১ম তীমথি ২:১-৪ পদ)।

২। শিষ্যা/শিষ্যসকলে ঈশ্বৰৰ বাক্য বাইবেলত গভীৰভাবে নিমগ্ন হৈ ঈশ্বৰৰ লগত সহভাগিতাৰে সময় অতিবাহিত কৰা উচিত।

ক) **ঈশ্বৰৰ বাক্য পঢ়ক।** (প্ৰকাশিত বাক্য ১:৩ পদ)। আমি জীয়াই থকা কাৰণে ঈশ্বৰৰ বাক্য আমাৰ কাৰণে অহাৰ (লূক ৪:৪ পদ)।

খ) **ঈশ্বৰৰ বাক্য অধ্যয়ন কৰক।** (২য় তীমথি ২:১৫ পদ)। ই আনক

ঈশ্বৰৰ বাক্য শিকোৱাত আমাক সহায় কৰিব (২য় তীমথি ২:২ পদ)।

গ) **ঈশ্বৰৰ বাক্যত ধ্যান কৰক।** (গীতমালা ১:২ পদ)। আমি তেওঁৰ বাক্য পঢ়িলে আৰু ধ্যান কৰাত সময় অতিবাহিত কৰিলে ঈশ্বৰে আমাৰ বিশ্বাস বঢ়াই দিয়ে (ৰোমীয়া ১০:১৭ পদ)।

ঘ) **ঈশ্বৰৰ বাক্য মুখস্থ কৰক।** (গীতমালা ১১৯:১১ পদ)। আমাৰ হৃদয়ত ঈশ্বৰৰ বাক্য লুকাই ৰখাই আমাক পাপৰ পৰা ধৰি ৰাখে।

ঙ) **ঈশ্বৰৰ বাক্য উল্লেখ কৰক।** (মথি ৪:১-১১ পদ)। ঈশ্বৰৰ বাক্য উল্লেখ কৰি আমি যীচু খ্ৰীষ্টৰ আদৰ্শক অনুসৰণ কৰা উচিত (যেতিয়া যীচু খ্ৰীষ্টই কৈছিল "লিখা আছে") আৰু দৃঢ়তাৰে এই কথাক প্ৰতিপন্ন কৰা উচিত যে ইয়াৰ শক্তি আৰু ক্ষমতাত আমি বিশ্বাস কৰোঁ, বিশেষকৈ যেতিয়া আমি পৰীক্ষিত হওঁ বা প্ৰলোভনৰ সম্মুখীন হওঁ।

চ) **ঈশ্বৰৰ বাক্যৰ বাধ্য হওক।** (যাকোব ১:২২ পদ)। গোটেই শাস্ত্ৰ ঈশ্বৰ-নিশ্বাসিত, আৰু ইয়াৰ ৰচয়িতাৰ দৰে শুদ্ধ, আৰু লাভজনক আৰু ইয়াক বিশ্বাস কৰি বাধ্য হোৱা সকলক শুদ্ধ কৰে (২য় তীমথি ৩:১৬ পদ)।

## III. শিষ্যা/শিষ্য আৰু আনসকল

১। শিষ্যা/শিষ্যসকলে সকলোৰে কাৰণে ঈশ্বৰৰ প্ৰেম প্ৰদৰ্শিত কৰা উচিত (মাৰ্ক ১২:২৯-৩১ পদ)। **সেই কাৰণে**

**ক) বিশ্বাসীসকলৰ প্ৰতি আপোনাৰ প্ৰেম প্ৰদৰ্শিত কৰক।** যীচু খ্ৰীষ্টই আপোনাক প্ৰেম কৰা দৰে পৰস্পৰে পৰস্পৰক প্ৰেম কৰক। ইয়াৰ যোগেদি আনসকলে জানিব যে আপুনি এগৰাকী প্ৰকৃত শিষ্যা/শিষ্য। (যোহন ১৩:৩৪-৩৫ পদ)।

**খ) আপোনাৰ চুবুৰীয়াৰ প্ৰতি প্ৰেম প্ৰদৰ্শন কৰক।** আমাৰ চুবুৰীয়াৰ প্ৰতি যেতিয়া দয়ালু হওঁ, তেতিয়া ই তেওঁলোকক প্ৰেৰিত কৰি গঢ়ি তুলিব, তেওঁলোকে লক্ষ্য কৰিব যে, আমি এই জগতৰ আন লোকৰ দৰে নহয় (ৰোমীয়া ১৫:২ পদ)।

**গ) অচিনাকি সকলৰ প্ৰতি প্ৰেম প্ৰদৰ্শন কৰক।** আনকি অচিনাকি সকলৰ

প্ৰতিওঁ খ্ৰীষ্টিয়ানসকলে প্ৰেম প্ৰদৰ্শিত কৰা উচিত, কিয়নো আমি নিজেওঁ যীচু খ্ৰীষ্টৰ দ্বাৰাই গ্ৰহণ হোৱা দ্বাৰাই তেওঁৰ উপচি পৰা প্ৰেমৰ অংশ ভগাই লৈছোঁ। (২য় বিবৰণ ১০:১৯ পদ)।

**ঘ) আনকি আপোনাৰ শত্ৰুৰ প্ৰতিও ঈশ্বৰৰ প্ৰেম প্ৰৰ্দশিত কৰিব।** খ্ৰীষ্টিয়ানসকলে তেওঁলোকক তাড়না কৰা সকলকো প্ৰেম কৰি ক্ষমা কৰা উচিত (লূক ৬:২৭-৩১,মথি ৫:৪৪, ৰোমীয়া ১২:১৯-২১পদ)

২। শিষ্যা/শিষ্যসকলে আন বিশ্বাসীসকলৰ লগত সহভাগিতা কৰা উচিত (ইব্ৰী ১০:২৫ পদ)। **সেই কাৰণে**

**ক) উপাসনাত যোগদান কৰিবলৈ হেপাঁহ কৰক।** বাইবেলে আমাক একলগ হ'বলৈ নেৰিবলৈ কৈছে (ইব্ৰ ১০:২৪-২৫ পদ)।

**খ) আপুনি শিক্ষা দিয়া দলত বিশ্বাসীৰূপে উপস্থিত থাকক।** "ৰিন"ৰ এটা ভাগ হৈছে উপদেশ বা শিক্ষা দিয়া উদ্দেশ্যে আন মহিলাসকলৰ লগত সম্বন্ধ স্থাপন কৰা (তীত ২:৩-৫ পদ)।

**গ) অতিথি পৰায়ণৰ অনুশীলন কৰক,** সহভাগিতাৰ কাৰণে আন খ্ৰীষ্টিয়ান সকলক আপোনাৰ ঘৰলৈ নিমন্ত্ৰণ কৰক (১ম পিতৰ ৪:৮-৯ পদ)।

৩। শিষ্যা/শিষ্যাসকলে তেওঁলোকৰ সম্বন্ধত যীচু খ্ৰীষ্টৰ দৰে মনোভাব প্ৰদৰ্শন কৰা প্ৰয়োজন। **সেই কাৰণে**

**ক) আনৰ লগত সহজে জীৱন যাপন কৰা ব্যক্তি হওক।** আমি সুখী, আনন্দিত, ব্যক্তি হোৱা উচিত (ফিলিপীয়া ৪:৪-৫ পদ) ই আমাৰ ঘৰখনলৈ শান্তি আৰু আনন্দ অনা উচিত কিয়নো আমাৰ পৰিয়ালে আমাৰ লগত সহজে জীৱন-যাপন কৰিব পাৰিব (ইফিচীয়া ৪:৩১-৩২ পদ)।

**খ) ক্ষমাশীল হৃদয়ৰ ব্যক্তিহওক।** আমাৰ প্ৰতি ভুল কৰা ব্যক্তিসকল আমি সহজে ক্ষমা কৰিব লাগিব (লূক ১৭:৩-৪ মথি ৬:১৪-১৫ পদ)।

**গ) যিকোনো বিষয়তে তিতাভাব ৰখাৰ পৰা আঁতৰি থাকিব।** তিতাভাব হৈছে আমাৰ প্ৰতি কৰা যিকোনো ভুলৰ ওপৰত ধ্যান কৰি থকা (যাকোব ৩:১৪-১৮; ইব্ৰী ১২:১৫ পদ)।

**ঘ) দাসী/দাসৰ মনোভাব ৰাখক।** আনৰ প্ৰতি পৰিচৰ্য্যা কৰা ক্ষেত্ৰত যীচুখ্ৰীষ্টৰ প্ৰেম প্ৰদৰ্শিত হোৱা উচিত, সেয়ে আমি যীচুখ্ৰীষ্টৰ দৰে নম্ৰ দাসী/দাস হোৱা উচিত (মথি ২০:২৬-২৮; ফিলিপীয়া ২:৫-৮ পদ)।

## IV. শিষ্যা/শিষ্য গৰাকী আৰু শিষ্যা/শিষ্য গঢ়োতা

১। শিষ্যা/শিষ্য সকলে শুভবাৰ্ত্তাক আনৰ লগত দৈনিক ভগাই লোৱা উচিত আৰু তেওঁলোকক পৰিত্ৰাণ গ্ৰহণ কৰা সুবিধা দিয়া প্ৰয়োজন। **সেই কাৰণে**

**ক) সাক্ষ্য দিয়া খ্ৰীষ্টিয়ান হওক।** আমাৰ পৰিত্ৰাণৰ সাক্ষ্য আনৰ লগত ভগাই লোৱা আৰু আমাৰ পবিত্ৰ জীৱনৰ দ্বাৰাই দৃঢ় হোৱা উচিত (মথি ৫:১৬ পদ)।

**খ) আপোনাৰ বিশ্বাসক আনৰ লগত ভগাই লোৱাৰ সুবিধা বিচাৰক।** আপুনি যতেই নাথাকক বা যিয়েই নকৰক কিয়, আপুনি সকলো সময়তে আনৰ লগত আপোনাৰ বিশ্বাসক ভগাই লোৱাৰ সুবিধা বিচৰা উচিত।

২। শিষ্যা/শিষ্যসকলে সকলো সময়ে ফলোদায়ক হৈ, আনক শিষ্যা/শিষ্য কৰা প্ৰয়োজন। **সেই কাৰণে**

**ক) জয় কৰোঁতা শিষ্যা/শিষ্য গঢ়োতা হওঁক।** আমাৰ জীৱন এনে হোৱা উচিত যাতে আনে আমাৰ আদৰ্শক অনুসৰণ কৰে (১ম কৰিন্থীয়া ১১:১ পদ)।

**খ) শিষ্যা/শিষ্য গঢ়িবলৈ যীচু খ্ৰীষ্টৰ আজ্ঞাৰ বাধ্য হওক।** আমাৰ আটাইতকৈ মহান আহ্বান হৈছে সেই মহা আজ্ঞাক পৰিপূৰ্ণ কৰা (মথি ২৮:১৮-২০ পদ)।

৩। উত্তম শিষ্যা/শিষ্য গঢ়োতাৰ ক্ষেত্ৰত আমি শিক্ষা গ্ৰহণ কৰোঁতে হোৱা উচিত, নিৰ্দ্দেশ আৰু শুদ্ধৰনি গ্ৰহণ কৰোঁতা হোৱা প্ৰয়োজন (হিতো পদেশ ১৮:১৫ পদ)। **সেই কাৰণে**

**ক) শিক্ষা গ্ৰহণ কৰোঁতা হওক।** শুদ্ধৰনি আৰু শিক্ষা দিয়াই যীচু খ্ৰীষ্টৰ শৰীৰক শক্তিশালী কৰে, আৰু ঐশ্বৰিক ধমকি আনন্দেৰে গ্ৰহণযোগ্য (গীতমালা ১৪১:৫ পদ)।

**খ) আনক শুদ্ধৰাওতে মৰামীয়াল হওক।** শুদ্ধৰণি কঠোৰ হোৱা অনুচিত, কিন্তু মৰমীয়াল আৰু উপদেশমূলক হোৱা উচিত (গালাতীয়া ৬:১ পদ)।

**গ) শুদ্ধৰণি গ্ৰহণ কৰোঁতে নম্ৰ হওক।** যদি শুদ্ধৰণি খঙৰ ভাব জগাই তোলে, তেতিয়া শিষ্যা/শিষ্য গৰাকীয়ে গৰ্ব্ব বা অহংকাৰৰ পাপৰ কাৰণে নিজৰ হৃদয়খনক পৰীক্ষা কৰা উচিত (হিতোপদেশ ৮:১৩ পদ)।

৪। সুগভীৰ খ্ৰীষ্টিয়ান জীৱনৰ বৃদ্ধি আৰু বিকাশৰ কাৰণে উত্তম শিষ্যা/শিষ্যসকলৰ পৰস্পৰৰ মাজত প্ৰেমৰ বন্ধনেৰে বন্ধা হোৱা হয়। **সেই কাৰণে**

**ক) বৃদ্ধি পাওক।** খ্ৰীষ্টিয়ানসকলক গাখীৰ পান কৰা কেচুৱা অৱস্থা এৰি, পৈনত অৱস্থালৈ আগবাঢ়ি যাবলৈ আহ্বান কৰা হৈছে (ইব্ৰী ৫:১২-১৪ পদ)।

**খ) বৃদ্ধি পাবলৈ আপোনাৰ স্বভাৰ চৰিত্ৰক অনুশাসন কৰক।** এনে বৃদ্ধি আহে যেতিয়া শিষ্যা/শিষ্যসকলে অধ্যয়ন কৰাত, শিক্ষা দিয়াত আৰু সহভাগিতাত নিজকে উৰ্ছ্গিত কৰে (পাঁচনিকৰ্ম্ম ২:৪২ পদ)।

**গ) শিক্ষা দিয়া দলটোত সক্ৰিয় হওক।** প্ৰতিগৰাকী শিষ্যা/শিষ্যৰ উপযুক্ত বৃদ্ধিৰ কাৰণে দৈনিক শিক্ষাৰ প্ৰয়োজন (১ম পিতৰ ৫:১-৫ পদ)। এটি সৰু দলত প্ৰাৰ্থনা, বাইবেল অধ্যয়ন, পৰিচৰ্য্যা, আনৰ আগত প্ৰচাৰ বা মিচন কাৰ্য্যৰ কাৰণে এক লগ হোৱা ক্ষেত্ৰত এগৰাকী খ্ৰীষ্টিয়ানক উত্তৰ দিয়াত সহায় কৰিব।

**ঘ) শিষ্যাত্বৰ প্ৰতি যি কৰ্ম্ম তাৰ প্ৰতি আপোনাৰ জীৱন সৰ্মপিত কৰক।** যীচু খ্ৰীষ্টই প্ৰাৰ্থনা কৰিছিল যে মণ্ডলী তেওঁৰ লগত আৰু পিতৃৰ লগত এক হৈ থাকিব। সৰ্মপিত শিষ্যাত্বৰ যোগেদি আৰু একেলগে কাম কৰা দ্বাৰাই পৈনতাত যীচুখ্ৰীষ্টত এক হৈ বৃদ্ধি পাঁও (যোহন ১৭:২১ পদ)।

**সামৰণি**

বাইবেলে আমাক কয় যে মানুহে বাহ্যিকভাবে দেখিবলৈ পোৱা বস্তুলৈ লক্ষ্য

কৰে, কিন্তু ঈশ্বৰে হৃদয়লৈ দৃষ্টি কৰে (১ম চমূৱেল ১৬:৭ পদ)। যি জনাই আমাৰ প্ৰকৃতৰূপ দেখা পায়। আমি ওখ বা চাপৰ হওঁ, ক'লা বা বগা হওঁ, দেখাত সুন্দৰ বা সাধাৰণ হওঁ সেয় ঈশ্বৰৰ কাৰণে একো নহয়। কিন্তু ঈশ্বৰৰ কাৰণে আমাৰ হৃদয়ৰ অৱস্থাটোহে অতি প্ৰয়োজন। এই অৱস্থাটো আমাৰ আগত প্ৰকাশিত হয় যেতিয়া আমি প্ৰাৰ্থনাৰে আমাৰ হৃদয় পৰীক্ষা কৰোঁ, আৰু ঈশ্বৰে আমাক কি ৰূপত দেখে আৰু আমি তেওঁক সন্তোষ্ট কৰিছোঁ নে নাই সেই কথা আমাৰ আগত প্ৰকাশ কৰিবলৈ অনুৰুধ কৰোঁ।

**প্ৰাৰ্থনা**

*হে প্ৰভু ঈশ্বৰ, মই যেতিয়া প্ৰাৰ্থনাৰ দ্বাৰাই বিবেচনা কৰোঁ যে আপোনাৰ বাক্য আৰু আপোনাৰ পবিত্ৰ আত্মাৰ বাধ্য হৈছো নে নাই, মই অনুৰুধ কৰোঁ, মই যি যি অংশত বৃদ্ধি পোৱা প্ৰয়োজন, সেই অংশবোৰ মোৰ আগত প্ৰকাশ কৰক। মোৰ পাপবোৰ মোৰ আগত প্ৰকাশ কৰক। মই অনুতাপ কৰোঁতে মোক শুনক, আৰু সকলো অধাৰ্ম্মিকতাৰ পৰা মোক শুচি কৰক। আমেন।*

# আত্মিক তালিকা

অকলশৰে এক শান্তিময় ঠাই বিচাৰি লওক, বাইবেলখন মেলি তলত দিয়া অংশসমূহ পঢ়ি তাৰ লগত থকা প্ৰশ্নবোৰ পঢ়ি কাষত থকা বাকচত হয় বা নহয় বুলি উত্তৰ দিয়ক।

☐ হয় ☐ নহয় ১।মোৰ পৰিত্ৰাণৰ কাৰণে মই একমাত্ৰ যীচুখ্ৰীষ্টতে বিশ্বাস কৰিছোঁ নে? (যোহন ৩:১৬; ইফিচীয়া ২:৮-৯ পদ)

☐ হয় ☐ নহয় ২। যীচুখ্ৰীষ্ট মোৰ প্ৰভু নে? (লূক ৯:২৩; লূক ১৪:২৬ পদ)

☐ হয় ☐ নহয় ৩। মোৰ অগ্ৰাধিকাৰবোৰে ঈশ্বৰক সন্তোষ্ট কৰে নে? (মথি ৬:৩৩ পদ)

☐ হয় ☐ নহয় ৪। মই পবিত্ৰ আত্মাৰ দ্বাৰাই নিয়ন্ত্ৰিত হৈ খোজ দিওঁ নে? (গালতীয়া ৫:১৬:২৬, ইফিচীয়া ৫:১৮ পদ)

☐ হয় ☐ নহয় ৫। মোৰ চিন্তা জীৱনেৰে ঈশ্বৰ সুখী নে? (ফিলিপীয়া ৪:৮-৯ পদ)

☐ হয় ☐ নহয় ৬। মই পাপক সচাই ঘৃণা কৰোঁ নে? (গীতমালা ১১৯:১০৪ পদ)

☐ হয় ☐ নহয় ৭। মোৰ এক পৰিস্কাৰ বিবেক আছে নে? (পাঁচনিকৰ্ম্ম ২৪:১৬ পদ)

☐ হয় ☐ নহয় ৮। বিপদবোৰক মই ধৈৰ্য্য আৰু আনন্দৰ মনোভাবেৰে সহ্য কৰোঁ নে? (যাকোব ১:১২ পদ)

☐ হয় ☐ নহয় ৯। মোৰ প্ৰাৰ্থনা জীৱনেৰে ঈশ্বৰ সুখী নে?
(ফিলিপীয়া ৪:৬; ১ম তীমথি ২:১-৪ পদ)

☐ হয় ☐ নহয় ১০। মই ঈশ্বৰৰ বাক্যক মুখস্থ কৰি, অধ্যয়ন কৰি,
বাধ্য হৈছোঁ নে? (২য় তীমথি ২:২, ২:১৫, ৩:১৬ পদ)

☐ হয় ☐ নহয় ১১। যীচু খ্ৰীষ্টই মোক প্ৰেম কৰা দৰে মই ঈশ্বৰ আৰু মোৰ
চুবুৰীয়াক প্ৰেম কৰোঁ নে? (লূক ১০:২৭ যোহন ১৩:২৫ পদ)

☐ হয় ☐ নহয় ১২। বিশ্বাসী খ্ৰীষ্টিয়ানসকলৰ গোটৰ লগত মোৰ নিয়মিত
সহভাগিতা আছে নে? (ইব্ৰী ১০:২৫ পদ)

☐ হয় ☐ নহয় ১৩। মোৰ লগত সহজে নিবাস কৰিব পৰা,
মই সুখী ব্যক্তি নে? (ইফিচীয়া ৪:৩১-৩২ পদ)

☐ হয় ☐ নহয় ১৪। মই ক্ষমাশীল হৃদয়ৰ অধিকাৰী নে, সহজে
গ্ৰহণ কৰা আৰু ক্ষমা কৰা? (মথি ৬:১৫-১৬ পদ)

☐ হয় ☐ নহয় ১৫। কোনো বিষয়ত মোৰ তিতা ভাব আছে নে?
(ইব্ৰী ১২:১৫ পদ)

☐ হয় ☐ নহয় ১৬। মোৰ দাসী/দাসৰ মনোভাব আছে নে?
(মথি ২০:২৮ পদ)

☐ হয় ☐ নহয় ১৭। মোৰ জীৱনত মই যীচু খ্ৰীষ্টৰ সাক্ষী,
সাক্ষ্য দিছোঁ নে? (পাচনিকৰ্ম্ম ১:৮ পদ)

☐ হয় ☐ নহয় ১৮। মই শিষ্যা/শিষ্য গঢ়িছো নে?
(মথি ২৮:১৮-২০ পদ)

☐ হয় ☐ নহয় ১৯। মই শিক্ষা গ্ৰহণকাৰী নে?
(হিতোপদেশ ১৮:১৫ পদ)

☐ হয় ☐ নহয় ২০। নিয়মিতভাবে মই কাৰোবাৰ দ্বাৰাই শিষ্যাত্বৰ কাৰণে

এই প্ৰশ্ন আৰু উত্তৰৰ তালিকাখন বৰ বেছি লাভদয়াক নহ'ব যদি আপুনি সৎভাৱে ঈশ্বৰৰ বাক্যৰ পোহৰত ইয়াৰ উত্তৰ দিয়া নাই। আপোনাৰ সমৰ্পণৰ ক্ষেত্ৰত শাস্ত্ৰৰ এই অংশ আৰু প্ৰশ্নবোৰে যদি আপোনাৰ দুৰ্ব্বলতা, বা পাপৰ বিষয়ে আঙুলিয়াই তেতিয়া যি যি ক্ষেত্ৰত উন্নতিৰ প্ৰয়োজন এখিলা কাগজত লিখক আৰু আন এখিলা কাগজত যত পাপৰ কাৰণে অনুতাপ, পাপ স্বীকাৰ আৰু ক্ষমাৰ প্ৰয়োজন সেইবোৰ লিখক। প্ৰাৰ্থনাত সময় অতিবাহিত কৰা পিছত, পাপবোৰ স্বীকাৰ কৰক, সেইবোৰৰ কাৰণে অনুতাপ কৰক, আৰু আপোনাৰ জীৱন পুনৰ যীচু খ্ৰীষ্টত সৰ্মাপিত কৰকঙ্গ তাৰ পিছত কাগজখিলাৰ ওপৰত ১ম যোহন ১:৯ পদৰ বাক্যখিনি লিখক, তেওঁৰ ক্ষমাৰ দাবী কৰক আৰু এই এই পাপবোৰৰ ওপৰত আপোনাৰ জয়যুক্ত লাভ কৰক। অৱশেষত কাগজখিলা ফালি দি ইয়াকে চিহ্নিত কৰিবলৈ যে আপুনি ঈশ্বৰৰ পৰা ক্ষমা লাভ কৰিলে। যি যি ক্ষেত্ৰত বিশেষ পৰিবৰ্ত্তনৰ প্ৰয়োজন এনে ক্ষেত্ৰত ঈশ্বৰৰ ওচৰত জ্ঞানৰ কাৰণে (যাকোব ১:৫ পদ) নিবেদন কৰক যাতে এই পদক্ষেপবোৰ আপুনি সাহেৰে আৰু নিৰ্ভীকভাৱে ল'ব পাৰে। তাৰ পাছত আপোনাৰ তালৈ অহা প্ৰত্যেকটো সুযোগ আৰু সুবিধা গ্ৰহণ কৰি আপোনাৰ ওচৰত থকা সকলোৰে আগত প্ৰচাৰ কৰি তেওঁলোকক শিষ্যা/শিষ্য কৰিব।

## টোকা

# ৫ যীচুখ্ৰীষ্টত

## পবিত্ৰ জীৱন-যাপনত এক বস্তুবিষয়ক পাঠ

**মুখ্য পদ : ২য় কৰিন্থীয়া ৫:১৭ পদ**

"এতেকে কোনো এজন যদি **খ্ৰীষ্টৰ সৈতে** সংযুক্ত হ'ল, তেন্তে তেওঁ নতুন সৃষ্টি, পুৰণিবোৰ লুপ্ত হ'ল।"

**শাস্ত্ৰৰ অংশসমূহ :** কলচীয়া ২:৯-১২; ৰোমীয়া ৮:১-১১ পদ।

**প্ৰয়োজনীয় সামগ্ৰী :** ১ ডাঙৰ গ্লাচৰ পাত্ৰ, ১ সৰু গিলাচ, কেইটামান শিলগুটি (ডাঙৰ, সৰু আৰু ধুনীয়া, গিলাচত দিব পৰা), অকনমান বালি আৰু ধূলি।

**পদ্ধতি :** গিলাচটো ডুব যোৱাকৈ ডাঙৰ পাত্ৰত পানী ভৰাব।

> ভৰোৱা প্ৰয়োজন ঃ খ্ৰীষ্টৰ অবিহনৈ পবিত্ৰ জীৱন যাপন কৰিবলৈ চেষ্টা কৰাত ব্যৰ্থতা। (ইফিচীয়া ৫:১৮)

১। পবিত্ৰ আত্মাৰে পূৰ্ণ হোৱা বিষয়ে মই শুনিছিলো আৰু পঢ়িছিলো আৰু তাৰ কাৰণে মোৰ হেঁপাহ হৈছিল। মোৰ ৰাতিপূৱাৰ উপাসনা কৰিছিলোঁ। **(পানীৰে পূৰ কৰিবলৈ দিলাচটো ডুবাই দিয়ক।),** কিন্তু দুপৰীয়ালৈ আত্মাৰে "আধা পূৰ্ণ" যেন লাগিছিল। **(পানী পৰি যোৱাকৈ গিলাচটো লৰাই দিয়ক।)** অসুবিধা আৰু প্ৰলোভন অহা লগে লগে মই বেছিকৈ খালী হৈ গ'লো। **(গিলাচৰ পৰা পানী পেলাই থাকিব।)**

২। ইফিচীয়া ১ অধ্যায়ত মই **যীচু খ্ৰীষ্টত থকা** বিষয়ে পঢ়িবলৈ পাইছোঁ। **(গিলাচটো ডাঙৰ পাত্ৰত ডুবি যোৱাকৈ সোমাই দিয়ক)।** এতিয়া গিলাচটো পানীৰে পূৰ্ণ হ'ব আৰু গিলাচটো পানীত আছে। **(কোনোৱা এজনক মাতক আৰু পানীখিনি স্পৰ্শ নকৰাকৈ**

**গিলাচটো স্পৰ্শ কৰিবলৈ দিয়ক)** আমি যেতিয়া যীচু খ্ৰীষ্টত থাকো, চয়তানে আমাক স্পৰ্শ কৰিব নোৱাৰে। **(ব্যাক্তিজনক গিলাচটো পানীৰ তলতে ৰাখি, তুলি ওলোটাই দিবলৈ কওক।)** গিলাচটো খালী হয় নে? **(পানীৰ তলতে গিলাচটো জোকাৰিবলৈ কওক।)** আগতে, যেতিয়া গিলাচটো পানীৰ বাহিৰত আছিল আৰু আমি গিলাচটো জোকাৰি দিছিলো তেতিয়া ই খালী হৈ গৈছিল, কিন্তু এতিয়া ই পূৰ্ণ হৈ থাকে।

যীচু খ্ৰীষ্টত পূৰ্ণতা, নিৰাপত্তা : যীচু খ্ৰীষ্টৰ জীৱনৰ চৰিত্ৰ (গালাতীয়া ২:২০ পদ)

৩। **(গিলাচটো ডাঙৰ শিলগুটিৰে পূৰ কৰক [ধৰ্ম্মান্তৰৰ আগৰ, পৰিলক্ষীত পাপবোৰ দেখুৱাবলৈ] গিলাচটো পানীৰ পৰা তুলি আনোতে, ৰোমীয়া ৫:৬-৮ পদ চাওক।)**

সোধক : গিলাচটো পূৰ্ণ নে? হয়, পানীৰে পূৰ্ণ নে? নহয়, কিয়নো শিলগুটিবোৰে পানীৰ ঠাই অধিকাৰ কৰিছে। কিছুমান মানুহে পাপ থকা ঠাইতে জীৱন যাপন কৰে (শিলগুটি) মিহৰ কাৰণে তেওঁলোকে পবিত্ৰ আত্মাৰে পূৰ্ণ হ'ব নোৱাৰে। **(গিলাচত কেইটামান সৰু সৰু শিলগুটি ভৰাই দিয়ক)** কোনো কোনো পাপ সৰু, আনে নেদেখা, নজনা লুকাই থকা পাপ (১ম যোহন ১:৮,১০; লূক ১১:২৪-২৬ পদ)। **(কেইটামান ধুনীয়া, গ্লাচৰ মাৰ্বল ভৰাই দিয়ক।)** কোনো কোনো পাপ 'সুন্দৰ বা ধুনীয়া পাপ', যিবোৰ স্বভাৱ মই ভাল পাওঁ আৰু উপভোগ কৰোঁ আৰু এৰি দিবলৈ বেয়া পাঁও (১ম কৰিন্থীয়া ৯:১২ পদ)। কোনো কোনো পাপ "বাধা দিয়া পাপ"। এইবোৰ ভাল বস্তু হ'ব পাৰে, যেনে টকা পইচা, সময় বা উপভোগ কৰা। কিন্তু সেইবোৰক যদি আমি অতিৰিক্তভাবে ভাল পাঁও আৰু সেইবোৰৰ অপব্যৱহাৰ কৰোঁ, সেইবোৰে আমাৰ বাধা স্বৰূপ হৈ পৰে (ইব্ৰী ১২:১-২ পদ)।

পাপে পবিত্ৰ আত্মাক অপসাৰিত কৰে, গিলাচটো পৰিপূৰ্ণ হৈছে, কিন্তু মাত্ৰ পানীৰে পূৰ্ণ নহয়। (ইব্ৰী ১২:১ পদ)

আপোনাৰ হৃদয়ত কি থাকে যি পবিত্ৰ আত্মাৰ দ্বাৰাই সম্পন্ন হয়? আপুনি কিহেৰে পৰিপূৰ্ণ, পাপ (শিলগুটি) বা যীচুখ্ৰীষ্ট? পানী গিলাচ পূৰ্ণ হ'ব পাৰে, কিন্তু তথাপিও শিলগুটিৰ কাৰণে পানীৰে আধাহে পূৰ্ণ হ'ব পাৰে।

৪। **(শিলগুটিবোৰ আঁতৰাই দিয়ক আৰু গিলাচটো পুনৰ পানীৰে পূৰ কৰক। অকনমান লেতেৰা বস্তু তাত পেলাই দিয়ক। কাৰোবাক সেই পানী পাণ কৰিবলৈ দিয়ক।)** যদিও লেতেৰা বা পাপ অকণমান ই গোটেই খিনিকে প্ৰদূষিত কৰে। আমাৰ স্বৰ্গীয় পিতৃ শুদ্ধ হোৱা দৰে ঈশ্বৰে আমাকো শুদ্ধ হ'বলৈ দিছে (মথি ৫:৪৮ পদ)।

যাকোব ২:১০ পদ ১ম যোহন ১:৯ পদ

৫। **(গিলাচটো পানীৰ ভিতৰতে ৰাখক আৰু তাৰে পৰা অলপমান পানী পেলাবলৈ চেষ্টা কৰক।)** মই গিলাচটো পানীৰ ভিতৰতে ৰাখি যদি অলপমান পানী পেলাবলৈ চেষ্টা কৰো, তেতিয়া কি ওলাই আহে? নিশ্চয়ে পানী। যদি কোনোৱাই আপোনাক খং তোলাই, তেতিয়া আপোনাৰ মুখৰ পৰা কি ওলাই আহে, গালি-শপনি নে আশিৰ্ব্বাদ? যীচু খ্ৰীষ্টৰ পৰা সেয়ে আশিৰ্ব্বাদ। "হে পিতৃ এওঁলোকক ক্ষমা কৰক।" অশান্তি পোৱা মোৰ পৰিয়ালৰ প্ৰতি, প্ৰতিটো বিষয়তে দাবী কৰা মোৰ সন্তান সকলৰ প্ৰতি, তৰ্ক কৰা দোকানীজনৰ প্ৰতি, বুজি নোপোৱা ড্ৰাইভাৰ প্ৰতি মোৰ উত্তৰ এইদৰে হয় নে? যদি মোৰ হৃদয়ত পাপ আছে তেতিয়া টেঙা চিৰিকাৰ দৰে তিতা সোৱাদ যুক্ত ভাষা ওলাই আহিব। যদি মই যীচু খ্ৰীষ্টৰে পৰিপূৰ্ণ, তেতিয়া মিঠা মৌৰ দৰে যীচু খ্ৰীষ্টহে ওলাই আহিবঙ্গ

যি ভিতৰত আছে সি বাহিৰলৈ ওলাই আহে। যাকোব ৩:৯-১২ পদ

আমাক যেতিয়া ঠেলি দিয়া হয়, তেতিয়া আনে আশিৰ্ব্বাদ লাভ কৰিব আদিপুস্তক ১২:১-৩ পদ কলচীয়া ১:২৭ পদ ৰোমীয়া ১২:১-২, পদ

৬। **(পৰিপূৰ্ণ গিলাচটো কাৰোবাৰ কাষলৈ লৈ যাঁওক আৰু গিলাচত লাহেকৈ টুকুৰিয়াই দিবলৈ কওক। নিশ্চিত কৰিব যেন অলপমান পানী তেওঁলোকৰ**

**ওপৰত পৰে।)** সম্বন্ধৰ সংযোগৰ সকলো পৰিস্থিতিতে আপোনাৰ লগত যি জনৰ সম্পৰ্ক হ'ব, তেওঁ আপোনাৰ জীৱনত থকা পবিত্ৰ-আত্মাৰ দ্বাৰাই প্ৰভাৱিত হ'ব লাগিব। যদিও তেওঁলোকৰ মনত আপোনাৰ কাৰণে বিদ্ৰোহৰ ভাব আছে, কিন্তু আপোনাৰ কাষত থকা কাৰণে তেওঁলোক আশিৰ্ব্বাদ প্ৰাপ্ত যেন অনুভৱ কৰিব লাগিব। আপুনি আনৰ আগত কি ভাবভংগী প্ৰকাশ কৰিছে?

আপোনাৰ জীৱনটোক এটা বটলৰ দৰে কল্পনা কৰক, ঈশ্বৰৰ আত্মাৰ সমুদ্ৰলৈ তাক পেলাই দিয়ক আৰু তেওঁক তাক সাবতি ধৰি পৰিপূৰ্ণ কৰিব দিয়ক। যীচু খ্ৰীষ্টক আপোনাৰ জীৱন সমৰ্পন কৰক। তেওঁক আপোনাক পৰিপূৰ্ণ কৰিব দিয়ক, আৱৰি ধৰিব দিয়ক, আকোৱলি ধৰিব দিয়ক আৰু আপোনাত নিবাস কৰিব দিয়ক (যোহন ১৭:১-২৬ পদ)

**আলোচনাৰ কাৰণে প্ৰশ্ন**

১। "ধুনীয়া বা সুন্দৰ পাপবোৰ" কি, যিয়ে আপোনাক প্ৰলোভিত কৰে?

২। আপোনৰ লগত যেতিয়া কোনোৱা খুন্দা মাৰে আপোনাৰ জীৱনৰ পৰা কি "ওলাই আহে?"

**প্ৰাৰ্থনা**

*আপোনাৰ নিজৰ বাক্যৰে, আপোনাৰ পাপবোৰ স্বীকাৰ কৰক, আপোনাৰ জীৱনত শিলগুটি আৰু আলপমান লেতেৰাবোৰ কি তাক জানিবলৈ যীচু খ্ৰীষ্টক সহায় কৰিবলৈ কওক, সেইবোৰ দূৰ কৰিবলৈ তেওঁৰ সহায় বিচাৰক, আৰু তেওঁৰ পৰিপূৰ্ণতাত সৰ্মপিত হওক। যীচু খ্ৰীষ্ট আপোনালোকত—সেই গৌৰৱৰ আশা (কলচীয়া ১:২৭ পদ)।*

টোকা

# ৬ এগৰাকী শিষ্যা আৰু তেওঁৰ সম্বন্ধবোৰ

**মুখ্য পদ : ৰোমীয়া ১২:১৮ পদ**

"সাধ্য অনুসাৰে তোমালোকে সকলোৰে সৈতে মিলেৰে থাকিবা"

**প্ৰস্তাৱনা**

১। ঈশ্বৰ তিনি ব্যক্তিৰ ঈশ্বৰ, এই কথা বুজি পোৱাত যদিও আমাৰ অসুবিধা হয়— তিনি জনা ব্যক্তি পিতৃ, পুত্ৰ আৰু পবিত্ৰ আত্মা'—আৰু একে সময়তে মাত্ৰ এজনা ঈশ্বৰ (দ্বিতীয় বিৱৰণ ৬:৪ পদ)।

২। এই তিনি ব্যক্তিৰ তিনিও জনে পৰস্পৰৰ লগত সকলো সময়তে এক সুস্থ সম্বন্ধত আছে। সেই একেদৰে যীচু খ্ৰীষ্টৰ শিষ্যা/শিষ্য সকলেও আনৰ লগত এক সুস্থ সম্বন্ধৰে নিবাস কৰা উচিত।

**এগৰাকী শিষ্যা/শিষ্যই লালন-পালন কৰিব লগা চাৰিটা প্ৰয়োজনীয় সম্বন্ধ**

**১। এগৰাকী শিষ্যাই তেওঁৰ স্বামীৰ লগত তেওঁৰ সম্বন্ধক মূল্য দি লালন-পালন কৰা উচিত (যদি তেওঁ বিবাহিত)।**

ক) মনত ৰাখিব যে এগৰাকী শিষ্যাৰ বিবাহ-শিষ্যা গৰকীৰ জীৱনৰ সকলো বিষয়ৰ লগত—হৈছে ঈশ্বৰক মৰ্য্যদা আৰু গৌৰব দিয়া (১ম কৰিন্থীয়া ১০:৩১ পদ)।

খ) প্ৰভুৰ বশৱৰ্ত্তী হোৱাৰ দৰে স্বামীৰো বশৱৰ্ত্তী হ'বলৈ বাইবেলে ভাৰ্য্যাসকলক নিৰ্দ্দেৰ্শ দিছে। এই বশৱৰ্ত্তী হৈছে প্ৰেম আৰু আনন্দেৰে স্বামীৰ বাধ্য হোৱা, ঈশ্বৰৰ আজ্ঞা অনুসাৰে স্বামীক সন্মান কৰি তেওঁৰ বশৱৰ্ত্তী হোৱা (ইফিচীয়া ৫:২২,২৫পদ)।

# তেওঁ এগৰাকী ৰাজকুমাৰীক বিবাহ কৰিলে

**থেল্‌মা ব্ৰাউনৰ উক্তিৰ পৰা**

- এগৰাকী পুৰুষ আৰু মহিলা যিয়ে জীৱনৰ আনসকলো বস্তুতকৈ আনকি ইজনে সিজনতকৈ তেওঁক (ঈশ্বৰক) প্ৰেম কৰে, আৰু যি সকলে একেলগে তেওঁৰ বাক্য অধ্যয়ন কৰে আৰু প্ৰাৰ্থনা কৰে তেওঁলোকৰ শত্ৰু (চয়তান)ৰ পৰা অহা আক্ৰমনক প্ৰতিৰোধ কৰিবলৈ তেওঁৰ (ঈশ্বৰৰ) মহা শক্তি থাকিব।
- আপোনাৰ সাধাৰণ স্বভাৱে যদি আনন্দৰ মনোভাব প্ৰকাশ কৰে, তেতিয়া ঘৰখন উজ্বল হৈ পৰিব।
- আপোনাৰ স্বামীক প্ৰশংসা কৰা অভ্যাস কৰিব। বিবাহিত জীৱনৰ যোগাযোগত ঠাট্টাই কেন্সাৰ স্বৰূপ।
- পৰস্পৰক কেতিয়াও তল পেলাবলৈ চেষ্টা কৰা অভ্যাস নকৰিব। পৰস্পৰক গঢ়ি তোলাৰ কাৰণে সকলো কৰিব।
- আপোনাৰ স্বামীক তুলি ধৰিব। তেওঁক প্ৰেম কৰিব। তেওঁক একেবাৰে ঈশ্বৰৰ ওচৰলৈ লৈ যাব, তেওঁ সম্পূৰ্ণৰূপে ঈস্বৰৰ হলেহে সম্পূৰ্ণৰূপে আপোনাৰো হ'বঙ্গ
- যীচু খ্ৰীষ্টই যেতিয়া আমাক পৰস্পৰে প্ৰেম কৰিবলৈ আজ্ঞা দিছিল তেতিয়া তেওঁ স্বামীৰ সম্বন্ধীয় সকলক বাদ দি কৈছিল নে?
- দহবৰ্ষসমূহ পাৰ হৈ যোৱা লগে লগে পৰিয়ালৰ গোটটি ঈশ্বৰৰ লগত আৰু তেওঁৰ কাৰণে জীয়াই থকা দ্বাৰাই ফলৱন্ত হৈ সুখী হৈ পৰে। আৰু মূল কথাটি হৈছে ঈশ্বৰত নিবাস কৰা। তেওঁৰ লগত, বিবাহতকৈ আন একো দৃঢ় হ'ব নোৱাৰে। তেওঁৰ অবিহনে সকলো ঠুনুকা। যি কোনো দম্পতিলৈ শেষ পৰামৰ্শটো হৈছে, "ঈশ্বৰৰ ওচৰত থাকক।"

গ) এগৰাকী শিষ্যাৰ আচাৰ-ব্যৱহাৰ এনে হোৱা উচিত যে, যীচু খ্রীষ্টৰ দৰে তেওঁৰ আচাৰ-ব্যৱহাৰে অবিশ্বাসী স্বামীক প্রভাৱিত কৰিব পাৰে। তেওঁৰ পবিত্র আৰু নম্র, ঈশ্বৰ ভয়কাৰী আৰু পবিত্র আত্মাৰ ফলেৰে সোৱাদযুক্ত হোৱা প্রেমপূর্ণ কথোপকথনে কেৱল মাত্র তেওঁৰ স্বামীৰ বিশ্বাসে জয় কৰিব পাৰিব, "তাতে তেওঁলোকৰ কোনো কোনোৱে যদিও ঈশ্বৰৰ বাক্য বিশ্বাস নকৰে, তথাপি তোমালোকৰ আচাৰ-ব্যৱহাৰ দেখি তেওঁলোকে বিশ্বাস কৰিব (১ম পিতৰ ৩:১ পদ)।

ঘ) ভাৰ্য্যা স্বৰূপে ঈশ্বৰে তেওঁৰ কাৰণে সুন্দৰ দায়িত্ব দিছে তাতেই শিষ্যা গৰাকীয়ে নিজৰ আত্ম-সন্মান বিচাৰি পাব : "এক উপযুক্ত সহায়কাৰী" (আদিপুস্তক ২:১৮ পদ)। তেওঁলোকে অস্থায়ী উত্তম বস্তুটে নহয় কিন্তু অনন্তজীৱনটো সহ-লগৰী। তেওঁলোকে পৰস্পৰৰ মাজৰ মনোমালিন্য আৰু অসন্তোষ্টি এৰি বা পৰস্পৰে পৰস্পৰক ক্ষমা কৰা দ্বাৰাই এই সম্বন্ধ আত্মিক মধুৰতা বজাই ৰাখে। ইয়াৰ কাৰণে এক বাধাহীন প্রাৰ্থনাৰ জীৱনৰ প্রয়োজন (মাৰ্ক ১১:২৫ পদ)।

ঙ) আন সকলোতকৈ অতি প্রয়োজনীয় বিষয়টো হৈছে স্বামী ভাৰ্য্যাই পৰস্পৰৰ লগত সময় অতিবাহিত কৰা, যিসময়খিনিত আমি গভীৰ, অৰ্থপূৰ্ণ যোগা-যোগত ব্যস্ত থাকো। পৰস্পৰৰ মাজৰ এই দৃঢ় বন্ধনে হৈছে প্রলোভনৰ অহিতে এক নিৰাপত্তা (১ম কৰিন্থীয়া ৭:৩-৫ পদ)।

চ) "ঈশ্বৰে পৰিয়াল আৰম্ভ কৰিলে : ই তেওঁৰ ধাৰণা, আৰু তেওঁ ইয়াক প্রেম কৰে। ইফিচীয়া ৫:২২-২০ পদে আমাক দেখুৱাই বিবাহিত সম্বন্ধটো। হৈছে যীচুখ্রীষ্টৰ মণ্ডলীৰ প্রতি থকা প্রেমৰ এক প্রদৰ্শনমূলক পাঠ। তেওঁ ইয়াক এক পবিত্র, সুন্দৰ প্রতিস্থান হোৱাটো বিচাৰে, তেওঁৰ কন্যাৰ প্রতি তেওঁৰ পবিত্র আৰু বিশুদ্ধ প্রেমৰ এক উজ্বল ছবি জগতবাসীলৈ প্রৰ্দশিত হোৱাটো বিচাৰে।"— মামা থেল্‌মা ব্রাউন।


**২। এগৰাকী শিষ্যাই তেওঁৰ সন্তানসকলৰ লগত তেওঁৰ সম্বন্ধক মূল্য দি লালন-পালন কৰা উচিত।**

ক) ইফিচীয়া ৬:৪ পদে আমাক পিতৃ-মাতৃ সকলক "নকৰিব" আৰু "কৰিব" কিছুমান বিষয় দিছে : তোমালোকে নিজ নিজ সন্তানবিলাকৰ খং নুতুলিবা।

প্ৰভুৰ শাসন আৰু শিক্ষাত তেওঁলোকক প্ৰতিপালন কৰা।

খ) পিতৃ-মাতৃসকলে তেওঁলোকৰ সন্তানসকলক খং তুলিব পাৰে আৰু বিৰক্ত কৰিব পাৰে অতিমাত্ৰা সমালোচনা কৰি, অধিককৈ শাসন কৰি, অপ্ৰয়োজনীয়ভাৱে বিৰক্ত কৰি, এটা সন্তানক আনটোতকৈ অধিক মৰম চেনেহ কৰি (যাকোব ১:২-৮ পদ)।

গ) পিতৃ-মাতৃসকলে সন্তানসকলৰ লগত সম্বন্ধৰ ক্ষেত্ৰত ঈশ্বৰৰ চৰিত্ৰ প্ৰদৰ্শন কৰা উচিত (আনসকলৰ লগতো)। স্বৰ্গত থকা আমাৰ পিতৃৰ দৰে (ইফিচীয়া ৪:৩২ পদ), আমিও কোমল চিত্তৰ আৰু মৰমীয়াল হোৱা উচিত।



ঘ) আমি, তেওঁৰ শিষ্যা/শিষ্য সকলক পিতৃ ঈশ্বৰে যিদৰে অনুশাসন কৰে, আমিও প্ৰয়োজন অনুসৰি আমাৰ সন্তানসকলক মৰমেৰে অনুশাসন কৰা উচিত (ইব্ৰী ১২:৬ পদ)।

ঙ) হিতোপদেশ ২২:৬ পদে কৈছে, “ল’ৰাক তাৰ চলিব লগীয়া পথ অনুসাৰে শিক্ষা দিয়া...” “শিক্ষা দিয়া” শব্দৰ অৰ্থ হৈছে শুদ্ধৰণি আৰু অনুশাসনেৰে শিকোৱা।

চ) আমাৰ সন্তানসকলে পাপ কৰিলে আমি তেওঁলোকক নিয়ন্ত্ৰণ (প্ৰকৃত অৰ্থত নিৰ্দ্দেশ দিয়া শুদ্ধকৰা আৰু শান্তনা দিয়া)। কৰা উচিত। ১ম চমূৱেল ২:৩৪-৩৫ পদত আমি পঢ়িবলৈ পাওঁ যে, এলীয়ে নিজৰ পুতেক কেইজনক নিয়ন্ত্ৰণ কৰা নাছিল বা বাধা দিয়া নাছিল, আৰু ঈশ্বৰে তেওঁলোকৰ শত্ৰুৰ দ্বাৰাই তেওঁলোকক ধ্বংশ কৰিছিল।

ছ) আন সকলো বিষয়তকৈ আটাইতকৈ প্ৰয়োজনীয় বিষয়টো হৈছে, আমি আমাৰ সন্তানসকলৰ লগত অধিক সময় অতিবাহিত কৰিব লাগিব যি সময়খিনিত আমি তেওঁলোকৰ লগত সম্পূৰ্ণভাৱে গভীৰ, অৰ্থপূৰ্ণ সংযোগত থাকিম (লূক ১:১৭ পদ)।

**৩। এগৰাকী শিষ্যাই পৰিয়ালৰ আনসকলৰ লগতো তেওঁৰ সম্বন্ধক মূল্য দি লালন-পালন কৰা উচিত।**

ক) এগৰাকী শিষ্যাৰ তেওঁৰ স্বামীৰ পক্ষৰ পৰিয়ালৰ লগত সকলো ফালৰ পৰা ভাল সম্বন্ধ থাকে। এই ক্ষেত্ৰত ৰূথ ইয়াত উপযুক্ত উদাহৰণ। তেওঁ নিজৰ বিপদজনক পৰিস্থিতিৰ মাজতো, আৰু যিসময়ত তেওঁ শাহুৰেকৰ পৰা মুক্তি পোৱাৰ সুযোগ আছিল সেই সময়তো তেওঁ শাহুৰেকক প্ৰেম কৰিছিল। ৰূথে নিজৰ ভালৰ বিষয়ে চিন্তা নকৰি নিজৰ শাহুৰেকৰ কাৰণেও চিন্তা কৰিছিল, জীৱিত ঈশ্বৰক বিশ্বাস আৰু ভয় কৰা কাৰণে তেওঁ এইদৰে কৰিব পাৰিছিল (ৰূথ ১:১৬-১৭, ২:১৪,১৮ পদ)

খ) এগৰাকী শিষ্যাই নিজৰ পৰিয়ালৰ ওপৰিও চাকৰ/চাকৰণীৰ ভালদৰে যতন লয়। তেওঁ নিজৰ পৰিয়ালৰ দায়িত্ব পূৰ কৰিব কাৰণে ৰাতি পুৱাই উঠে আৰু প্ৰয়োজন হ'লে ৰাতি বহুত দেৰিলৈ সাৰে থাকে। তেওঁ কঠোৰ পৰিশ্ৰম কৰে। তেওঁৰ ঘৰখনৰ ব্যৱহাৰৰ বিষয়েও চিন্তিত (হিতোপদেশ ৩১:১৫-২৭ পদ)।

গ) এগৰাকী শিষ্যাই তেওঁতকৈ বয়সত সৰু মহিলাসকলৰ প্ৰতি আৰ্হি আৰু উপদেশক। উত্তম বিষয়ত উত্তম সম্বন্ধ বজাই ৰাখে (তীত ২:৩ পদ)। এই কাৰণত তেওঁ অপবাদজনক কথা পৰা আঁতৰি থাকে— অৰ্থাৎ তেওঁ নিজৰ জিভাক দমন কৰে (যাকোব ৩:৫-৬,৮পদ)। তেওঁ আত্মনিয়ন্ত্ৰিত বা স্ব-নিয়ন্ত্ৰিত আৰু আচাৰ-ব্যৱহাৰত সকলোৰে প্ৰতি তেওঁ ভক্তিপূৰ্ণ।

ঘ) এগৰাকী শিষ্যাই ঐশ্বৰিক চৰিত্ৰ গঠন কৰিবলৈ ঈশ্বৰৰ বাক্যৰ পৰা শিকে (১ম পিতৰ ১:৫-৬ পদ)। তেওঁৰ সকলো সম্বন্ধৰ ক্ষেত্ৰতে এই চৰিত্ৰ প্ৰকাশ পাব।

**৪। এগৰাকী শিষ্যাই তেওঁৰ পৰিয়ালৰ বাদে আনলোক সকলৰ লগত থকা সম্বন্ধৰ ক্ষেত্ৰত মূল্য দি সাৱধান হোৱা উচিত।**

ক) অবিশ্বাসীসকলৰ লগত তেওঁৰ ব্যৱহাৰ জ্ঞানী দৰে হোৱা উচিত (কলচীয়া ৪:৫ পদ)। তেওঁলোকৰ মাজত তেওঁৰ ব্যৱহাৰপাতি ভদ্ৰতা আৰু সাধুতাৰে পূৰ্ণ হোৱা উচিত যাতে তেওঁলোকে কোনো কাৰণতে খ্ৰীষ্টিয়ান ধৰ্ম্মক নিন্দা কৰিব নোৱাৰে। আৰু শুভবাৰ্ত্তাক তেওঁলোকৰ লগত বিলাই দিবলৈ

ইয়ে তেওঁ সুবিধা দিব।

খ) এগৰাকী শিষ্যা অতিথিপৰায়ন হোৱা উচিত— আনৰ প্ৰয়োজনসমূহ পূৰ্ণ কৰা অভ্যাস থকা উচিত বিশেষকৈ যীচু খ্ৰীষ্টৰ কাৰণে পৰিশ্ৰম কৰি কষ্ট পোৱা সকলৰ কাৰণে (ৰোমীয়া ১২:১৩ পদ)।

গ) তেওঁ দুখীয়া আৰু প্ৰয়োজনত থকা সকলৰ প্ৰতি দানশীল হোৱা উচিত, বিশেষকৈ মণ্ডলীৰ সভ্যা/সভ্যৰ প্ৰতি (১ম যোহন ৩:১৭, যাকোব ২:১৫ পদ)।

ঘ) ঈশ্বৰৰ মণ্ডলীৰ শাসনকৰ্ত্তাজনক তেওঁ সন্মান কৰা উচিত, তেওঁৰ আত্মিক উপকাৰৰ কাৰণে যিসকল পালক প্ৰচাৰকে ঈশ্বৰৰ বাক্যৰ সম্পুৰ্ণ পৰামৰ্শৰ শিক্ষা দিয়ে তেওঁলোকৰ শিক্ষা আৰু সাৱধানবাণীৰ বাধ্য হোৱা উচিত (ইব্ৰী ১৩:১৭ পদ)।

ঙ) তেওঁৰ এক ধৰ্ম্মনিৰপেক্ষ চাকৰি থকা উচিত, আৰু তেওঁৰ মূৰব্বী সকলক সন্মান কৰি তেওঁলোকৰ বাধ্য হোৱা উচিত। প্ৰভুৰ প্ৰতি কৰা দৰে তেওঁ বিশ্বাসীৰূপে চাকৰি কৰা উচিত (ইফিচীয়া ৬:৫-৮ পদ)। খ্ৰীষ্টিয়ান বিশ্বাস আৰু বাক্যৰ প্ৰতি যি বিৰুদ্ধ নহয় মাত্ৰ সেইবোৰৰহে তেওঁ বাধ্য হোৱা উচিত।

৫। **ঈশ্বৰৰ বাক্যত নিৰ্দ্দেশ দিয়া দৰে এগৰাকী শিষ্যাই সকলোৰে লগত মিলেৰে থকা উচিক।** (“পৰস্পৰে পৰস্পৰৰ” বিষয়ে দিয়া অংশবোৰ চাওক)।

*ঈশ্বৰে সন্তুষ্ট হ'ব পৰাকৈ আমি 'পৰস্পৰে পৰস্পৰৰ' লগত কিদৰে কথোপকথন কৰিম, এই বিষয়ে নতুন নিয়মে আমাক কি কৈছে সেই বিষয়ে দিয়া হৈছে :*

**পৰস্পৰে প্ৰেম কৰিবা ঃ**

১] ১ম যোহন ৪:৭ পদ — পৰস্পৰে প্ৰেম কৰিবা।
২] ১ম পিতৰ ৪:৮ পদ — পৰস্পৰে গভীৰভাবে প্ৰেম কৰিবা।
৩] ১ম পিতৰ ১:২২ পদ — পৰস্পৰে গভীৰভাবে, হৃদয়ৰ পৰা প্ৰেম কৰিবা।
৪] ১ম পিতৰ ৩:৮ পদ — পৰস্পৰে পৰস্পৰৰ লগত মিলেৰে থাকিবা।
৫] ৰোমীয়া ১২:১০ পদ — ভাতৃস্বৰূপে পৰস্পৰক সমাদৰ কৰিবা।
৬] গালাতীয়া ৫:১৩ পদ — প্ৰেমত পৰস্পৰৰ পৰিচৰ্য্যা কৰিবা।

**পৰস্পৰক সন্মান কৰিবা ঃ**

৭] যোহন ১৩:১৪ পদ — তোমালোকে পৰস্পৰৰ ভৰি ধুউৱা উচিত।
৮] ১ম পিতৰ ৫:৫ পদ — পৰস্পৰৰ প্ৰতি নম্ৰতাৰ বস্ত্ৰ পিন্ধিবা।
৯] ফিলিপীয়া ২:৩ পদ — প্ৰতিজনে আনক নিজতকৈ উত্তম বুলি মানিবা।
১০] ইফিচীয়া ৪:২ পদ — প্ৰেমত পৰস্পৰৰ প্ৰতি ধৈৰ্য্যশীল হ'বা।
১১] ৰোমীয়া ১৫:৭ পদ — যীচু খ্ৰীষ্টই তোমালোকক গ্ৰহণ কৰা দৰে পৰস্পৰক গ্ৰহণ কৰিবা।
১২] ৰোমীয়া ১২:১০ পদ — পৰস্পৰক সমাদৰ কৰিবা।
১৩] ইফিচীয়া ৫:২১ পদ — পৰস্পৰৰ প্ৰতি সৰ্মপিত হ'বা।
১৪] ফিলিপীয়া ২:৪ পদ — আনৰ কাৰণে চিন্তা কৰিবা।
১৫] মাৰ্ক ৯:৫০ পদ — পৰস্পৰৰ লগত শান্তিৰে বাস কৰিবা।

**পৰস্পৰক ক্ষমা কৰিবা ঃ**

১৬] ৰোমীয়া ১৪:১৩ পদ — আনৰ প্ৰতি বিচাৰ নকৰিবা।
১৭] ইফিচীয়া ৪:৩২ পদ — পৰস্পৰৰ প্ৰতি দয়ালু আৰু মৰমীয়াল হ'বা, পৰস্পৰক ক্ষমা কৰিবা।
১৮] কলচীয়া ৩:১৩ পদ — পৰস্পৰৰ লগত সহ্য কৰিবা আৰু পৰস্পৰক ক্ষমা কৰিবা।
১৯] ৰোমীয়া ১২:১৪-১৬ পদ — আশিৰ্ব্বাদ, আনন্দ আৰু শোক কৰিবা, মিলেৰে থাকিবা।

**পৰস্পৰক প্ৰেৰিত কৰিবা ঃ**

২০] ১ম থিচলনীকীয়া ৫:১১ পদ — পৰস্পৰক প্ৰেৰিত/উৎসাহিত কৰিবা।
২১] ১ম থিচলনীকীয়ী ৫:১১ পদ — পৰস্পৰৰ বৃদ্ধিত সহায় কৰিবা।
২২] ৰোমীয়া ১৪:১৯ পদ — পৰস্পৰক শিক্ষা দিবা।
২৩] গালাতীয়া ৬:২ পদ — পৰস্পৰৰ ভাৰ বহন কৰিবা।
২৪] কলচীয়া ৩:১৬ পদ — জ্ঞানেৰে পৰস্পৰক শিক্ষা দি সাৱধান কৰিবা।
২৫] ইব্ৰী ১০:২৪ পদ — পৰস্পৰক প্ৰেম আৰু উত্তম কৰ্ম্মলৈ প্ৰেৰিত কৰিবা।
২৬] ১ম পিতৰ ৪:১০ পদ — ঈশ্বৰৰ মহান অনুগ্ৰহৰ কাৰণে উত্তম ঘৰগিৰি স্বৰূপে পৰস্পৰৰ পৰিচৰ্য্যা কৰিবা।
২৭] ইব্ৰী ৩:১৩ পদ — পৰস্পৰক দৈনিক প্ৰেৰিত কৰিবা।
২৮] ফিলিপীয়া ১:৪ পদ — পৰস্পৰৰ কাৰণে প্ৰাৰ্থনা কৰিবা।

**নকৰিবা ঃ**

২৯] যাকোব ৪:১১ পদ — পৰস্পৰক নিন্দা নকৰিবা।
৩০] গালতীয়া ৫:১৫ পদ — পৰস্পৰৰ লগত হাই-কাজিয়া নকৰিবা।
৩১] গালাতীয়া ৫:২৬ পদ — পৰস্পৰৰ প্ৰতি অহংকাৰী, বিৰক্তকাৰী, আৰু ঈৰ্ষাপৰায়ন নহ'বা।
৩২] যাকোব ৫:৯ পদ — পৰস্পৰৰ বিৰুদ্ধে ওজৰ-আপত্তি নকৰিবা।
৩৩] কলচীয়া ৩:৯ পদ — পৰস্পৰক মিছা কথা নকবা।
৩৪] ৰোমীয়া ১৪:১৩ পদ — উজুতি খোৱা কোনো বস্তু ভাইৰ পথত নৰাখিবা।

**আলোচনাৰ কাৰণে প্ৰশ্ন**

১। এগৰাকী খ্ৰীষ্টিয়ান মহিলাই তেওঁৰ স্বামীৰ লগত থকা সম্বন্ধক কিদৰে লালন-পালন কৰা উচিত?

২। খ্ৰীষ্টিয়ানসকলে তেওঁলোকৰ সন্তানসকলৰ প্ৰতি আদৰ্শ স্বৰূপ হ'ব পৰাকৈ পিতৃস্বৰূপে ঈশ্বৰে তেওঁৰ চৰিত্ৰৰ যোগেদি কিবোৰ গুণ প্ৰকাশ কৰিছে?

৩। তেওঁৰ স্বামীৰ পৰিয়ালৰ প্ৰতি এগৰাকী খ্ৰীষ্টিয়ান মহিলাই কিদৰে প্ৰেম প্ৰদৰ্শন কৰিব?

**প্ৰাৰ্থনা**

*হে দয়ালু ঈশ্বৰ, আপোনাৰ বাক্যই পথ দেখুৱাৰ দৰে আপোনাৰ অনুগ্ৰহেৰে আনৰ লগত উত্তম আৰু শুদ্ধ সম্বন্ধ বজাই ৰাখিবলৈ মোক সক্ষম কৰক। প্ৰতিটো সম্বন্ধকে তাৰ বৈশিষ্ট অনুসাৰে মই যেন মূল্য দিব পাৰোঁ আৰু আনৰ লগত কৰা প্ৰতিটো ব্যৱহাৰৰ দ্বাৰাই মই যেন আপোনাক গৌৰৱান্বিত কৰিব পাৰোঁ। আমেন।*

## টোকা

# ৭ এগৰাকী শিষ্য্যা আৰু প্ৰাণ জয় কৰা

**মুখ্য পদ : হিতোপদেশ ১১:৩০ পদ**

"যিজনে আনৰ আত্মা লাভ কৰে সেইজনেই জ্ঞানৱান"

"ৱিন শিষ্যাত্বৰ মেনুৱেল"ৰ এই অধ্যায়টো **থেল্‌মা ব্ৰাউনে** লিখা" চেভেন-ষ্টেপ-চল-চেভিং-চেমিনাৰ'ৰ কেইবাটাও অধ্যায়ৰ পৰা লোৱা হৈছে। ভাৰতবৰ্ষত তেওঁ যিসকল মহিলাক প্ৰেৰিত কৰিছিল তেওঁলোকে মৰমতে তেওঁক **মামা** বুলি সম্বোন্ধন কৰিছিল। তেওঁৰ বিষয়ে অধিককৈ জানিবলৈ আৰু তেওঁৰ সংস্পৰ্শত অহা সকল কিদৰে প্ৰেৰিত হৈছিল সেই বিষয়ে জানিবলৈ উছৰ্গা পৃষ্ঠাখন পঢ়ক।

কিতাপখনে সাক্ষী দিয়া আৰু প্ৰাণ জয় কৰা প্ৰণালীবোৰৰ বিষয়ে শিক্ষা দিয়ে, আৰু ইয়াৰ সাতটা পাঠক "পদক্ষেপ" বুলি জনা যায়। পাচটা পাঠ এই মেনুৱেলখনত দিয়া হৈছে। প্ৰথম পাঠটিয়ে প্ৰাণ জয় কৰা কাৰণসমূহত জোৰ দিয়ে আৰু আন চাৰিটা পাঠে ফলোদায়কভাবে শুভবাৰ্ত্তা বিলাই দিয়া প্ৰণালীসমূহ দিয়ে।

## ১ ১। প্ৰাণ-জয় কৰা কাৰণসমূহ

খুউব কম সংখ্যক লোকক প্ৰচাৰক হ'বলৈ আহ্বান কৰা হয়— কিন্তু নতুন জন্ম পোৱা প্ৰতি গৰাকী খ্ৰীষ্টিয়ানকে প্ৰাণ-জয় কৰোতা হ'বলৈ আহ্বান কৰা হৈছে।

"প্ৰাণ-জয় কৰাটো হৈছে এখ নিৰ্দ্দৃষ্ট প্ৰচেষ্টা
এক নিৰ্দ্দৃষ্ট সময়ত
এক নিৰ্দ্দৃষ্ট ত্ৰাণকৰ্ত্তাক গ্ৰহণ কৰিবলৈ
এক নিৰ্দ্দৃষ্ট ব্যক্তিক চলাই নিয়া।"
**বিলি চান্দে**

# ২ কিদৰে সাক্ষী দিব

কোনোবাজন হেৰাই যোৱাটো আমাৰ প্ৰভুৰ ইচ্ছা নহয়, কিন্তু সকলোৱে অনুতাপ কৰিব লাগে (২য় পিতৰ ৩:৯ পদ)। ঈশ্বৰৰ ইচ্ছা এয়ে যে প্ৰত্যেক ব্যক্তিৰে শুভবাৰ্ত্তা শুনাৰ সুযোগ থাকিব লাগে। এই কথা মনত ৰাখি, ঈশ্বৰে যেতিয়াই সুবিধা দিয়ে তেতিয়াই সাক্ষী দিবলৈ আগতীয়াকৈ সাজু হৈ থাকিব লাগে।

**কিদৰে সাক্ষী দিব**

১। যীচু খ্ৰীষ্টৰ এগৰাকী সাক্ষী নিজে পৰিত্ৰাণ প্ৰাপ্ত হ'ব লাগিব (ৰোমীয়া ৫:৯-১১ পদ)।

২। আপোনাৰ ধৰ্ম্মান্তৰৰ সাধাৰণ কাহিনী আৰু জীৱনৰ পৰিবৰ্ত্তনৰ বিষয়ে কওক (গীতমালা ৫১:১২-১৩ পদ)।

৩। আপোনাৰ প্ৰাৰ্থনাৰ উত্তৰ পোৱাৰ বিষয়ে কওক (গীতমালা ৫০:১৫পদ)।

৪। যীচু খ্ৰীষ্টই সম্পূৰ্ণৰূপে কেনেকৈ আপোনাক তৃপ্ত কৰে সেই বিষয়ে কওক (গীতমালা ১০৭:৮-৯ পদ)।

৫। পাপ আৰু প্ৰলোভনৰ ওপৰত ব্যক্তিগত ভাবে জয়ী হোৱা বিষয়ে কওক (১ম যোহন ৫:৪-৫ পদ)।

৬। বাইবেলত আপোনাৰ প্ৰিয় পদবোৰৰ বিষয়ে কওক আৰু আজি পূৰা শাস্ত্ৰৰ এক বিশেষ পদৰ পৰা ঈশ্বৰে কেনেকৈ আপোনাৰ লগত কথোপকথন কৰিলে সেই বিষয়ে কওক।

৭। আপোনাৰ বন্ধুবৰ্গক যীচু খ্ৰীষ্টৰ শুভবাৰ্ত্তা দিয়ক। তেওঁলোকক তেওঁৰ (যীচু) বিষয়ে কওক (ৰোমীয়া ১:১৬ পদ)।

৮। তেওঁলোকক আহি চাবলৈ নিমন্ত্ৰণ কৰক (যোহন ১:২৯-৫১ পদ)।

৯। যীচুখ্ৰীষ্টক অনুসৰণ কৰা (মথি ৪:১২-২৭; মাৰ্ক ১:১৬-২০ পদ)।

**যীচু খ্ৰীষ্টক স্বীকাৰ কৰাত বাধাবোৰ**

১। মানুহলৈ ভয় (২য় তীমথি ১:৭, ১ম যোহন ৪:১৮; ফিলিপীয়া ৪:১৩পদ)।

২। লাজ (২য় তীমথি ১:৮ পদ)।

৩। অপবিত্ৰ জীৱন (১ম যোহন ১:৯ পদ)।

টোকা : সাক্ষ্য নিদিয়া বিপদৰ বিষয়ে আবিস্কাৰ কৰিবলৈ যিহিস্কেল ৩৩:৮ পদ পঢ়ক।

## আপোনাৰ ব্যক্তিগত সাক্ষ্যক বিকাশ কৰক

আপোনাৰ সাক্ষ্যৰ অতি শক্তিশালী সজুঁলিটো হৈছে যীচু খ্ৰীষ্টৰ লগত আপোনাৰ সম্বন্ধ আৰু ই কিদৰে আপোনাৰ জীৱন প্ৰভাৱিত কৰিছে। সুস্থ হোৱা পিছত অন্ধ মানুহজনে ধৰ্ম্মীয় চলাওঁতা সকলৰ আগত সাক্ষ্য দিছিল, “কিন্তু এটা কথা মই জানোঁ যে, মই অন্ধ আছিলোঁ, আৰু এতিয়া দৃষ্টি পাইছোঁ” (যোহন ৯:২৫ পদ)। কিছুমানে শাস্ত্ৰক প্ৰতিবাদ কৰিব পাৰে, তত্ত্বৰ ক্ষেত্ৰত বা ভিন্ন দৃষ্টিকোণৰ দিশ ৰ্তক কৰিব পাৰে, কিন্তু যীচুখ্ৰীষ্টৰ দ্বাৰাই পৰিবৰ্ত্তীত হোৱা জীৱনৰ সাক্ষ্যক বিশ্বাস নকৰাকৈ থাকিব নোৱাৰি।

**আপোনাৰ ব্যক্তিগত সাক্ষ্যৰ অংশসমূহ**

১। **আপুনি খ্ৰীষ্টিয়ান হোৱা আগতে আপোনাৰ জীৱন কি আছিল সেই বিষয়ে কব।** আপুনি যীচু খ্ৰীষ্টলৈ অহা আগতে আপোনাৰ জীৱনৰ বিষয়ে বৰ্ণনা কৰিব, শুদা উদং ভাব আৰু আশাহীনতাৰ বিষয়ে বেচিকৈ জোৰ দি কব, —যি ভাব সাধাৰণতে অবিশ্বাসীসকলৰ হয়। পাপময় জীৱন যাতে গৌৰৱান্বিত নহয় সেই কাৰণে বিশেষ পাপৰ বিষয়ে অধিক গুৰুত্ব নিদিবলৈ সাবধান হ’ব।

২। **যীচু খ্ৰীষ্টৰ বিষয় আপুনি কেতিয়া আৰু ক’ত শুনিছিল আৰু তেওঁক আপোনাৰ ত্ৰাণকৰ্ত্তা ৰূপে গ্ৰহণ কৰিবলৈ কিয় সিদ্ধান্ত কৰিলে।** আপুনি লাভ কৰা দৃঢ়তাৰ বৰ্ণনা কৰোঁতে, প্ৰাৰ্থনা কৰিব আপুনি যি গৰাকীৰ লগত কথোপকথন কৰি সাক্ষ্য দি আছে প্ৰাৰ্থনা কৰিব যাতে পবিত্ৰ আত্মাই তেওঁৰ জীৱনটো কাৰ্য্য কৰিব, আৰু পাপৰ কাৰণে অনুতাপ আৰু

দুখৰ ভাব জগাই তুলিব।

৩। **খ্ৰীষ্টিয়ান হোৱা পিছত আপোনাৰ জীৱনৰ পৰিবৰ্ত্তনৰ বিষয়ে কব।** স্বৰ্গ ৰাজ্যৰ নাগৰিক স্বৰূপে আপুনি লাভ কৰা আনন্দ আৰু শান্তিৰ বিষয়ে কব। ঈশ্বৰে আপোনাৰ জীৱন পৰিবৰ্ত্তন কৰা বিষয়ে কওঁতে নিৰ্দ্দৃষ্টভাবে দৃঢ়তাৰে উল্লেখ কৰিব।

৪। **বাইবেলৰ এটি পদ ব্যৱহাৰ কৰিব।**

**কাৰ্য্য**

ওপৰত দিয়া প্ৰত্যেকটো বিষয়ৰে ক্ষেত্ৰত এটা চমু পেৰেগ্ৰাফ লিখক। আপোনাৰ সাক্ষ্য স্পষ্ট আৰু ফলদায়ক হ'বলৈ প্ৰভুৰ ওচৰত প্ৰাৰ্থনা কৰিব।

## টোকা

# ৩ পাঁচটা-আঙুলীৰ প্ৰচাৰ কাৰ্য্য

প্ৰচাৰ কাৰ্য্যৰ এই সাধাৰণ প্ৰণালীত কোনো ধৰণৰ সজুঁলি বা কিতাপৰ প্ৰয়োজন নহয়। হাতৰ আঙুলীবোৰ ব্যৱহাৰ কৰি, পৰিত্ৰাণৰ আঁচনিটো বুজাই দিয়া হয়। এই প্ৰণালীত প্ৰয়োজনীয় বিষয়টো হৈছে, আপুনি পদবোৰ মুখস্থ কৰক, কিন্তু আপুনি শুভবাৰ্ত্তা বিলাই দিয়াত সদায় সাজু হৈ থাকিব। শুনোতা জন যদি আগ্ৰহী হয়, আৰু এনেদৰে কৰাও যদি উচিত হয় তেতিয়া আপুনি মানুহজনী বা মানুহজনৰ হাতত ধৰি প্ৰত্যেকটো আঙুলিলৈ দেখুৱাই কব পাৰে তাৰ অৰ্থ কি।

**1** **প্ৰথম আঙুলি—ঈশ্বৰে আপোনাক প্ৰেম কৰে (যোহন ৩:১৬ পদ)।**
"কাৰণ ঈশ্বৰে জগতক ইমান প্ৰেম কৰিলে যে, তেওঁৰ একমাত্ৰ পুত্ৰকে দান কৰিলে, যাতে যিকোনোৱে তেওঁত বিশ্বাস কৰে, তেওঁ নমৰে, কিন্তু অনন্ত জীৱন পায়।"

**2** **দ্বিতীয় আঙুলি-সকলোৱে পাপ কৰিলে (ৰোমীয়া ৩:২৩ পদ)।**
"সকলোৱে পাপ কৰিলে আৰু ঈশ্বৰৰ পৰিত্ৰাণৰ পৰা আঁতৰি গ'ল।"

**3** **তৃতীয় আঙুলি-আপোনাৰ পা পৰ বেচ (মূল্য) দিবলৈ যীচুখ্ৰীষ্টই মৃত্যুবৰণ কৰিলে (১ম কৰিন্থীয়া ১৫:৩-৪ পদ)।**
"শাস্ত্ৰত লিখা অনুসাৰে খ্ৰীষ্ট আমাৰ পাপৰ নিমিত্তে মৰিল, তেওঁক মৈদাম দিয়া হ'ল, আৰু শাস্ত্ৰত লিখা অনুসাৰে তেওঁক তিনি দিনৰ পাচত, পুনৰ জীয়াই তোলা হ'ল।"

**4** **চতুৰ্থ আঙুলি-বিশ্বাস কৰক যে যীচু খ্ৰীষ্ট আপোনাৰ পাপৰ কাৰণে মৃত্যুবৰণ কৰিলে (যোহন ১:১২ পদ)।**
"যিবিলাকে তেওঁক গ্ৰহণ কৰিলে, আৰু তেওঁৰ নামত বিশ্বাস কৰিলে, তেওঁ তেওঁলোকক ঈশ্বৰৰ সন্তান হ'বলৈ ক্ষমতা দিলে।"

**5** **পঞ্চম আঙুলি যেতিয়া আপুনি বিশ্বাস কৰে, আপুনি অনন্ত জীৱন লাভ কৰে (ৰোমীয়া ৬:২৩ পদ)।**
"কিয়নো পাপৰ বেচ মৃত্যু, কিন্তু ঈশ্বৰে দিয়া বৰ, আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ দ্বাৰাই অনন্ত, জীৱন।"




**শুনোতাজনক সিদ্ধান্ত কৰি প্ৰাৰ্থনা কৰিবলৈ উৎসাহিত কৰক।**

# টোকা

# ৪ পৰিত্ৰাণলৈ ৰোমান পথটি

ৰোমীয়া পুস্তকৰ পৰা পদবোৰ ব্যৱহাৰ কৰি পৰিত্ৰাণৰ পথটি বুজাই দিবলৈ ব্যৱহাৰ কৰিব পাৰে। পথটি একাদিক্ৰমে ব্যৱহাৰ কৰা উচিত। আপোনাৰ বাইবেলখনত পদবোৰ চিন দি থলে সুবিধা হ'ব। এই প্ৰণালীৰে সাক্ষী দিয়া সুবিধাটো হৈছে সকলোবোৰ পদ মাত্ৰ এখন পুস্তকতে আছে, আৰু বিচাৰি পাবলৈ সহজ আৰু সৰল। চতুৰ্থ অংশটি বুজাই দিয়া পিছত, অতি সাৱধান পথটি বুজাই দিয়া অন্তত শুনোতাজনক সুবিধ যে, তেওঁ যীচু খ্ৰীষ্টক গ্ৰহণ কৰিবলৈ প্ৰাৰ্থনা কৰিবলৈ ইচ্ছা কৰে নে।

*1* **মানুহৰ প্ৰয়োজন (ৰোমীয়া ৩:২৩ পদ)**। সকলোৱে পাপ কৰিলে আৰু ক্ষমাৰ প্ৰয়োজন।

"সকলোৱে পাপ কৰিলে আৰু ঈশ্বৰৰ পৰিত্ৰাণৰ পৰা আঁতৰি গ'ল।"

*2* **পাপৰ শাস্তি (ৰোমীয়া ৬:২৩ পদ)**। পাপৰ বেচা বা মূল্য হৈছে মৃত্যু। "কিয়নো পাপৰ বেচা মৃত্যু, কিন্তু ঈশ্বৰে দিয়া বৰ, আমাৰ প্ৰভু যীচুখ্ৰীষ্টৰ দ্বাৰাই অনন্ত জীৱন।"

*3* **ঈশ্বৰৰ ব্যৱস্থা (ৰোমীয়া ৫:৮ পদ)**। যীচুখ্ৰীষ্টৰ মৃত্যুৰ যোগেদি ঈশ্বৰে সেই বেচ দিবলৈ এক পথ যুগুত কৰিলে।

"— ঈশ্বৰে যে আমাক প্ৰেম কৰিলে তাৰ প্ৰমাণ এই আমি যেতিয়া পাপী আছিলোঁ, খ্ৰীষ্টই আমাৰ নিমিত্তে প্ৰাণ দিলে।"

*4* **মানুহৰ উত্তৰ (ৰোমীয়া ১০:৯ পদ)**। পাপ স্বীকাৰ কৰক, যীচুখ্ৰীষ্টত বিশ্বাস কৰক, আৰু ক্ষমা গ্ৰহণ কৰক।

"তোমালোকে যদি নিজ মুখেৰে যীচুক প্ৰভু বুলি স্বীকাৰ কৰা আৰু ঈশ্বৰে যে মৃতবিলাকৰ মাজৰ পৰা তুলিলে বুলি যদি হৃদয়েৰে বিশ্বাস কৰা, তেন্তে তোমালোকে পৰিত্ৰাণ পাবা।"

**কাৰ্য্য**


বাইবেলত এই চাৰিটা পদক চিন দিয়ক আৰু এইবোৰ মুখস্থ কৰক।

# ৫ শব্দহীন কিতাপখন

আপোনাৰ বাইবেলখন আৰু এই সৰু আচৰিত কিতাপখনৰ দ্বাৰাই যিকোনো ব্যক্তিৰ আগত পৰিত্ৰাণৰ বাণী কব পাৰেঙ্গ ব্যক্তিজনক আপোনাৰ লগত কথোপকথন কৰিবলৈ দিয়ক। অতিৰিক্তকৈ দিয়া শাস্ত্ৰৰ অংশবোৰ আপোনাৰ অধ্যয়নৰ কাৰণে দিয়া হৈছে। সাক্ষী দিয়া সময়ত ব্যৱহাৰ কৰিবলৈ শাস্ত্ৰৰ কিছুমান পদৰ উদ্ধৃত কৰা হৈছে। নিজৰ চিনাকি দিয়া দ্বাৰাই কথোপকথন আৰম্ভ কৰিব আৰু ব্যক্তিজনৰ নাম জানি ল'ব যাতে বিষয় বস্তুখিনি দাঙি ধৰোঁতে তেওঁৰ নাম ধৰি কথোপকথন কৰিব পাৰিব। অতি উৎসাহিত হৈ এই কাহিনীটো ক'ব। আপোনাৰ কথা শুনি থকা জনৰ কাৰণে ই পৰিত্ৰাণৰ পথঙ্গ

**কাহিনী**

আপুনি এনে এখন কিতাপ দেখিছে নে য'ত শব্দ বা ছবি নাই? (ৰঙ থকা পৃষ্ঠবোৰ লুটিয়াই দেখুৱাব।) যিজনা সত্য আৰু জীৱিত ঈশ্বৰে পৃথিবীখন সৃষ্টি কৰিলে, বাইবেলৰ পৰা সেই জনা ঈশ্বৰৰ বিষয়ে এই ৰঙীন পৃষ্ঠবোৰে এক আৰ্শ্চৰ্য্যজনক কাহিনী কয়। মোৰ কিতাপখনক মই শব্দহীন কিতাপ বুলি কওঁ। প্ৰত্যেকটো ৰঙেই মোক কাহিনীটোৰ এটা অংশ মনত পেলাই দিয়ে। কাহিনীটো আপুনি শুনিব বিচাৰে নে? (উত্তৰৰ কাৰণে অপেক্ষা কৰিব।)



**সোণালীৰঙৰ পৃষ্ঠালৈ যাওঁক**

(অভিজ্ঞতাই দেখুৱাইছে যে, ঈশ্বৰৰ প্ৰেমৰ বিষয়ে দৃঢ়ভাৱে ক'বলৈ সোণালী ৰঙৰ পৃষ্ঠাৰে আৰম্ভ কৰা অতি উত্তম।)

সোণালী ৰঙৰ পৃষ্ঠাই মোৰ স্বৰ্গৰ বিষয়ে সুৱঁৰাই দিয়ে। স্বৰ্গ কি হয় আপুনি জানেনে? (উত্তৰৰ কাৰণে অপেক্ষা কৰিব।) স্বৰ্গ হেছে ঈশ্বৰৰ ঘৰ। বাইবেলে কয় যে, স্বৰ্গত তাৰ নগৰৰ আলিবাটবোৰ শুদ্ধ, সোণৰ-আৰ্চীৰ নিচিনা ফটফটীয়া (প্ৰকাশিত বাক্য ২১:২১ পদ)। তেওঁৰ ঘৰৰ বিষয়ে ঈশ্বৰে আন বহুতো কথা কৈছে। তাত কেতিয়াও কাৰো বেমাৰ নহয়। কেতিয়াও কাৰো মৃত্যুও নহয়। তাত ৰাতি নাই। স্বৰ্গত সকলো মানুহ সদায়-সম্পূৰ্ণভাবে সুখী হ'ব (প্ৰকাশিত বাক্য ২১:৪-২৩ পদ)। স্বৰ্গৰ বিষয়ে অতি উত্তম বিষয়টো হৈছে পিতৃ ঈশ্বৰ আৰু তেওঁৰ পুত্ৰ, যীচু খ্ৰীষ্ট তাত আছে।

ঈশ্বৰে সকলো সৃষ্টি কৰিলে। তেওঁ আপোনাকো সৃষ্টি কৰিলে আৰু তেওঁ আপোনাক অতিকৈ প্ৰেম কৰে। বাইবেলে কৈছে, “ঈশ্বৰে জগতক ইমান প্ৰেম কৰিলে... (যোহন ৩:১৬ পদ)। ইয়াৰ অৰ্থ হৈছে, তেওঁ প্ৰতি গৰাকী ব্যক্তিকে প্ৰেম কৰে— আপোনাক আৰু মোকো। যিহেতু তেওঁ আপোনাক সৃষ্টি কৰিলে, তেওঁ আপোনক প্ৰেম কৰে, তেওঁ আপোনাক তেওঁৰ পৰিয়ালৰ এটা অংশ হোৱাটো বিচাৰে আৰু কোনোৱা এদিন তেওঁৰ লগত স্বৰ্গত থকাটো বিচাৰে (যোহন ১৪:২ পদ) স্বৰ্গ কি এক বিশেষ ঠাইঙ্গ ই সম্পূৰ্ণ কিয়নো ঈশ্বৰ সম্পূৰ্ণ। কিন্তু এটা বস্তু আছে যি কেতিয়াও স্বৰ্গত থাকিব নোৱাৰে।



**ক'লা ৰঙৰ পৃষ্ঠালৈ যাওঁক**

(শুনোতাৰ আত্মিক প্ৰয়োজনটো দৃঢ়ভাবে বুজাবলৈ এই পৃষ্ঠাটো ব্যৱহাৰ কৰক। আপুনি পাপৰ বিষয়ে বুজাই থাকোতে, প্ৰাৰ্থনা কৰিব যাতে পবিত্ৰ আত্মাই বিশ্বাস জগাই তুলিব।)

সেই এটা বস্তুটো হৈছে পাপ। ক'লা ৰঙাৰ এই পৃষ্ঠাই মোক পাপৰ বিষয়ে সুৰৱাই দিয়ে। যিহেতু আপুনি আৰু মই পাপী সেই কাৰণে ঈশ্বৰৰ পথতকৈ আমি আমাৰ নিজৰ পথেৰে নিজৰ মতে চলিব বিচাৰোঁ। নিজৰ মতে চলিব বিচৰাটো পাপ। বেয়া কাম কৰা, বেয়া কথা কোৱা বা বেয়া চিন্তা কৰাই হৈছে পাপ। পাপ হৈছে, ঈশ্বৰে তেওঁৰ পুস্তকত দিয়া নিয়মৰ অবাধ্য হোৱা। পাপে আমাৰ পৃথিৱীত দুখৰ সৃষ্টি কৰে। আপুনি এনে কোনো বিষয়ৰ ক্ষেত্ৰত ভাবিব পাৰে নে যিটো পাপ? (উত্তৰৰ কাৰণে অপেক্ষা কৰিব।) আপুনি জানে নে যে আপুনি পাপী? ঈশ্বৰৰ বাক্যই কৈছে, “সকলোৱে পাপ কৰিলে” ৰোমীয়া ৩:২৩ পদ)। সকলো মানে আমি সকলোৱে, আপুনি আৰু ময়ো। পাপে আপোনাক আৰু মোক ঈশ্বৰৰ পৰা পৃথক কৰে, কিয়নো তেওঁ সম্পূৰ্ণৰূপে শুদ্ধ—পাপবিহীন। তেওঁ যি ঠাইত আছে ঈশ্বৰে সেই ঠাইত পাপক প্ৰবেশ কৰিব দিব নোৱাৰে। ঈশ্বৰে কৈছে পাপে শাস্তি পাবই লাগে। পাপৰ শাস্তি হৈছে মৃত্যু— চিৰদিনৰ কাৰণে ঈশ্বৰৰ পৰা পৃথক হোৱা (ৰোমীয়া ৬:২৩ পদ)। ঈশ্বৰে জানিছিল যে পাপৰ পৰা মুক্তি পাবলৈ আপুনি একো কৰিব নোৱাৰে। তেওঁ জানিছিল যে, তেওঁক সন্তোষ্ট কৰিব পৰাকৈ আপুনি অতি উত্তম বা ভাল হ'ব নোৱাৰে। কিন্তু তেওঁ আপোনাক প্ৰেম কৰে আৰু আপুনি তেওঁৰ সন্তান হোৱাটো বিচাৰে। সেই কাৰণে আপুনি ক্ষমা পাবলৈ তেওঁ এক পথ যুগুত কৰিলে।

**ৰঙা ৰঙা পৃষ্ঠালৈ যাওঁক**

(যীচু খ্ৰীষ্টৰ মৃত্যুৰ যোগেদি পৰিত্ৰাণৰ পথৰ ক্ষেত্ৰত দৃঢ়তাৰে বুজাবলৈ এই পৃষ্ঠাটো ব্যৱহাৰ কৰক)।

ৰঙা ৰঙৰ পৃষ্ঠাখনে পথটি দেখুৱায়। ঈশ্বৰে আপোনাক অতিকৈ প্ৰেম কৰে। তেওঁ তেওঁৰ নিজৰ পুত্ৰ, প্ৰভু যীচু খ্ৰীষ্টক স্বৰ্গৰ পৰা পৃথিবীলৈ পঠাই দিছিল। এটি সৰু শিশু ৰূপে তেওঁ জন্ম গ্ৰহণ কৰিছিল। ডাঙৰ দীঘল হৈ তেওঁ বয়সত বৃদ্ধি লাভ কৰিছিল। পৃথিবীত বাস কৰা আন সকলো ব্যক্তিতকৈ যীচু খ্ৰীষ্ট সম্পূৰ্ণৰূপে বেলেগ আছিল। তেওঁ কেতিয়াও কোনো ভুল কাম কৰা নাছিল। তেওঁ সম্পূৰ্ণৰূপে বিশুদ্ধ আছিল। কিন্তু এদিন দুষ্ট লোকবিলাকে তেওঁৰ মূৰত কাঁইটৰ কিৰিটি পিন্ধাইছিল আৰু প্ৰভু যীচুক ক্ৰুচত দিছিল। বাইবেলে কৈছে যে, তেওঁ তাত ওলমি থাকোতে, ঈশ্বৰে আমাৰ সকলোৰে সকলোবোৰ পাপ তেওঁৰ ওপৰত দিছিল (যিচয়া ৫৩:৬ পদ)। আপোনাৰ সকলোবোৰ খং, সকলোবোৰ মিছা কথা, সকলো তুচ্ছতা আপোনাৰ সকলোবোৰ পাপ ঈশ্বৰৰ পুত্ৰৰ ওপৰত দিছিল।

যেতিয়া যীচুক ক্ৰুচবিদ্ধ কৰা হৈছিল, তেতিয়া তেওঁৰ হাত আৰু ভৰিৰ পৰা কি ওলাইছিল? (তেজ)। বাইবেলে কৈছে যে, তেজ উলিওৱা নহ'লে কোনো ধৰণৰ ক্ষমা নাই (ইব্ৰী ৯:২২ পদ)। যীচু খ্ৰীষ্টই আপোনাৰ পাপৰ শাস্তি মৃত্যুক গ্ৰহণ কৰিছিল। তেওঁ ইমান যাতনা পাইছিল। তাৰ পিছত তেওঁ ক্ৰন্দন ভৰা বৰা মাতেৰে চিঞৰি কৈছিল, "সিদ্ধ হ'ল।" যীচু খ্ৰীষ্টই আমাৰ পাপৰ শাস্তি গ্ৰহণ কৰিবলৈ পৃথিবীলৈ আহিছিল। ক্ৰুচত মৃত্যুবৰণ কৰোঁতেই তেওঁ কাম শেষ কৰিছিল। বাইবেলে কৈছে, "খ্ৰীষ্ট আমাৰ পাপৰ নিমিত্তে মৰিল... তেওঁক মৌদাম দিয়া হ'ল" (১ম কৰিন্থীয়া ১৫:৩-৪পদ)। কিন্তু তিনি দিনৰ পিছত আটাইতকৈ আচৰিত কামটো হৈছিল, ঈশ্বৰে তেওঁক পুনৰ জীৱন দিছিল। তেওঁ যীচু খ্ৰীষ্টক মৃত্যুৰ পৰা জীৱিত কৰি তুলিছিল। যীচু খ্ৰীষ্ট জীৱিত ত্ৰাণকৰ্ত্তা (১ম কৰিন্থীয়া ১৫:৪ পদ)। তেওঁ আপোনাৰ ত্ৰাণকৰ্ত্তা হ'ব বিচাৰে (সিদ্ধান্তৰ ক্ষেত্ৰত ব্যক্তি গৰাকীৰৰ মতামত সুধক আৰু তেওঁক নিমন্ত্ৰণ কৰক আৰু যীচু খ্ৰীষ্টক গ্ৰহণ কৰিবলৈ প্ৰাৰ্থনা কৰিবলৈ কওক।)

**পৰিস্কাৰ পৃষ্ঠাখনলৈ যাওক**

(যীচু খ্ৰীষ্টক তেওঁৰ ব্যক্তিগত ত্ৰাণকৰ্ত্তা স্বৰূপে বিশ্বাস কৰিবলৈ শুনোতা গৰাকীৰ দৃঢ়তাৰ বিষয়ে বুজাবলৈ এই পৃষ্ঠাটি ব্যৱহাৰ কৰক।)

এই পৃষ্ঠাটিয়ে মোক সুৱাঁৰাই দিয়ে যে, আপুনিও পাপৰ পৰা পৰিস্কাৰ হ'ব পাৰে (গীতমালা ৫১:৭ পদ)। এই বিষয়ে ঈশ্বৰে বাইবেলত আমাক কয়। (ব্যক্তিজনক গোটেই পদটি আপোনাৰ লগত পঢ়িবলৈ দিয়ক।) "কাৰণ ঈশ্বৰে জগতক ইমান প্ৰেম কৰিলে, যে, তেওঁৰ একমাত্ৰ পুত্ৰকে দান কৰিলে, যাতে যি কোনোৱে তেওঁত বিশ্বাস কৰে, তেওঁ নমৰে কিন্তু অনন্ত জীৱন পায়" (যোহন ৩:১৬ পদ)। হয়, ঈশ্বৰে আপোনাক প্ৰেম কৰে। ঈশ্বৰে কৈছে যে, আপুনি যদি যীচু খ্ৰীষ্টত বিশ্বাস কৰে আপুনি নষ্ট নহ'ব— আপুনি চিৰদিনৰ কাৰণে ঈশ্বৰৰ পৰা পৃথক হৈ নাযাবা তেওঁ আপোনাৰ পাপবোৰ ক্ষমা কৰিব আৰু ঈশ্বৰৰ দৃষ্টিত আপোনাক পৰিস্কাৰ কৰিব। ঈশ্বৰে কৈছে, "যিকোনোৱে বিশ্বাস কৰে।" আমি আপোনাৰ নামটো "যিকোনোৰ" ঠাইও দিব পাৰোঁ। আপুনি যদি যীচু খ্ৰীষ্টক আপোনাৰ ত্ৰাণকৰ্ত্তা স্বৰূপে বিশ্বাস কৰে, তেওঁ আপোনাক অনন্ত জীৱন দিব। ঈশ্বৰৰ লগত স্বৰ্গত নিবাস কৰিবলৈ আপোনাক অনন্ত জীৱন দিব। ঈশ্বৰৰ লগত স্বৰ্গত নিবাস কৰিবলৈ আপোনাক তেনেধৰণৰ জীৱন লাগিব। আপুনি  যদি প্ৰভু যীচু খ্ৰীষ্টক আপোনাৰ ত্ৰাণকৰ্ত্তা স্বৰূপে বিশ্বাস কৰে তেওঁ আপোনাৰ পাপবোৰ ক্ষমা কৰিব। আৰু তেওঁ সদায় আপোনাৰ লগত থাকিব আৰু ঈশ্বৰৰ বাধ্য হ'বলৈ আপোনাক শক্তি দিব। আপুনি যীচু খ্ৰীষ্টক আজিয়েই কব পাৰে যে আপুনি পাপ কৰিছে আৰু আপুনি বিশ্বাস কৰে যে তেওঁ আপোনাৰ কাৰণে মৃত্যুবৰণ কৰিলে। বাইবেলে কৈছে যে আপুনি যদি আপোনাৰ পাপৰ  কাৰণে অনুতাপ কৰে (তাৰ অৰ্থ পাপৰ পৰা ঘুৰি পাপলৈ পিঠি দিয়া) তেতিয়া তাক ধুই পৰিস্কাৰ কৰা হ'ব (পাঁচনি কৰ্ম্ম ৩:১৯ পদ)। ই পুনৰ উল্লেখ কৰে যে আপুনি যদি প্ৰভু যীচু খ্ৰীষ্টত বিশ্বাস কৰে আপুনি উদ্ধাৰ পাব (পাঁচনিকৰ্ম্ম ১৬:৩১ পদ)। এই কামটো আপুনি এতিয়াই মোৰ লগত কৰিব বিচাৰে নে? (যদি উত্তৰটো হয় বুলি দিয়ে, তেতিয়া শুনি থকা ব্যক্তিজনে যীচু খ্ৰীষ্টক ত্ৰাণকৰ্ত্তা বুলি গ্ৰহণ কৰিবলৈ তেওঁৰ লগত প্ৰাৰ্থনা কৰক।)



**সেউজীয়া ৰঙৰ পৃষ্ঠালৈ যাওক**

(আত্মিক বৃদ্ধিৰ বিষয়ে দৃঢ়ভাবে বুজাবলৈ এই পৃষ্ঠাটি ব্যৱহাৰ কৰক।)

সেউজীয়া ৰঙে মোক বৃদ্ধি হৈ থকা বস্তুবোৰৰ বিষয়ে, যেনে পাত, ঘাঁহবন, ফুলবোৰ, গছৰ বিষয়ে সুৱৰাই দিয়ে। এই পৃষ্ঠাই মোক নতুন জীৱনৰ বিষয়ে সুঁৱৰাই

দিয়ে, অনন্ত জীৱন, যি আপুনি ঈশ্বৰৰ পৰা লাভ কৰিলে। আপুনি যেতিয়া প্ৰভু যীচু খ্ৰীষ্টক আপোনাক পাপৰ পৰা উদ্ধাৰ কৰোঁতা বুলি বিশ্বাস কৰে তেতিয়া ঈশ্বৰৰ পৰিয়ালত আপুনি নতুনকৈ জন্মা কেচুৱাৰ দৰে। আপুনি বিশেষ ধৰণে বৃদ্ধি হোৱাতো ঈশ্বৰে বিচাৰে। বাইবেলে আপোনাক কৈছে, “আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্ত্তা যীচু খ্ৰীষ্টৰ অনুগ্ৰহত আৰু জ্ঞানত বাঢ়ি বাঢ়ি যোৱা” (২য় পিতৰ ৩:১৮ পদ)।

আপুনি বাইবেলৰ পৰা যীচু খ্ৰীষ্টৰ বিষয়ে অধিককৈ শিকিলে আপুনি পাপৰ পৰা আঁতৰি থাকিবলৈ শিকিব (গীতমালা ১১৯:১১ পদ)। প্ৰতি দিনেই তেওঁৰ ওচৰত সহায় বিচাৰক যাতে তেওঁৰ বাধ্য হ'ব পাৰে। আপুনি পাপ কৰিলে, ঈশ্বৰক কওক যে আপুনি পাপ কৰিলে। তেওঁ তৎক্ষণাতে আপোনাক ক্ষমা কৰিব। বাইবেলে কৈছে, “... আমি যদি ঈশ্বৰৰ আগত আমাৰ পাপবোৰ স্বীকাৰ কৰোঁ, তেন্তে বিশ্বাসী আৰু ধাৰ্ম্মিক যি তেওঁ, তেওঁ নিজৰ প্ৰতিজ্ঞা অনুসাৰে, যি ন্যায় তাকে তেওঁ কৰিব, তেওঁ আমাৰ পাপবোৰ ক্ষমা কৰিব, আৰু সকলো অধাৰ্ম্মিকতাৰ পৰা আমাক শুচি কৰিব (১ম যোহন ১:৯ পদ)। সেই ভুল কামটো পুনৰ নকৰিবলৈ তেওঁৰ সহায় বিচাৰক।

(সহায় কৰিবলৈ ঈশ্বৰৰ যি প্ৰতিজ্ঞা তাৰ কাৰণে ধন্যবাদ দিবলৈ ব্যক্তিজনক সহায় কৰি আগবঢ়াই নিয়ক।)

১। ঈশ্বৰৰ লগত কথোপকথন কৰক— প্ৰাৰ্থনা (১ম থিচলনীকীয়া ৫:১৭ পদ)। বাইবেলে নিৰন্তৰে প্ৰাৰ্থনা কৰিবলৈ কৈছে।

২। ঈশ্বৰক শুণক—পঢ়া আৰু মুখস্থ কৰা দ্বাৰাই ঈশ্বৰৰ বাক্য শিকক (গীতমালা ১১৯:১১ পদ)।

৩। ঈশ্বৰৰ কাৰণে কথা কওঁক— তেওঁৰ বিষয়ে—সাক্ষী বা আনৰ আগত কওক (মাৰ্ক ১৬:১৫ পদ)।

৪। ঈশ্বৰৰ আৰাধনা কৰক—চান্দেস্কুল, মণ্ডলীৰ উপাসনা আৰু সৰু দলবোৰলৈ যাওঁক (ইব্ৰী ১০:২৫ পদ)।

**ব্যক্তিজনে গুচি যোৱা আগতে,**

১। ব্যক্তিজনক ট্ৰেক্ট বা লিখিত পাঠ্যক্ৰম (Corrspohdence Coure) দিব।

২। প্ৰভু যীচু খ্ৰীষ্টই তেওঁৰ কাৰণে যি কৰিলে তাৰ কাৰণে ‘ধন্যবাদক’ প্ৰাৰ্থনা কৰিবলৈ দিয়ক।

৩। নতুন বিশ্বাসীজনৰ লগত প্ৰাৰ্থনা কৰক আৰু তেওঁকো প্ৰাৰ্থনা কৰিবলৈ দিয়ক।

৪। যোগাযোগ ৰাখিব কাৰণে তেওঁৰ নাম আৰু ঠিকনা ৰাখক।

(শব্দহীন কিতাপখনৰ নিৰ্দ্দেশাৱলী "চাইল্দ্ ইভানজেলিজিম ফেলশ্বিপ'ৰ" যোগেদি প্ৰাপ্ত।)

**আলোচনাৰ কৰাণে প্ৰশ্ন**

১। শুভবাৰ্তা বিলাই দিয়া ক্ষেত্ৰত আপুনি ফলোদায়কভাবে ব্যৱহাৰ কৰিব পৰা কোনটো পথ অতি সহজ আৰু কিয়?

২। শব্দহীন কিতাপখন সাক্ষী দিয়া ক্ষেত্ৰত ব্যৱহাৰ কৰিবলৈ কেনে ধৰণৰ ঠাই আৰু সময় আপুনি মনোনীত কৰিব?

প্ৰাৰ্থনা

*হে স্বৰ্গত থকা পিতৃ সাক্ষী দি শুভবাৰ্তাখন বিলাই দিয়া ক্ষেত্ৰত এই পদবোৰ মুখস্থ কৰিবলৈ মোক সহায় কৰক। মোৰ ওচৰলৈ এনেবোৰ ব্যক্তি পঠাওক যি সকলে শুনিবলৈ আৰু পৰিত্ৰাণ গ্ৰহণ কৰিবলৈ কোমল হৃদয়ৰ হ'ব। আমেন।*

## টোকা

# ৮ চমৰীয়া মহিলাগৰাকী প্ৰাণ জয় কৰোঁতা সাক্ষী

**মুখ্য পদ : ৰোমীয়া ১:১৬ পদ**

"শুভবাৰ্ত্তাত মই লাজ নাপাঁও, কাৰণ প্ৰথমতে যিহূদী, তাৰ পাচত পৰজাতি বিলাকলৈ, বিশ্বাস কৰা প্ৰতিজনলৈ পৰিত্ৰাণৰ অৰ্থে এয়ে ঈশ্বৰৰ বাক্য।"

**চমৰীয়া মহিলাৰ বিষয়ে শাস্ত্ৰৰ অংশ :** যোহন ৪:৪-৪২ পদ।

**প্ৰস্থাৱনা**

১। এক ঐশ্বৰিক সাক্ষাতৰ কাৰণে চমৰীয়াৰ মাজেদি যাবলৈ পবিত্ৰ আত্মাই যীচু খ্ৰীষ্টক বাধ্য কৰাইছিল।

২। যিহূদী যাত্ৰা সকলে সাধাৰণতে চমৰীয়াৰ মাজেদি ন'গৈ—ছয় দিনৰ যাত্ৰা কৰি চমৰীয়াৰ বাহিৰেদি গৈছিল— তেওঁলোকৰ লগত কোনো ধৰণৰ সংযোগ নকৰিবলৈ। তেওঁলোক বিশুদ্ধ যিহুদী নোহোৱা কাৰণে তেওঁলোকক নিম্ন স্তৰৰ লোক বুলি বিবেচনা কৰিছিল। কিয়নো তেওঁলোকে পৰজাতি সকলৰ লগত বিবাহ কৰাইছিল।



৩। এগৰাকী মহিলাৰ লগত জীৱন পৰিবৰ্ত্তন কৰা সাক্ষাৎ কৰিবলৈ যীচু খ্ৰীষ্টই তেওঁৰ শিষ্যসকলৰ লগত ৪২ মাইল খোজ কাঢ়ি গৈছিল।

মহিলাসকলৰ জীৱনৰ ওপৰত যীচু খ্ৰীষ্টই দিয়া উচ্চখাপৰ মূল্যৰ বিষয়ে এই কাহিনীয়ে প্ৰকাশ কৰে।

**চমৰীয়া মহিলা গৰাকীৰ জীৱনৰ পৰা লাভ কৰা, প্ৰাণ জয় কৰোঁতাৰ চৰিত্ৰসমূহ।**

**১। প্ৰাণ-জয় কৰোঁতা গৰাকী পাপী যিজনাই যীচুখ্ৰীষ্টত পৰিত্ৰাণ বিচাৰি পালে (পাঁচনি কৰ্ম্ম ৪:১২ পদ)।**

ক) চমৰীয়া মহিলা গৰাকীয়ে আমাক সকলোকে প্ৰতিনিধিত্ব কৰে, শাস্ত্ৰই আনকি তেওঁৰ নামটোও উল্লেখ নকৰে।

খ) তেওঁ বহুতো প্ৰতিবন্ধকৰ সম্মুখীন হৈছিল :

- **বংশ / জাতি** : তেওঁ এগৰাকী চমৰীয়া আছিল (৯ পদ)।
- **সামাজিক** : তেওঁ এটা দলৰ আছিল (চমৰীয়া), যিসকলে যিহূদীসকলতকৈ বেলেগ ধৰণে আৰাধনা কৰিছিল (২১-২৩ পদ)।
- তেওঁৰ লগত কথোপকথন কৰোতে যীচু খ্ৰীষ্টই এই সকলো প্ৰতিবন্ধকক অগ্ৰাহ্য কৰিছিল।

গ) তেওঁৰ জটিল নৈতিক সমস্যা আছিল (১৬-১৮ পদ)।

- তেওঁ দুখজনকভাবে পাপৰ গোলাম আছিল।
- তেওঁৰ সম্বন্ধবোৰে তেওঁৰ প্ৰাণৰ হেপাঁহবোৰক তৃপ্ত কৰিব পাৰা নাছিল (গীতমালা ৩৮:৪ পদ)।

ঘ) যীচুখ্ৰীষ্টৰ লগত হোৱা এটা সাক্ষাতকাৰেই তেওঁ জীৱন চিৰদিনৰ কাৰণে সলনি কৰিছিল।

- সহজভাবে যীচুৱে তেওঁৰ সকলো প্ৰশ্নৰ উত্তৰ দিছিল (১২-২৬ পদ)।
- যীচু খ্ৰীষ্টই তেওঁৰ আগত সত্যক প্ৰকাশ কৰিছিল (২৪ পদ)।
- তেওঁৰ ত্ৰাণকৰ্ত্তাৰ প্ৰয়োজনীয়তা যীচুৱে পূৰ্ণ কৰিছিল (২৬ পদ)।

ঙ) তেওঁৰ প্ৰয়োজনীয় এটা বস্তু যীচু খ্ৰীষ্টই তেওঁক দিবলৈ আহিছিল ঃ পৰিত্ৰাণ— এটি নতুন জীৱনঙ্গ চমৰীয়া মহলিাগৰাকীৰ লগত সাক্ষাৎকাৰৰ ক্ষেত্ৰত যীচু খ্ৰীষ্ট প্ৰাণ জয় কৰোঁতাৰ ফলোদায়ক উদাহৰণ আছিল।

- যীচু খ্ৰীষ্টই তেওঁৰ অস্তিত্বক পৰিবৰ্ত্তন কৰিছিল—তেওঁক সমাজ বাহিৰ কৰা প্ৰত্যেকজনৰ ওচৰলৈ প্ৰচাৰ কৰিবলৈ গৈ তেওঁ সকলো প্ৰতিবন্ধকক অতিক্ৰম কৰিছিল। (২৮-২৯ পদ)।
- যীচু খ্ৰীষ্টই তেওঁৰ **জীৱনৰ উদ্দেশ্য** সলনি কৰি পেলাইছিল—এতিয়া তেওঁৰ প্ৰধান উদ্দেশ্য আছিল সাক্ষ্য দিয়া (৩৯ পদ)।
- যীচু খ্ৰীষ্টই তেওঁৰ **পৰিবেশক** পৰিবৰ্ত্তন কৰিছিল— তেওঁৰ গোটেই গাঁওখনেই বিশ্বাসী হৈ পৰিছিল (৪২ পদ)
- অৱশেষত, যীচু খ্ৰীষ্টই তেওঁৰ শিষ্যসকলক তেওঁৰ উপস্থিতি দিয়ে (যাত্ৰাপুস্তক ৩৩:১৪; মথি ১:২৩ পদ), আৰু সেইটোৱেই তেওঁলোকক প্ৰাণ-জয় কৰোঁতা কৰে।

**২। এগৰাকী প্ৰাণ-জয় কৰোঁতা হৈছে এগৰাকী বিশ্বাসী, জীৱন জল যীচু খ্ৰীষ্টত তৃপ্ত (যোহন ৪:১০-১৫ পদ)।**

ক) বিশ্বাসীসকলে যীচু খ্ৰীষ্টত প্ৰকৃত তৃপ্তি বিচাৰি পায় কিয়নো অনন্ত মৃত্যুৰ পৰা তেওঁলোকক উদ্ধাৰ কৰিবলৈ (১০ পদ) তেঁৱেই হৈছে ঈশ্বৰে দিয়া উপহাৰ (১০ পদ, যোহন ৩:১৬; কৰিন্থীয়া ৯:১৫ পদকো চাওক) যিজনে এনে তৃপ্তি লাভ কৰে তেওঁ আনৰ লগত এই শুভবাতৰি বিলাই দিয়াত উৎসাহি হ'য় (২৮-২৯ পদ)।

খ) জীৱনৰ কাৰণে পানী অতি প্ৰয়োজনীয়। মানুহৰ শৰীৰৰ আৰু পৃথিবীখনৰ ৭০% পানীৰে পূৰ্ণ। যীচু খ্ৰীষ্টই নাদৰ পানীৰ উদাহৰণ দি ইয়াকে বুজাবলৈ দিছিল যে, তেওঁ দিয়া পৰিত্ৰাণৰ যোগেদি বিশ্বাসীয়ে যি তৃপ্তি লাভ কৰে। যীচু খ্ৰীষ্টই সম্পূৰ্ণ পৰিত্ৰাণ দিয়ে কিয়নো তেওঁ

- **জীৱন জল (১০ পদ)।** যীচুৱে অনন্ত জীৱন দিয়ে (১৪ পদ)।
- **পৰিপূৰ্ণতাৰ পানী (১৩ পদ)।** আমাৰ আত্মিক পিয়াহ একমাত্ৰ যীচু খ্ৰীষ্টই তৃপ্ত কৰিব পাৰে। যি গৰাকী তেওঁলৈ আহে তেওঁ কেতিয়াও আত্মিকভাবে ভোকাতুৰ নহ'ব, আৰু যি গৰাকীয়ে তেওঁত বিশ্বাস কৰে তেওঁৰ আত্মিকভাবে কেতিয়াও পিয়াহ নালাগীব (যোহন ৬:৩৫ পদ)।

- **শুদ্ধিকৰণ, জীৱন পৰিবৰ্ত্তন কৰা পানী। (১৬-১৯ পদ)** যীচু খ্ৰীষ্টৰ লগত চমৰীয়া মহিলা গৰাকীৰ সাক্ষাতে তেওঁক সম্পূৰ্ণৰূপে পৰিবৰ্ত্তন কৰিলে, পাপৰ পৰা শুদ্ধিকৰণ কৰিলে। এই পৰিবৰ্ত্তন দেখা যায়, কিয়নো যদিও তেওঁক সামাজিকভাবে গ্ৰহণ কৰা হোৱা নাছিল (অসময়ত অকলে নাদৰ পানী তুলিবলৈ অহা), কিন্তু যীচু খ্ৰীষ্টৰ বাতৰিটো গোটেই খন গাঁৱত বিলাবলৈ তেওঁ গ'ল (২৮-২৯ পদ)। আজিও যীচু খ্ৰীষ্টৰ তেজে আমাক সকলো পাপৰ পৰা শুচি কৰে আৰু আমাক এক নতুন সৃষ্টি কৰে (২য় কৰন্থীয়া ৫:১৭ পদ)।
- **উপচি পৰা পানী (১৪ পদ)।** যি পানী বা জল (তৃপ্তি) যীচু খ্ৰীষ্টই দিয়ে বিশ্বাসীৰ জীৱনত পানীৰ ভুমুক হৈ উপচি পৰে (যোহন ৭:৩৭-৩৯ পদ)। যেতিয়া বিশ্বাসীয়ে পবিত্ৰ আত্মা গ্ৰহণ কৰে তেতিয়া যীচু খ্ৰীষ্টই তেওঁলোকৰ কাৰণে জীৱন-দিয়া দৃঢ় উৎস হৈ পৰে।

**৩। প্ৰাণ-জয় কৰোঁতা জন সেইজন যিজনৰ বাণী আছে (যোহন ৪:২৯ পদ)।** প্ৰাণ-জয় কৰোঁতা গৰাকী যীচু খ্ৰীষ্টৰ দ্বাৰাই উদ্ধাৰ পাই, আৰু প্ৰতিটো মুহূৰ্ত্ততে তেওঁতে সন্তোষ্ট হৈ, চমৰীয়া মহিলা গৰাকীৰ দৰে, আনৰ আগত বিলাই দিবলৈ এক বাণী আছে :

ক) **সত্যৰ বাণী :** "আপোনালোকে আহি এজন মানুহক চাওক চোন, যিজনে মই মোৰ জীৱনত কৰা সকলো কৰ্ম্মৰ কথা মোক ক'লে" (২৯ পদ)। তেওঁ ভালদৰে জানিছিল যে যীচু খ্ৰীষ্টই যি কথা কৈছিল সেয়া সত্য আছিল। যি জনা সত্য (যোহন ১৪:৬ পদ) সেই যীচু খ্ৰীষ্টৰ বাণী আমাৰ আছে।

খ) **আশাৰ বাণী :** ".... তেৱেঁই মচীহ নে কি?" (২৯ পদ) মচীহজনা তেওঁলোকৰ গাঁৱলৈ অহা শুভবাতৰি তেওঁৰ আছিল। প্ৰকৃতকে চমৰীয়া সকল, যিসকলে আত্মিক অন্ধকাৰ, বিধান আৰু নিয়ম-নীতিৰ বন্ধনত আছিল, তেওঁলোকে আগ্ৰহেৰে মচীহজনালৈ বাট চাই আছিল। তেওঁলোকৰ কাৰণে তেওঁ আশাৰ বাণী কঢ়িয়াই আনিছিলঃ তেওঁ মচীহজনা হ'ব পাৰেঙ্গ

নিশ্চয়ে তেৱেঁই হয় (২৬ পদ)।

গ) **প্ৰত্যাহবানৰ বাণী :** "…. তেৱেঁই মচীহ্ নে কি?" (২৯ পদ) তেওঁলোকক ভাবিবলৈ আৰু কৰিবলৈ তেওঁ তেওঁলোকক উৎসুকতাক প্ৰেৰিত কৰিছিল।

ঘ) **নিমন্ত্ৰণ বাণী :** "আপোনালোকে আহি এজন মানুহক চাওকচোন…' (২৯ পদ)। তেওঁ তেওঁৰ সত্য, আশা আৰু প্ৰত্যাহবানৰ বাণীৰে তেওঁলোকক নিমন্ত্ৰণ কৰিছিল যীচুৰ ওচৰলৈ আহি ব্যক্তিগতভাবে তেওঁৰ অভিজ্ঞতা লাভ কৰিবলৈ।

**৪। এগৰাকী প্ৰাণ-জয় কৰোঁত, উৎসাহী সাক্ষী (যোহন ৪:২৮ পদ)**

ক) **আনন্দিত (২৮ পদ)।** চমৰীয়া মহিলা গৰাকীৰ আনন্দেৰে ইমান পূৰ্ণ হৈছিল যে, তেওঁ নিজৰ পানী পাত্ৰটি এৰি থৈ গৈছিল। জীৱিত পানীক (যীচু) তেওঁ গ্ৰহণ কৰিছিল। তেওঁ পৰিস্কৃত, পৰিপূৰ্ণ আৰু অনন্ত লাভৰ দ্বাৰাই আনন্দেৰে উপচি পৰিছিল।

খ) **সাহসী (২৮ পদ)।** যদিও তেওঁৰ পৰিচয় সেই ঠাইত বেয়া আছিল, তথাপি তেওঁ নিজৰ নগৰলৈ উভতি গৈছিল। যিসকলে তেওঁক সমাজৰ বাহিৰ কৰিছিল সেইসকলৰ ওচৰলৈকে তেওঁ উভতি গৈছিল।

গ) **নিৰ্ভীক (২৯ পদ)।** তেওঁলোকক তেওঁ প্ৰত্যাহ্বান জনাইছিল "আহি…. চাওক চোন।" তেওঁ ঘোষণা কৰিছিল যে, যীচুৱেই খ্ৰীষ্ট জনা হ'ব পাৰে, আৰু তেওঁলোকক যীচুখ্ৰীষ্টৰ ওচৰলৈ আনিবলৈ তেওঁলোকৰ উৎসুকতাত তেওঁ নিৰ্ভৰ কৰিছিল।

ঘ) **লাজহীন (২৯ পদ)।** তেওঁ কৈছিল, "… যিজনে মই কৰা সকলো কৰ্ম্মৰ কথা মোক ক'লে।" এই উক্তিৰে তেওঁ কৰা কৰ্ম্মৰ কথা স্বীকাৰ কৰিছিল, যিবোৰ কাম যীচু খ্ৰীষ্টৰ দ্বাৰা পৰিস্কৃত হোৱা আগতে তেওঁৰ কাৰণে লজ্জাজনক হ'লহেতেন। তেওঁৰ পৰিবৰ্ত্তনৰ বিষয়ে সাক্ষ্য দিবলৈ তেওঁ লাজহীন আছিল।

ঙ) **উৎসাহ (২৯ পদ)।** তৎক্ষণাতে তেওঁ সাক্ষী দিলে। তেওঁ সময় নষ্ট নকৰিলে। তেওঁ কাৰো লগত আলোচনা নকৰিলে। তেওঁৰ নিভীকতাৰ পৰিনামক তেওঁ ভয় কৰা নাছিল। সঠিক সময়ত তেওঁ কামটো কৰিলে— যীচু খ্ৰীষ্টই আন এখন নগৰলৈ গৈ আছিল।

চ) **ফলৱান (৩৯-৪২ পদ)।** তেওঁৰ সাক্ষ্যৰ কাৰণে, তেওঁৰ গাঁৱৰ অনেক চমৰীয়াই বিশ্বাস কৰি যীচু খ্ৰীষ্টৰ ওচৰলৈ আহিছিল। তেওঁ চমুকৈ তেওঁলোকক নিজেই শিষ্যা/শিষ্য কৰিছিল, সেই কাৰণে তেওঁলোকৰ বিশ্বাস ব্যক্তিগত হৈছিল। তেওঁলোকৰ বিশ্বাস মহিলা গৰাকীত নহয় কিন্তু যীচু খ্ৰীষ্টত আছিল। এয়ে উত্তম সাক্ষীৰ এটা চিন—যীচু খ্ৰীষ্টত উদ্ধাৰ কৰা বিশ্বাসলৈ লোকবিলাকক ব্যক্তিগতভাৱে লৈ আহে।

**আলোচনাৰ কাৰণে প্ৰশ্ন**

১। তেওঁৰ পাপময় জীৱন পদ্ধতিৰ কাৰণে চমৰীয়া মহিলাগৰাকীয়ে তেওঁৰ সমাজৰ পৰা বিচাৰৰ সন্মুখীন হ'ব লগা হৈছিল। যীচু খ্ৰীষ্টই তেওঁক সাক্ষ্য দিবলৈ সেই প্ৰতিবন্ধকক অতিক্ৰম কৰিছিল। শুভবাৰ্ত্তা বিলাই দিয়া প্ৰচেষ্টাৰ ক্ষেত্ৰত সংস্কৃতিৰ দ্বাৰাই সৃষ্টি হোৱা প্ৰতিবন্ধকবোৰক কি দৰে অতিক্ৰম কৰিব?

২। চমৰীয়া মহিলাগৰাকীৰ দৰে, অগ্ৰহী সাক্ষীৰ ক্ষেত্ৰত এগৰাকী ব্যক্তিৰ ছ'টা গুণ কি? আপুনি আগ্ৰহী সাক্ষী নে? কিয় বা কিয় নহয়?



**প্ৰাৰ্থনা**

*হে প্ৰভু মোক ফলবান প্ৰাণ-জয় কৰোঁতা কৰক, আনন্দেৰে পূৰ্ণ হ'বলৈ মোক সহায় কৰক, আৰু সকলোকে নিৰ্ভীকভাৱে আৰু সাহসেৰে কবলৈ যে, যীচু খ্ৰীষ্টৰ বিষয়ে জানো, যি জনা জীৱিত জল। তাৰ পিছত শিষ্যা /শিষ্য গঢ়োতা হ'বলৈ মোক সহায় কৰক আৰু যিসকলক মই শিষ্যা/ শিষ্য ৰূপে গঢ়িছো তেওঁলোকক বৃদ্ধি হৈ উত্তম ফল ধাৰণ কৰিবলৈ সহায় কৰক। আমেন।*

# ৯ নয়মী আৰু ৰূথ
## উত্তম শিষ্যাত্বৰ কাৰণে শিক্ষা দিয়া

**মুখ্য পদ : তীত ২:৩-৪ পদ**

"সেই একেদৰে বয়সীয়া তিৰোতাসকলে পবিত্ৰ জীৱন যাপন কৰিব লাগে। তেওঁলোক অপবাদিকা, বা দ্ৰাক্ষাৰসৰ দাসী হ'ব নালাগে... তাৰ বাবে তেওঁলোকে যুৱতী তিৰোতাবিলাকক শিক্ষা দিব লাগে...।"

**শাস্ত্ৰৰ অংশ : ৰূথৰ পুস্তক**

**প্ৰস্থাৱনা**

১। শিষ্যা/শিষ্যত্বৰ মূলতত্বৰ আৰ্হি যীচু খ্ৰীষ্টৰ দ্বাৰাই কৰা হৈছিল। তেওঁ বাৰ গৰাকী শিষ্যক মনোনীত কৰিছিল, কিন্তু তাৰে মাজত তিনি গৰাকীক বেছি ওচৰৰ শিষ্য ৰূপে মনোনীত কৰিছিল (পিতৰ, যাকোব আৰু যোহন)। তেওঁলোকে অতি কম সময়ৰ কাৰণেহে একেলগে আছিল, কিন্তু ই বৰ মূল্যবান সময় আছিল।

২। শিষ্যা/শিষ্য গঢ়োতা এগৰাকীৰ লক্ষ্য হৈছে উপযুক্ত চলাওঁতাসকলক বৃদ্ধিৰ কাৰণে উৎসাহিত কৰা আৰু তেওঁলোকক পৰিচৰ্য্যা কাৰ্য্যৰ কাৰণে সজ্জিত কৰা (২য় তীমথি ৪:১-২ পদ)। শিষ্যা/শিষ্য গঢ়োতাৰ আন এটা নাম হৈছে সুবিজ্ঞ উপদেশ দিওঁতা যাৰ সূত্ৰ এইদৰে দিয়া হৈছে, "এগৰাকী জ্ঞানী, বা বিশ্বাসযোগ্য শিক্ষক বা পৰামৰ্শ দিওঁতা।" যিজনক শিক্ষা দিয়া যায় তেওঁক শিষ্যা বা শিষ্য বুলি জনা যায়।

৩। বাইবেলৰ ৰূথৰ (শিষ্যা) পুস্তকখনক লক্ষ্য কৰিলে, আৰু নয়মীৰ (উপদেশক/শিক্ষক) লগত তেওঁৰ সম্বন্ধৰ বিষয়ে অধ্যয়ন কৰিলে এই তত্বৰ উদাহৰণ পোৱা যায়।

**এগৰাকী উত্তম উপদেশক/শিক্ষকৰ চৰিত্ৰসমূহ**

১। এগৰাকী উত্তম উপদেশক/শিক্ষকে **সাংস্কতিক/সামাজিক প্ৰতিবন্ধকবোৰক আওকাণ** কৰে (১:৩-৪ পদ)। নয়মী যিহূদী আছিল, ৰূথ মোৱাবীয় আছিল।

ক) জাতিগত, সামাজিক আৰু সাংস্কৃতিক প্ৰতিবন্ধকবোৰ আমাৰ জগতৰ এটা অংশ, কিন্তু এইবোৰ ঈশ্বৰৰ ৰাজ্য অংশ হোৱা অনুচিত।

খ) ঈশ্বৰৰ ৰাজ্যৰ বিধান হৈছে প্ৰেম। প্ৰেমে আমাক সকলোৰে ওচৰলৈ যাবলৈ বাধ্য কৰে, আনকি তেওঁলোকলৈকো যিসকল আমাৰ দৰে নহয়।

গ) কাৰোবাৰ উপদেশক বা শিক্ষক হ'বলৈ যাঁওতে, ব্যক্তিজনক ঈশ্বৰৰ দৃষ্টিৰে চোৱা উচিত, যিজনা সাংস্কৃতি বা জাগতিক প্ৰতিবন্ধকৰ প্ৰতি অন্ধ (২য় পিতৰ ৩:৯ পদ)।

২। এগৰাকী উত্তম উপদেশক বা শিক্ষকৰ **দুৰদৃষ্টি আৰু লক্ষ্য থাকে (১:৬-৭ পদ)।** নয়মীয়ে জানিছিল তেওঁ ক'লৈ যাব—তেওঁ যিহূদালৈ উভতি গৈ আছিল।

ক) উপদেশক/শিক্ষকৰ মনত এক লক্ষ্যস্থান হোৱা উচিত। এই সম্বন্ধৰ হেপাঁহৰ অন্তিম ফলাফল কি (হিতোপদেশ ২৯:১৮ পদ)?

খ) শিষ্যাত্ব হৈছে নিজৰ উন্নতিতকৈ ওপৰত, ই হৈছে কাৰোবাক যীচু খ্ৰীষ্টৰ দৰে হ'বলৈ শিক্ষা দিয়া (২য় কৰিন্থীয়া ৩:১৮ পদ)।

৩। উত্তম উপদেশক শিক্ষকৰ **নিজৰ সংকল্প থাকে। (১:৮-৯ পদ)।** অৰ্পা আৰু ৰূথে কি কৰিব তাক মনোনীত কৰিবলৈ নয়মীয়ে অনুমতি দিছিল।

ক) মানুহে কি কৰিব তাক মনোনীত কৰিবলৈ ঈশ্বৰে মানুহক অধিকাৰ দিছিল (২য় বিৱৰণ ৩০:১৯ পদ)।

খ) উপদেশক /শিক্ষকৰ ই কৰ্ত্তব্য নহয় যে তাক বলপূৰ্বকভাবে জাপি দিব।

গ) উত্তম উপদেশক/শিক্ষকে শুদ্ধ পথটি পৰিস্কাৰকৈ দেখাই দিয়ে আৰু শিক্ষাৰ্থীক সেই পথ মনোনীত কৰিবলৈ বা অগ্ৰাহ্য কৰিবলৈ সিধান্ত কৰিলৈ অনুমতি দিয়ে।

৪। উত্তম উপদেশক/শিক্ষকে **ঐশ্বৰিক দৃশিষ্টকোণৰ অনুশীলন কৰে**। **(২:১৯ পদ)।** নয়মীয়ে ৰূথক নিজৰ কথা কবলৈ উৎসাহিত কৰিলে।

ক) অজ্ঞানী কৰ্ম্মৰ অহিতে শিক্ষাৰ্থীক মৰমেৰে পৰামৰ্শ দি উপদেশক/শিক্ষকে তেওঁলোকৰ লগত যোগাযোগ ৰাখে।

খ) উত্তৰ দিয়াৰ উদ্দেশ্য দমন কৰা কাৰণে নহয়, কিন্তু শিক্ষা দিয়া আৰু লালন পালন কৰা কাৰণেহে হয়।

৫। উত্তম উপদেশক/ শিক্ষকে **নিজৰ জ্ঞান আৰু বুদ্ধিক বিলাই দিয়ে**। **(২:২০ পদ)।** নয়মীয়ে যিহূদীসকলৰ সংস্কৃতি আৰু নিয়ম কাৰণবোৰ জানিছিল— ৰূথে জনা নাছিল। নয়মীয়ে এই তথ্য ৰূথক শিকাইছিল আৰু উপযুক্ত পদক্ষেপ লবলৈ চলাই নিছিল।

ক) উপদেশক/শিক্ষকসকলে তেওঁলোকৰ নিজৰ জ্ঞান আৰু কৌশল বৃদ্ধি কৰা উচিত যাতে নতুন জীৱনত প্ৰবেশ কৰা শিক্ষাৰ্থীজনক সেই জীৱনৰ লগত বুদ্ধিয়কৰ দৰে মিলি যোৱাত সহায় কৰিব পাৰে।

খ) ঈশ্বৰৰ বাক্যজনা আৰু তেওঁৰ লগত সময় অতিবাহিত কৰা পৰা জ্ঞান লাভ কৰা যায়, যিজনে জীৱন আৰু পৰিচৰ্য্যাৰ সকলো দিশতে অন্তদৃষ্টি দিব।

গ) উত্তম উপদেশকৰ অন্তিম লক্ষ্যটো হৈছে শিক্ষাৰ্থীজনক তেওঁলোকৰ নিজৰ নহয়, কিন্তু ঈশ্বৰৰ জ্ঞান আৰু বুদ্ধিত নিৰ্ভৰ কৰা।

৬। উত্তম উপদেশক/শিক্ষকে **ঐশ্বৰিক পৰামৰ্শ দিয়ে**। **(২:২২, ৩:-৪ পদ)।** ৰূথক পৰামৰ্শ দিবলৈ নয়মীয়ে নিজৰ জ্ঞান ব্যৱহাৰ কৰিলে।

ক) ঐশ্বৰিক পৰামৰ্শ একমাত্ৰ ঈশ্বৰৰ বাক্যৰ পৰা আহিব। শিষ্যা/শিষ্য কৰা ক্ষেত্ৰত মাত্ৰ মানবীয় জ্ঞান বা পৰ্য্যাবেক্ষণৰ ওপৰত ভিত্তি কৰি দিয়া উচিত নহয় (২:৬ পদ)।

খ) পৰামৰ্শ মাত্ৰ কোৱাই নহয়, কিন্তু শুনাৰ লগতো জৰিত (যাকোব ১:১৯ পদ)।

গ) উপদেশক/শিক্ষকগৰাকীৰ ঐশ্বৰিক জীৱনে শিক্ষাৰ্থীক তেওঁৰ অধিকাৰৰ প্ৰতি ধণাত্মকভাবে উত্তৰ দিবলৈ সহায় কৰে।

৭। এগৰাকী উত্তম উপদেশক/শিক্ষকৰ **চিন্তশীল হৃদয় থাকে। (৩:১ পদ)।** ৰূথৰ উন্নতিৰ কাৰণে নয়মীৰ চিন্তা আছিল।

ক) উপদেশক/শিক্ষকসকলে মনত ৰখা উচিত যে, শিক্ষাৰ্থীসকলৰ কাৰণে তেঁওলোক ঈশ্বৰৰ প্ৰেমৰ প্ৰতিনিধি আৰু মাধ্যম।

খ) পাপৰ অহিতে, হিতকাৰী আৰু কোমল চিত্ত আৰু ভয়হীন সতৰ্কবাণীয়ে প্ৰকৃত সমতা আনি দিব (ইফিচীয়া ৪:৩২ পদ)।

## উত্তম শিক্ষাৰ্থীৰ চৰিত্ৰসমূহ

১। উত্তম শিক্ষাৰ্থীয়ে উপদেশক/শিক্ষকৰ **প্ৰতি ভক্তিপূৰ্ণভাবে দেখায় (১:১৪-১৭ পদ)।** নয়মীৰ প্ৰতি ৰূথ সমৰ্পিত আছিল, তেওঁৰ প্ৰতি ৰূথে প্ৰেম, চিন্তা আৰু সম্মান প্ৰদৰ্শন কৰিছিল।

ক) আজীৱন মূৰ্তি পূজাক ত্যাগ কৰি নয়মীৰ ঈশ্বৰক সেৱা আৰাধনা কৰি তেওঁতেই সমৰ্পিত হবলৈ ইচ্ছুক আছিল (হিতোপদেশ ২৮:১৩; পাঁচনিকৰ্ম্ম ৩:১৯ পদ)।

খ) নিজৰ মাকৰ ঘৰলৈ নগৈ নয়মীৰ লগতে থাকিবলৈ মনোনীত কৰা হেপাঁহে ৰূথৰ প্ৰেম প্ৰকাশ হৈছিল (১ম পিতৰ ১:২২ পদ)

২। উত্তম শিক্ষাৰ্থীসকল **বাধ্য (৩:৫ পদ)।** নয়মীয়ে নিৰ্দ্দেশ দিয়া দৰে ৰূথে ঠিক সেইদৰে কৰিছিল।

ক) এটি বাধ্য হৃদয় এটি নম্ৰ হৃদয়ো হয়, আৰু শিষ্যা/শিষ্য সম্বন্ধৰ ক্ষেত্ৰত সফলতাৰ মূল চাবিকাঠি (গীতমালা ৫১:১০-১২ পদ)।

খ) ঈশ্বৰৰ ওচৰলৈ অহাসকলে অকল তেওঁলোকৰ চিন্তাৰে নহয়, কিন্তু তেওঁলোকৰ হৃদয়েৰে অহা উচিত (যোহন ৪:২৪ পদ)।

৩। উত্তম শিক্ষাৰ্থীৰ **নিজৰো ভাৱনা থাকে (২:২ পদ)।** পথাৰলৈ গৈ শস্য বুটলিব পাৰিব নেকি বুলি ৰূথে নয়মীক সুধিলে।

ক) যদিও আগতে কেতিয়াও চেষ্টা কৰা হোৱা নাই, তথাপিও শিক্ষাৰ্থীসকলৰ সৃষ্টিকামী আৰু নতুন চিন্তাধাৰা থাকিব লাগে (যিচয়া ৪৩:১৯ পদ)।

খ) কিবা এটা নতুন চেষ্টা কৰি, যদিও বিফল হোৱা যেন লাগে, তথাপি ই এই শিষ্যা/শিষ্য সকলে শিক্ষা লাভ কৰি বৃদ্ধি পোৱা এটি পথ।

৪। উত্তম শিক্ষাৰ্থীয়ে **সত্য আৰু সম্পূৰ্ণ বিৰৰণ দিয়ে (২:১৯-২২ পদ)।**

ক) কোনো ধৰণৰ ভয়ৰভাব নৰখাকৈ ৰূথে নয়মীৰ প্ৰশ্নবোৰৰ উত্তৰ দিছিল।

খ) ৰূথে সতভাবে আৰু সম্পূৰ্ণভাবে উত্তৰ দিছিল, নয়মীক উত্তমভাবে পথৰ নিৰ্দেশ দিব পাৰা সকলো প্ৰয়োজনীয় খবৰ দিছিল (১ম পিতৰ ৩:১৫ পদ)।

## উপদেশক/শিক্ষক সম্বন্ধৰ আৰ্শিৰ্ব্বাদ

১। উপদেশক/শিক্ষক আৰু শিক্ষাৰ্থী দুয়ো **ঈশ্বৰৰ আশিৰ্ব্বদৰ ভাগী হয় (৩:১৬-১৮, ৪:১৪-১৬ পদ)।** নয়মীয়ে ৰূথৰ আশিৰ্ব্বাদৰ ভাগী হৈছিল।

ক) শিক্ষা দিয়া সম্বন্ধৰ অন্তিম লক্ষ্য হৈছে ঈশ্বৰৰ ৰাজ্য লাভ কৰা, আৰু সকলোৱে এই আশিৰ্ব্বাদৰ সমভাগী হয়।

খ) শিক্ষাৰ্থীৰ সফলতাক উপদেশক/শিক্ষকে পালন কৰা উচিত, ই হিংসাৰ কাৰণ হোৱা উচিত নহয় (১ম পিতৰ ২:১ পদ)।

গ) শিক্ষাৰ্থীয়ে নিজে উপদেশক/শিক্ষক হ'বলৈ আগবাঢ়ি যাওঁতে, আশিৰ্ব্বাদ আনলৈকো বিলাই দিয়া উচিত।

২। উপদেশক/শিক্ষক আৰু শিক্ষাৰ্থী দুয়ো **আনলৈ ঈশ্বৰৰ ৰাজ্যলৈ আশিৰ্ব্বদ কঢ়িয়াই আনে (৪:১৮-২২ পদ)।** নয়মী আৰু ৰূথৰ সম্বন্ধৰ জৰিয়তে, আৰু ৰূথ আৰু বোৱাজৰ বিবাহৰ জৰিয়তে, এক নতুন পৰিয়াল স্থাপন কৰা হৈছিল, আৰু তেওঁলোকলৈ আশিৰ্ব্বাদ আৰু আনন্দ কঢ়িয়াই আনিছিল। যেতিয়া ঈশ্বৰৰ লোকসকলে মিলেৰে একেলগে কাম কৰে, তেওঁ ৰাজ্য আশিৰ্ব্বাদ প্ৰাপ্ত হয় (গীতমালা ১৩৩:১ পদ)। ৰূথ আৰু বোৱাজৰ বংশধৰ যীচুখ্ৰীষ্টৰ যোগেদি গোটেই পৃথিবীখনেই আশিৰ্ব্বাদপ্ৰাপ্ত হৈছিল (১ম কৰিন্থীয়া ১৫:২২ পদ)।

## আলোচনাৰ কাৰণে প্ৰশ্ন

১। এগৰাকী উত্তম উপদেশক/শিক্ষকৰ অতি প্ৰয়োজনীয় গুণবোৰ কি? সেই

গুণবোৰ আপোনাৰ আছে নে?

২। এগৰাকী উত্তম শিক্ষাৰ্থীৰ অতি প্ৰয়োজনীয় গুণবোৰ কি? সেইগুণবোৰ আপোনাৰ আছে নে? আপুনি প্ৰদৰ্শিত কৰিব পাৰা আটাইতকৈ কঠিন গুণটো কি? আৰু কিয়?

**প্ৰৰ্থানা**

*হে যীচু, দয়া আৰু প্ৰেম প্ৰদৰ্শিত কৰিব পৰা এক উত্তম উপদেশক হ'বলৈ আৰু আপুনি মোক দিয়া জ্ঞান আনক বিলাই দিবলৈ মোক সহায় কৰক। মই কাক শিক্ষা দিব পাৰোঁ মোক দেখাই দিয়ক, আৰু যিসকলে মোক আপোনাৰ পথবোৰৰ বিষয়ে শিক্ষা দিয়ে তাক লাভ কৰিবলৈ মোক উত্তম আৰু বিশ্বাসী শিক্ষাৰ্থী হ'বলৈ সহায় কৰক। উত্তম শিষ্যাত্বৰ কাৰণে মই য'ত যোগদান কৰিছোঁ সেই উপদেশকৰ সম্বন্ধৰ জৰিয়তে পৃথিবীখনেই যেন আশিৰ্ব্বাদ প্ৰাপ্ত হয়। আমেন।*



# ১০ প্ৰিস্কিলা : এগৰাকী শিষ্যা গঢ়োতা

**মুখ্য পদ : ২য় তীমথি ৪:২ পদ**

"তুমি বাক্য ঘোষণা কৰা, সময়ত আৰু অসময়তো উৎসাহী হোৱা অনুযোগ কৰা, ডবিওৱা, উদগোৱা আৰু সম্পূৰ্ণ ধৈৰ্য্যেৰে শিক্ষা দিয়া।"

**প্ৰিস্কিলাক উল্লেখ কৰা শাস্ত্ৰৰ অংশসমূহ** : পাঁচনিকৰ্ম্ম ১৮: ১-৪, ১৮-২২, ২৪-২৬; ৰোমীয়া ১৬:৩-৪;১ম কৰিন্থীয়া ১৬:১৯;২য় তীমথি ৪:১৯ পদ)।

**প্ৰস্তাৱনা**

১। পন্তৰ আক্বিলা, এগৰাকী যিহূদী ইটালীৰ পৰা তেওঁৰ ভাৰ্য্যা প্ৰিস্কিলাই সৈতে আহি কৰিন্থত বসতি কৰিলে (পাঁচনিকৰ্ম ১৮:২ পদ)। খৃষ্টাব্দ ৫২ত এক ৰাজ আজ্ঞাৰ জৰিয়তে সম্ৰাট ক্লৌদিয়াছে সকলো যিহূদীকে ৰোম এৰি যাবলৈ কৈছিল। নতুন নিয়মত প্ৰিস্কিলা আৰু আক্বিলাৰ বিষয়ে ছ'বাৰ উল্লেখ কৰা হৈছে (ওপৰৰ শাস্ত্ৰৰ অংশবোৰ চাওক)।

২। তেওঁলোকক কেতিয়াও অকলে বা এজন এজনকৈ উল্লেখ কৰা হোৱা নাই কিন্তু সদায় দম্পতি হিচাবে উল্লেখ কৰা হৈছে।

৩। চাৰিটা ঠাইত প্ৰিস্কিলাৰ নাম প্ৰথমে উল্লেখ কৰা হৈছে। পুৰুষ প্ৰধান এখন সমাজত এগৰাকী মহিলাৰ কাৰণে ই এক অদ্বিতীয় পৰিচয়।

৪। তলত দিয়া ছ'টা চৰিত্ৰই দেখায় প্ৰিস্কিলা আৰু আক্বিলাৰ পৰিচৰ্য্যা কাৰ্য্যই আমাক কঠোৰ পৰিশ্ৰমী শিষ্যা/শিষ্য গঢ়োতা হ'বলৈ শিক্ষা দিয়ে।

**শিষ্যা/শিষ্য গঢ়োতাৰ ছ'টা চৰিত্ৰ (প্ৰিস্কিলাৰ জীৱনত দেখা দৰে)**

**১। শিষ্যা/শিষ্য গঢ়োতাই ঈশ্বৰৰ বাক্য শিকি সেইমতে চলি যোৱা উচিত (পাঁচনিকৰ্ম্ম ১৮:১-১১,২৬ পদ)।**

ক) ই অতি স্পষ্ট যে, প্ৰিস্কিলা আৰু আক্বিলা দুয়ো সমৰ্পিত খ্ৰীষ্টিয়ান আছিল।

খ) ঈশ্বৰে তেওঁৰ ব্যৱস্থাৰ যোগেদি, পৌলক তেওঁলোকৰ লগত সংযোগ কৰিবলৈ তেওঁলোকৰ তম্বু তৈয়াৰ কৰা ব্যৱসায়ক ব্যৱহাৰ কৰিছিল। তেওঁলোক কৰিন্থত ১৮ মাহ কটোৱা সময়ত, পৌলে ঈশ্বৰৰ বাক্যত তেওঁলোকক নিৰ্দ্দেশ দিছিল

গ) পিছলৈ তেওঁলোকে নিজেই অভিজ্ঞ হৈ আপল্লো শিক্ষা দিবলৈ সক্ষম হৈছিল। সেয়ে শিষ্যা প্ৰিস্কিলাই শিক্ষক বা শিষ্যা/শিষ্য গঢ়োতা প্ৰিস্কিলা হৈ পৰিছিল।

ঘ) প্ৰিস্কিলাৰ পৰিচৰ্য্যাই হৈছে এক চিন যে তেওঁ যীচুৰ বাক্যত চলি গৈছিল, আৰু প্ৰকৃত পক্ষে তেওঁৰ শিষ্যা আছিল (যোহন ৮:৩১ পদ)। এগৰাকী শিষ্যা/শিষ্য গঢ়োতা নিজেই এগৰাকী শিষ্যা আৰু বাক্যত জীৱন জোৰা ছাত্ৰ/ছাত্ৰী।

ঙ) এগৰাকী স্বামী আৰু ভাৰ্য্যা যি একেলগে ঈশ্বৰৰ বাক্য শিকে আৰু সেই শিক্ষামতে জীৱন-যাপন কৰে, তেওঁলোকে একেলগে উত্তম শিষ্যা/শিষ্য গঢ়োতা দল হ'ব পাৰে।

**২। এগৰাকী শিষ্যা/শিষ্য গঢ়োতা অতিথিপৰায়ণ হোৱা উচিত (পাঁচনিকৰ্ম্ম ১৮:৩;১৮:২৬;১ম কৰিন্থীয়া ১৬:১৯ পদ)।**

ক) প্ৰিস্কিলা অতিথিপৰায়ণ আছিল।

- পৌলৰ প্ৰতি : যদিও তেওঁলোক নিজেই কৰিন্থত শৰণাৰ্থী আছিল, তথাপিও পৌলৰ প্ৰথম মিচনেৰী যাত্ৰাও তেওঁলোকে পৌলক আশ্ৰয় দিছিল।
- মণ্ডলীৰ প্ৰতি : পৌলৰ লগত ইফিচলৈ যাত্ৰা কৰোঁতে তেওঁলোকৰে নিজৰ ঘৰটো খ্ৰীষ্টিয়ান উপাসনাৰ ঠাই আৰু বিশ্বাসীসকলক শিষ্যা/শিষ্য কৰা কাৰণে ব্যৱহাৰ কৰিবলৈ মুকলি কৰি দিছিল।
- পাঁচনিসকলৰ প্ৰতি : তেওঁলোকে আপল্লোৰ প্ৰতি অতিথি

পৰায়ণ আছিল, আৰু তেওঁলোকে ঈশ্বৰৰ মতে তেওঁক উচিতভাৱে নিৰ্দ্দেশনা দিয়াটো উপযুক্ত বুলি বিবেচনা কৰিছিল।

খ) অতিথিপৰায়ণ হৈছে খ্ৰীষ্টিয়ান দয়াৰ এক প্ৰয়োজনীয় অংশ (ৰোমীয়া ১২:১৩ পদ)।

গ) অতিথিপৰায়ণ সাধাৰণ দয়াতকৈ অধিক উচ্চস্থানত। ইয়াৰ অৰ্থ হৈছে, সৰুজনক, নিম্নখাপৰজনক; আৰু হেৰুৱাজনক ঈশ্বৰৰ মহান প্ৰেমৰ লগত যোগাযোগ কৰি সহভাগিতালৈ আদৰণি জনোৱা।

ঘ) অতিথিপৰায়ণ হৈছে উপাসনা আৰু শিক্ষা দিয়াৰ সেই মহান আজ্ঞাৰ পূৰ্ণ কৰা কেন্দ্ৰ বিন্দু। প্ৰচাৰ কাৰ্য্য কৰা আৰু শিষ্যা/শিষ্য গঢ়াৰ ক্ষেত্ৰত ঘৰখন এক মূল্যবান সজুঁলি।

**৩। শিষ্যা/শিষ্য গঢ়োতাজন প্ৰভেদ বুজি পোৱা উচিত (পাঁচনিকৰ্ম্ম ১৮:২৪-২৬ পদ)।**

ক) আপল্লোৰ শিক্ষাত প্ৰিস্কিলা আৰু আক্কিলাই ভুলৰ প্ৰভেদবোৰ উলিয়াৰ পাৰিছিল।

- আপল্লো নিৰ্ভীক পুৰুষ আছিল আৰু যীচু খ্ৰীষ্টৰ বিষয়ে উৎসাহেৰে আৰু শুদ্ধভাবে শিক্ষা দিছিল, কিন্তু যেতিয়া প্ৰিস্কিলা আৰু আকিল্লাই তেওঁৰ শিক্ষা শুনিলে, তেতিয়া তেওঁলোকে এক গুৰুত্বপূৰ্ণ ভুল বিচাৰি পালে : তেওঁ কেৱল যোহনৰ বাপ্তিস্মৰ বিষয়ে জানিছিল।
- তেওঁলোকে আপল্লোক নিজৰ ঘৰলৈ লৈ গৈছিল আৰু তেওঁক সম্পূৰ্ণ জ্ঞানৰ সত্যৰ বিষয়ে আগবঢ়াই নিছিল।

খ) অনেক মিছা শিক্ষক আৰু শিক্ষা আহিব, কিন্তু শিষ্যা/শিষ্য জনাই বাক্য জনা উচিত যাতে ভুলবোৰৰ প্ৰভেদ বুজি সত্যক বুজাই দিব পাৰে (মথি ২৪ : ১১-১৪ পদ)।

গ) প্ৰভেদ হৈছে লক্ষ্য কৰাতকৈ অতি উচ্চ ই সত্য আৰু জ্ঞান দিয়া, পবিত্ৰ আত্মাৰ দ্বাৰাই ঈশ্বৰৰ যোগেদি প্ৰকাশ হোৱা বিষয়।

**৪। শিষ্যা/শিষ্য গঢ়োতাই সময় ত্যাগ কৰিবলৈ সাজু হোৱা উচিত (পাঁচনিকৰ্ম্ম ১৮:২৪-২৬ পদ)।**

ক) পৌলৰ পৰা শিক্ষা লাভ কৰা পিছত, প্ৰিস্কিলা আৰু আক্বিলা তেওঁৰ সহপাঠি মিচনেৰী হৈ পৰিল। এনে কামে তেওঁলোকৰ পৰা যথেষ্ট সময়ৰ দাবী কৰিছিল, যি সময় তেওঁলোকে তেওঁলোকৰ ব্যৱসায়ৰ কামত ব্যৱহাৰ কৰিলে হয়।

খ) তেওঁলোকে আপল্লোক লগ পাওঁতে, ঈশ্বৰৰ পথৰ বিষয়ে অধিক শুদ্ধকৈ শিকাবলৈ, তেওঁৰ লগত অধিক সময় অতিবাহিত কৰিবলৈ তেওঁলোক ইচ্ছুক আছিল।

গ) পৌলৰ লগত যেতিয়া তেওঁলোকে ইফিচলৈ গৈছিল, তেতিয়া তেওঁলোকে তেওঁলোকৰ ঘৰ উপাসনাৰ কাৰণে ব্যৱহাৰ কৰিবলৈ দিছিল। ইয়াৰ কাৰণেও তেওঁলোকে সময় দিব লগা হৈছিল।

ঘ) শিষ্যা/শিষ্যসকলে শিষ্যা/শিষ্য উৎপন্ন কৰা উচিত। আমাৰ উৎপাদানত তিনিটা দিশ আছে : যীচু খ্ৰীষ্টৰ কাৰণে আমি লোকবিলাকক জয় কৰোঁ, ঈশ্বৰৰ বাক্যত তেওঁলোকক গঢ়ি তোলো, আৰু আনক শিষ্যা/শিষ্য কৰিবলৈ পঠাই দিওঁ। এই সকলোৰে কাৰণে যথেষ্ট সময়ৰ প্ৰয়োজন হয়, আৰু শিষ্যা/শিষ্যসকলে যীচু খ্ৰীষ্টৰ কাৰণে এই সময় দিবলৈ আৰু সময়কো ত্যাগ কৰিবলৈ সাজু হোৱা উচিত।

**৫। এগৰাকী শিষ্যা/শিষ্য গঢ়োতাই কষ্টকো সহ্য কৰিবলৈ সাজু হোৱা উচিত (ৰোমীয়া ১৬:৩; পাঁচনিকৰ্ম্ম ১৮:২ পদ)।**

ক) তাড়না আৰু ৰোমান সম্ৰাটৰ নিষ্ঠুৰ আদেশে প্ৰিস্কিলা আৰু আক্বিলাক ৰোমৰ পৰা বাহিৰ কৰি দিছিল, কিন্তু ই মাত্ৰ তেওঁলোকৰ প্ৰভাবৰ সীমা বৃদ্ধি কৰিছিল। তেওঁলোকে তিনিবাৰ অহা-যোৱা কৰিছিল। (ৰোমৰ পৰা কৰিন্থলৈ, কৰিন্থৰ পৰা ইফিচলৈ, ইফিচৰ পৰা ৰোমলৈ)। প্ৰত্যেকবাৰেই তেওঁলোকে প্ৰত্যেক ব্যক্তিৰ আৰু চহৰৰ প্ৰয়োজন অনুসাৰি পৰিবৰ্ত্তনৰ কাৰণে ঈশ্বৰৰ আহ্বানৰ উত্তৰ দিছিল।

খ) প্ৰিস্কিলা আৰু তেওঁৰ স্বামীয়ে, শিষ্যা/শিষ্য গঢ়োতা কৰ্ম্মৰ পৰিচৰ্য্যাৰ লগত জৰিত হৈ থকাৰ ওপৰিও, তম্বু তৈয়াৰ কৰা দ্বাৰাই নিজৰ পোহপাল দিছিল। আজিও আমাক **'তম্বু তৈয়াৰ কৰোঁতা'**ৰ প্ৰয়োজন—যিসকল খ্ৰীষ্টিয়ানে কোনো ধৰণৰ ব্যৱসায় বা চাকৰিৰ দ্বাৰাই নিজ ভৰণ-পোষণ দি

প্ৰচাৰক আৰু শিষ্যা/শিষ্য গঢ়োতা স্বৰূপে পৰিচৰ্য্যা কৰিব পাৰে। আনৰ পৰা আৰ্থিক সহায় নোপোৱাকৈ এজনে শিষ্যা/শিষ্য গঢ়োতা হ'ব পাৰে।

গ) দেখা যায় যে, ৰোমত পৌলৰ সহকৰ্ম্মী হোৱা সময়ত, তেওঁক ৰক্ষা কৰা ক্ষেত্ৰত তেওঁলোক নানা বিপদৰ সম্মুখীন হৈছিল, আনকি নিজৰ জীৱনকো বিপদত পেলাইছিল। পৌলক ৰক্ষা কৰাত, তেওঁলোকে পৰজাতি সকলৰ কাৰণে পাঁচনিজনৰ জীৱন ৰক্ষা কৰিছিল। সেয়ে পৌলে উল্লেখ কৰা দৰে, সকলো পৰজাতি খ্ৰীষ্টিয়ানে তেওঁলোকৰ প্ৰতি কৃতজ্ঞ হৈছিল।

ঘ) শিষ্যা/শিষ্যসকলে জটিল পৰিস্থিতিক আশা কৰা উচিত—কিয়নো ই আহিবই। পৰিচৰ্য্যা কাৰ্য্যত সেৱা আগবঢ়োৱা ক্ষেত্ৰত জটিল সমস্যাৰ সম্মুখীন হ'বলৈ আত্মিকভাবে সাজু হোৱা উচিত।

**৬। এগৰাকী শিষ্যা/শিষ্যই পৰিচৰ্য্যাত আনৰ লগত সহযোগ কৰাত প্ৰস্তুত হোৱা উচিত (ৰোমীয়া ১৬:৩-৪ পদ)।**

ক) প্ৰিস্কিলা আৰু আক্বিলাই দুয়ো একেলগে পৌল, তীমথি আৰু আপল্লোৰ লগত কাম কৰিছিল। নিজৰ অধিকাৰ সাভ্যস্ত কৰাত তেওঁলোক নিস্বাৰ্থ আছিল। মন কৰক যে, প্ৰিস্কিলাই সহজে পুৰুষৰ লগত সহযোগ কৰিব পাৰিছিল, বিশেষকৈ তেওঁ স্বামীৰ লগত। তেওঁলোকৰ বিবাহ আৰু ব্যবসায়ত দৃঢ় সহযোগিতা সকলো খ্ৰীষ্টিয়ানৰ কাৰণে উত্তম উদাহৰণ আছিল।

খ) প্ৰিস্কিলা আৰু আক্বিলাই আপল্লোক শিক্ষা দিছিল। যিজনে খ্ৰীষ্টৰ কাৰণে পৰিচৰ্য্যাত অতি সফল হৈছিল। নতুন চলাওঁতাসকলক উপদেশ/শিক্ষা দি লালন-পালন কৰা ক্ষেত্ৰত শিষ্যা/শিষ্য গঢ়োতা সকলৰ মুকলি মন হোৱা উচিত, আৰু তেওঁলোকৰ কৃতকাৰ্য্যতাও হিংসা কৰা অনুচিত।

গ) এগৰাকী মহিলাৰ ভূমিকা হৈছে তেওঁৰ স্বামী, বা দায়িত্বত থকা আন পুৰুষৰ লগত সহযোগী হোৱা, কিন্তু তেওঁলোকৰ পৰা দায়িত্ব কাঢ়িলোৱাৰ চেষ্টা কৰা নহয়, কিন্তু পৰিচৰ্য্যা কাৰ্য্য আগবঢ়াই নি তাৰ উপকাৰ কৰা। পৰিচৰ্য্যাত থকা এগৰাকী মহিলাই নেতৃত্বত থকা সকলৰ প্ৰতি বিশেষকৈ পুৰুষসকলৰ প্ৰতি ৰাজহুৱাভাবে সমালোচনা কৰা অনুচিত।

ঘ) ঈশ্বৰৰ প্ৰেম প্ৰদৰ্শন কৰা এটি পথ হৈছে পৰস্পৰে সহভাগিতা আৰু

সহযোগিতাৰে কাম কৰা, আৰু মণ্ডলীক খ্ৰীষ্টৰ শৰীৰ ৰূপে প্ৰকাশ কৰা। পৌলে দৃঢ়ভাবে কৈছিল যে, আমি সহকৰ্ম্মী, আনকি ঈশ্বৰৰ লগতো সহকৰ্ম্মী (১ম কৰিন্থীয়া ৩:৫-৯ পদ)।

**আলোচনাৰ কাৰণে প্ৰশ্ন**

১। এগৰাকী উত্তম শিষ্যা/শিষ্য গঢ়োতাই অতিথিপৰায়ন হোৱাৰ অনুশীলন কৰে। যদি আপোনাৰ ঘৰখন ধুনীয়া নহয় বা আপোনাৰ টকা-পইচাও যথেষ্ট নাই, তথাপিও আপুনি কি কি উপায়েৰে অতিথিপৰায়ণ হ'ব পাৰে?

২। মহান আজ্ঞা পালন কৰা ক্ষেত্ৰত এগৰাকী উত্তম শিষ্যা/শিষ্য গঢ়োতাই সময় ত্যাগ কৰা উচিত। আপুনি অন্য উপায়ে এনে কি কাম কৰিব পাৰে যিয়ে শিষ্যা/শিষ্য গঢ়াৰ ক্ষেত্ৰত আপোনাক অধিক সময় দিব পাৰে?

**প্ৰৰ্থানা**

*হে প্ৰভু ঈশ্বৰ উত্তম শিষ্যা/শিষ্য গঢ়োতা হ'বলৈ মোক সহায় কৰক। মোক আপোনাৰ বাক্যক ভাল পাবলৈ, আনৰ লগত ভাল সম্বন্ধ স্থাপন কৰিবলৈ, পৰিচৰ্য্যা কাৰ্য্যত নতুন চলাওঁতাসকলৰ বৃদ্ধিৰ কাৰণে মোৰ সময় ত্যাগ কৰিবলৈ সহায় কৰক। আমেন।*

## টোকা

# ১১ জয় কৰা আৰু জয় কৰোঁতাসকল

**মুখ্য পদ : ২য় তীমথি ২:২ পদ**

“অনেক সাক্ষীৰ আগত মই ঘোষণা কৰা যি শিক্ষা তুমি শুনিলা, সেই শিক্ষাকে লৈ যিবিলাকে আনকো দিব পাৰে, তুমি এনে নিৰ্ভৰযোগ্যৰ লোকৰ হাতত সমৰ্পন কৰা। ”

## প্ৰস্তাৱনা আৰু দৰ্শন

১। **জয় কৰা বা ‘ৱিন্’ হৈছে, “ৱিমেনচ্ ইম্পেক্ট নেটবাৰ্ক”** মহিলাসকলৰ প্ৰভাৱশালী নেটবাৰ্ক।

ক) এই এচচিয়েচনটো ইন্টাৰনেচেনেল্ ডিচাইপেলশ্বিপ এদভান্সমেন্টে (এআইদিএ) আৰম্ভ কৰা এক নতুন ৱিমেনচ্ মুভমেন্ট : ৱিন।

খ) এই গতিশীল প্ৰক্ৰিয়াৰ উদ্দেশ্য হৈছে খ্ৰীষ্টিয়ান মহিলাসকলৰ প্ৰতি এক প্ৰত্যাহৱান, প্ৰতিসপ্তাহে একলগ হৈ শিষ্যাত্ব কৰা উদ্দেশ্যে।

গ) যিসকল মহিলাই মহিলাসকলক উপদেশ/শিক্ষা দিয়া ক্ষেত্ৰত ৱিনৰ নিৰ্দ্দেশাৱলী অনুসৰণ কৰে তেওঁলোকক “ৱিন্”ৰ বা জয় কৰোঁতে বুলি জনা যাব।

2⁄4 **দৰ্শনৰ উক্তি**

‘ৱিনে’ খ্ৰীষ্টিয়ান মহিলাসকলক সুদূৰপ্ৰসাৰী দৃষ্টি প্ৰদান কৰে, দৃঢ় শিষ্যাত্বৰ প্ৰতি প্ৰত্যাহৱান জনায় আৰু আন মহিলাসকলৰ লগত গতিশীল আত্মিক সংগঠন গঢ়িবলৈ আৰু যিসকলক শক্তিশালী শিষ্যা গঢ়ি তোলাৰ ক্ষেত্ৰত প্ৰেৰিত কৰিব।

## ৩। মিচন উক্তি

ক) যীচু খ্ৰীষ্টৰ প্ৰকৃত শিষ্যা হোৱা কাৰণে সেইসকলক মহিলাক 'ৱিনে' তেওঁলোকৰ শীৰ্ষ মিটিঙত মনোনীত কৰি প্ৰভাৱিত কৰিব আৰু তেওঁলোকক স্থাপিত/পুনৰ স্থাপিত কৰি যীচু খ্ৰীষ্টৰ প্ৰতি তেওঁলোকক দৃঢ় কৰিব। আৰু তাৰ পিছত,

খ) সাহিত্য আৰু ব্যৱহাৰিক কৌশলেৰে সজ্জিত কৰি আন মহিলাসকলক শক্তিশালী, আত্মিক বাইবেল সম্বন্ধীয় গঠনেৰে **(আত্মিক গঠন** হৈছে শিষ্যা/শিষ্য সকলে অতিক্ৰম কৰা এক প্ৰণালী যিহৰ যোগেদি তেওঁলোকে আত্মিক অনুশাসনৰ অনুশীলন (দৈনিক ঈশ্বৰৰ বাক্যত ধ্যান, প্ৰাৰ্থনা, উপবাস, উপসনা ইত্যাদি)ৰ দ্বাৰাই ইচ্ছাকৃত ভাবে পবিত্ৰ আত্মাক অনুমতি দিয়ে সৰ্মপিত শিষ্যা/শিষ্য হ'বলৈ বাধ্যতাক দৃঢ় কৰি, সকলো সম্বন্ধৰ ক্ষেত্ৰত যেন যীচু খ্ৰীষ্টৰ প্ৰেম প্ৰদৰ্শিত কৰিব পাৰে।) আনক যীচু খ্ৰীষ্টলৈ আনিবলৈ, উপযুক্ত শিক্ষা দিয়াৰ দ্বাৰাই সৰ্মপিত শিষ্যাত্ব কৰিবলৈ প্ৰভাৱিত কৰিব।

## ৪। পাঠ্যক্ৰম

'ৱিন্' শিষ্যাত্বৰ মেনুৱেল, এখন সহায়ক পুথি, য'ত শিষ্যাত্ব শিষ্যা/শিষ্য গঢ়োতা, প্ৰচাৰ কাৰ্য্য, দলগঠন, শিক্ষা দিয়া কৌশল আদি পাঠ 'ৱিন' শীৰ্ষ মিটিঙৰ পাঠ্যক্ৰম হ'ব, 'ৱিনাৰ্চ' বা জয় কৰোঁতাসকলেও দলবোৰক শিক্ষা দিয়া ক্ষেত্ৰত ইয়াক ব্যৱহাৰ কৰিব।

## ৫। কৌশল

ক) 'ৱিন'ৰ শীৰ্ষ মিটিংবোৰ ৰাজ্যিত পৰ্য্যায়ত অনুস্থিত কৰা হ'ব। ইয়াৰ উদ্দেশ্য হৈছে, এই জাগৰণৰ কাৰণে যিসকল মহিলাক নেতৃত্ব দিয়া উদ্দেশ্যে মনোনীত কৰা হৈছে তেওঁলোকক প্ৰশিক্ষণ দিয়া।

খ) শীৰ্ষ মিটিংবোৰক 'ৱিন শিষ্যাত্বৰ মেনুৱেল' খন ব্যক্তিগত শিষ্যাত্বৰ বাবে শিক্ষাৰ্থীসকলক প্ৰভাৱিত কৰি নিদ্দেৰ্শ দিবলৈ ব্যৱহাৰ কৰা হ'ব।

গ) শীৰ্ষ মিটিংবোৰত উপস্থিত শিক্ষাৰ্থীসকলক তেওঁলোকৰ মণ্ডলী আৰু

সমাজৰ মহিলাসকলক শিষ্যা স্বৰূপে গঢ়ি তোলাৰ মনোভাবেৰে তেওঁলোকৰ জীৱনক প্ৰভাৱিত কৰিবলৈ প্ৰত্যাহ্বান জনাব। যিসকল মহিলাই 'ৱিনাৰ্চৰ' বা জয় কৰোঁত ৩×৩ অভিযানৰ অংশ হিচাবে সমৰ্পিত হ'ব তেওঁলোকক প্ৰথম প্ৰজন্মৰ 'ৱিনাৰ্চ' বা জয় কৰোঁতা বুলি জনা যাব।

**6¼ 'ৱিনাৰ্চ' জয় কৰোঁতাৰ ৩×৩ অভিযান—'ৱিন' জয়কৰা এটি শিক্ষাৰ চেইন বা মালা।**

ক) প্ৰথম প্ৰজন্মৰ প্ৰতিগৰাকী জয়কৰোঁতাই অন্তত তিনিগৰাকী মহিলাক শিক্ষা দিব, আৰু তেওঁলোকত সেই একে দৰ্শন দিন (অৰ্থাৎ যীচু খ্ৰীষ্টৰ কাৰণে তিনিগৰাকী মহিলাক জয় কৰি শিক্ষা দিব)। এই তিনিগৰাকীক দ্বিতীয় প্ৰজন্মৰ জয়কৰোঁতা বুলি জনা যাব।

খ) দ্বিতীয় প্ৰজন্মৰ প্ৰতিগৰাকী মহিলাই সেই একে প্ৰণালীৰে আন তিনি গৰাকী মহিলাক শিক্ষা দি সেই একে দৰ্শন তেওঁলোকক দিব (অৰ্থাৎ আন তিনি গৰাকীক যীচু খ্ৰীষ্টৰ কাৰণে জয় কৰি শিক্ষা দিব)। নতুন এই তিনি গৰাকীক তৃতীয় প্ৰজন্মৰ জয় কৰোঁত বুলি জনা যাব।

গ) শিক্ষা দিয়াৰ এই প্ৰণালীৰ চেইন সকলো জয়কৰোঁতাৰ দ্বাৰাই তেওঁলোকৰ মণ্ডলী আৰু ঈশ্বৰৰ ৰাজ্যৰ বৃদ্ধিৰ কাৰণে যোগ দিয়াৰ দ্বাৰাই চলি থাকিব।

**7¼ 'ৱিন' জয় কৰা—এক চলি থকা পৰিচৰ্য্যা**

ক) তেওঁলোকৰ ৰাজ্যৰ 'ৱিন' ৰাজিক ক'অডিনেটৰৰ তত্বাৱধানত সকলো জয়কৰোঁতাই এক নেটৱাৰ্ক কৰিব।

খ) এআইডিএৰ ৱিন ডিৰেক্টৰৰ অধীনত সকলো ৰাজ্যিক ক'অডিনেটৰে ৰাষ্ট্ৰীয় ৱিন এচচিয়েচন কৰিব।

গ) শিষ্যাত্বৰ ক্ষেত্ৰত বাইবেল সম্বন্ধীয় নতুন বিষয়বস্তুৰে খ্ৰীষ্টিয়ান মহিলাসকলৰ ভৱিষ্যত প্ৰশিক্ষণৰ কাৰণে এআইডিএই হ'ব ৰাজিক আৰু ৰাষ্ট্ৰীয় মঞ্চ।

ঘ) এআইডিএই ঈশ্বৰৰ অনুগ্ৰহ আৰু পথদৰ্শনেৰে 'ৱিন্'ক ভাৰতবৰ্ষৰ

বাহিৰৰ আন দেশবোৰলৈকে বিস্তাৰ কৰা দৰ্শন দেখে।

## সামৰণি

*“হে প্ৰিয়, জয়কৰোঁতাসকল, আমাৰ প্ৰভুৰ মহান আজ্ঞা” “....এই হেতুকে তোমালোক যোৱা ....তেওঁলোকক মোৰ শিষ্য কৰি....সেইসকলোকে পালন কৰিবলৈ তেওঁলোকক শিক্ষা দিয়া” (মথি ২৮:১৯-২০ পদ) সম্পূৰ্ণ কৰা ক্ষেত্ৰত মণ্ডলীৰ মহিলাসকলে সক্ৰিয়ভাবে অভ্যাস কৰা দেখিবলৈ পোৱাটো আমাৰ এক দৰ্শন। সেই কাৰণে সেই দৰ্শনৰ অংশীদাৰ হ'বলৈ আমি আপোনালোকক আদৰণি জনাইছোঁ।*

*—ৰিন ভিশ্বনাৰীজ*

## আলোচনাৰ কাৰণে প্ৰশ্ন

১। “আত্মিক গঠনে” কি বুজাই?

২। বৰ্ত্তমানে আত্মিক গঠনত আপুনি কি দৰে জৰিত, আৰু আপুনি ৰিনৰ লগত জৰিত হোৱাই কি পাৰ্থক্য আনিব?

৩। জয়কৰোঁতা ৩×৩ কি বুজাই আপোনাৰ নিজৰ মতে বৰ্ণনা কৰক।

## প্ৰাৰ্থনা

হে প্ৰভু, মোক বিশ্বাসী জয়কৰোঁতা কৰক। এই ডিচাইপেল্‌শ্বিপ্ মেনুৱেলৰ সহায় আপোনাৰ বাক্যৰ পৰা লাভ কৰা শিক্ষাৰে মোক খ্ৰীষ্টৰ শিষ্যা/শিষ্য কৰক। আন বিশ্বাসী মহিলাসকলক উপযুক্তভাবে নিৰ্দ্দেশ দিবলৈ মোক সহায় কৰক, যাতে তেওঁলোকে আনকো শিক্ষা দিবলৈ সক্ষম হ'ব। আমেন।



# ১২ ‘ৱিন্’ জয়কৰা দলক নেতৃত্ব দিয়া

**মুখ্য পদ : ১ম কৰিন্থীয়া ২:১৩ পদ**

“এতেকে যিসকলে আত্মা পাইছে, তেওঁলোকক আত্মিক কথা বুজাই দিওঁতে, আমি মানুহৰ জ্ঞানেৰে শিকোৱা ভাষাৰে নহয়, কিন্তু আত্মাই শিকোৱা ভাষাৰেহে কথা কওঁ।”

**প্ৰস্তাৱনা**

১১নং পাঠে ‘ৱিন্‌ৰ’ দৰ্শন প্ৰদৰ্শিত কৰে—মহিলাসকলৰ প্ৰভাৱশালী নেটৱৰ্ক্। এই পাঠৰ উদ্দেশ্য হৈছে সাপ্তাহিক (ৱিন) জয়কৰা দল কিদৰে পৰিচালনা কৰা যায়।

**‘ৱিন’ বা জয় কৰা দ’ল কিদৰে পৰিচালনা কৰিব।**

১। **প্ৰতি সপ্তাহে লগ পাবলৈ এক স্থান আৰু নিৰ্দ্দৃষ্ট সময় মনোনীত কৰিব।**

ক) যদি সম্ভৱ হয়, নিজৰ ঘৰতে একলগ হ’ব ঃ মনত ৰাখিব শিষ্যা/শিষ্য গঢ়িবলৈ অতিথিপৰায়ন প্ৰণালীকে প্ৰিস্কিলাই ব্যৱহাৰ কৰিছিল। (পাঁচনি-কৰ্ম্ম ১৮:২৬ পদ)।

খ) আকস্মিক কাৰণ ন’হলে কেতিয়াও আন কোনো কাৰণত মিটিঙত অনুপস্থিত ন’হব। আপোনাৰ দলক জানিবলৈ দিব যে, আন কোনো কামতকৈ তেওঁলোকে সময়ৰ উচিত ব্যৱহাৰ কৰিব লাগিব, আৰু ইয়াক বহুমূলীয়া বুলি ব্যৱহাৰ কৰিব লাগিব (ইফিচীয়া ৫:১৬ পদ)। বিশ্বাসী হোৱা আৰ্হি।

গ) যদি স্থান আৰু সময় সলনি কৰিব লগিয়া হয়, যিমান দূৰ সম্ভৱ সকলোকে আগতীয়াকৈ জনাব।

ঘ) শাৰিৰীক কোনো কাৰণতে যাতে কোনেও অসুবিধাৰ সম্মুখীন নহয়

সেয়ে সকলোকে আৰামদায়কভাবে বহিবলৈ দিব, সকলোৱে আলোচনাত ভাগ লব পৰাকৈ ওচৰে ওচৰে বহাবলৈ চেষ্টা কৰিব।

ঙ) ধ্যান আৰ্কষণ কৰা সকলো বস্তুকে যিমান দূৰ সম্ভৱ আঁতৰত ৰাখিবলৈ ব্যৱস্থা কৰিব। মিটিঙৰ সময়ত সৰু ল'ৰা-ছোৱালী বা পৰিয়ালৰ আন ব্যক্তিৰ কাৰণে যতন লবলৈ ব্যৱস্থা কৰা প্ৰয়োজন হ'ব পাৰে।

## ২। যুগুত হ'ব

ক) ডিচাইপেলশ্বিপ্ মেনুৱেলৰ যিটো পাঠৰ পৰা শিকাব তাক আগতীয়াকৈ অধ্যয়ন কৰিব (২য় তীমথি ২:১৫ পদ)।

খ) আপোনাৰ বাইবেলখনত শাস্ত্ৰৰ বিশেষ পদবোৰ চিন দিব, যাতে সহজে বিচাৰি পাব পাৰে।

গ) ভালদৰে যাতে শিকাব পাৰে সেই কাৰণে প্ৰয়োজনীয় টোকা লিখিব।

ঘ) নিৰ্দ্দৃষ্ট সময় আগতে, ৱিন্ বা জয় কৰা দলটি অহাৰ আগতে আপোনাৰ প্ৰয়োজনীয় সামগ্ৰীবোৰ চাই ঠিক কৰি ল'ব।

ঙ) উত্তম আদৰ্শ হ'ব; আপুনি যেতিয়া ভালদৰে যুগুত হ'ব, তেতিয়া আপোনাৰ শিক্ষাৰ্থীসকলেও জানিব যে, মিটিঙলৈ অহা আগতে তেওঁলোকেও ভালদৰে যুগুত হৈ আহিব লাগিব (২য় তীমথি ৪:২ পদ)।

## ৩। প্ৰাৰ্থনাৰে মিটিংখন আৰম্ভ কৰিব আৰু শেষ কৰিব।

ক) ই মিটিংখন সুন্দৰভাবে আৰম্ভ হোৱাত সহায় কৰে আৰু শিক্ষাৰ্থী সকলক যীচু খ্ৰীষ্টত দৃষ্টি নিবদ্ধ কৰিবলৈ সহায় কৰে (ইব্ৰী ১২:২ পদ)।

খ) মনত ৰাখিব যে ই প্ৰাৰ্থনা সভা নহয়। 'ৱিন্' বা জয় কৰা দলত প্ৰাৰ্থনাৰ লক্ষ্য হ'ব লাগিব, পাঠটি শিকাৰ কাৰণে আশিৰ্ব্বাদ আৰু তাৰ যোগেদি সমৰ্পিত শিষ্যাত্বৰ কাৰণে বৃদ্ধি। প্ৰাৰ্থনা কৰিব যাতে প্ৰকৃত শিষ্যা/শিষ্য হোৱা অগ্ৰগতিৰ ক্ষেত্ৰত থকা বাধাবোৰ দূৰ কৰিবলৈ, আৰু যাতে প্ৰতিগৰাকী মহিলাই নিজৰ খ্ৰীষ্টিয়ান জীৱনত ফলদায়ক হ'ব পাৰে।

গ) যদি কাৰোবাৰ বিশেষ প্ৰাৰ্থনাৰ অনুৰোধ থাকে, তেতিয়া মিটিঙতে মহিলাগৰাকীৰ লগত প্ৰাৰ্থনা কৰিবলৈ সময় ৰাখিব।

ঘ ) শেষত প্ৰাৰ্থনাৰ সময়ত, মহিলাসকল যাবলৈ সাজু হওঁতে তেওঁক আশিৰ্ব্বদ কৰিবলৈ নাপাহৰিব, আৰু তেওঁলোকে সাক্ষী দিওঁতে আৰু শিষ্যা/শিষ্য কৰোঁতে, তেওঁলোক ফলবান হ'বলৈ ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰিব।

ঙ) গোটেই সপ্তাহটোত আপোনাৰ ৱিন বা জয় কৰা দলৰ কাৰণে, তেওঁলোকৰ বিশেষ অনুৰোধ আৰু প্ৰয়োজন (ইফিচীয় ৬:১৮ পদ)ৰ কাৰণে প্ৰাৰ্থনা কৰিবলৈ নাপাহৰিব। আপোনাৰ কাৰণে আৰু পৰস্পৰৰ কাৰণেও প্ৰাৰ্থনা কৰিবলৈ তেওঁলোকক প্ৰেৰিত কৰিব।

**৪। প্ৰতিটো পাঠৰ শিক্ষা আগৰ পাঠৰ পৰ্য্যালোচনাৰে আৰম্ভ কৰিব।**

ক) পুনৰুক্তিয়ে হৈছে শিক্ষালাভৰ চাবিকাঠি।

খ) আগৰ সপ্তাহটোত মহিলাসকলে কি শিকিলে সেইখিনি কব পাৰে নে নোৱাৰে চাব, যদি নোৱাৰে তেনে ক্ষেত্ৰত আপুনি আৰু উন্নতি কৰিব লাগিব। আপোনাৰ শিকোৱা পদ্ধতি সলনি কৰিব লাগিব।

গ) শিক্ষাৰ্থীসকলে শিক্ষা লাভ কৰা বিষয়বোৰ কিদৰে ব্যৱহাৰিক ৰূপত ব্যৱহাৰ কৰিলে তাকে দলটোৰ আগত কবলৈ সুবিধা দিব। জয়যুক্ততাত পালন কৰিব : প্ৰত্যাহবানৰ কাৰণে চিন্তা কৰিব (ৰোমীয়া ১২:১৫ পদ)।

**৫। প্ৰচাৰক নহয়, কিন্তু শিক্ষক হ'বলৈ মনত ৰাখিব।**

ক) যোগদান কৰাতো যেতিয়া উৎসাহিত কৰা হয়, তেতিয়া পাঠৰ লগত কোনো ধৰণৰ সম্বন্ধ বিষয়ে আলোচনা কৰিবলৈ সহজ হয়।

খ) যদি এনেদৰে হয়, তেতিয়া দলটোক বিষয় বস্তুলৈ পুনৰাই ঘুৰাই আনিব— মনত ৰাখিব ('ৱিন' শিষ্যাত্বৰ মেনুৱেল' খনৰ বিষয়বস্তুবোৰৰ ওপৰতহে আপোনাৰ দৃষ্টি নিবদ্ধ হ'ব লাগিব।

গ) আলোচনা কৰা কিবা এটা বিষয় যদি প্ৰয়োজনীয় যেন অনুভৱ হয়, তেতিয়া পাঠ শেষ হোৱা পিছত নিৰ্দ্দিষ্ট ব্যক্তিজনৰ লগত কথোপকখন

করিব।

ঘ) সাৱধান হ'ব যেন এজন ব্যক্তিকে আলোচনাত প্ৰভাৱ বিস্তাৰ কৰিব নিদিব। যদি এনে হয় তেনে ক্ষেত্ৰত আপুনি বাধা দিব, লক্ষ্য কৰিব সকলোৱে যেন আলোচনাত অংশ গ্ৰহণ কৰিব পাৰে (ৰোমীয়া ১২:১০ পদ)।

**সামৰণি**

আপোনাৰ সমৰ্পনৰ ওপৰতেই নিৰ্ভৰ কৰিছে 'ৰিনাৰ্চ' বা জয়কৰোঁতা ৩×৩ অভিযানৰ সফলতা। এই ভূমিকা পূৰ্ণ কৰাতোঁ এক গম্ভীৰ, কিন্তু প্ৰভুৰ সম্মুখত এক আনন্দময় দায়িত্ব। সফল হ'ব কাৰণে যি যি বৰৰ প্ৰয়োজন সেইবোৰ তেওঁ আপোনাক দিব। যিসকলক ঈশ্বৰে এই পৰিচৰ্য্যা কাৰ্য্যৰ কাৰণে আহ্বান কৰিছে তেওঁৰ উদ্দেশ্যক পূৰ কৰাত তেওঁ নিশ্চয়ে সক্ষম কৰিব।

**আলোচনাৰ কাৰণে প্ৰশ্ন**

১। শিক্ষা লাভৰ ক্ষেত্ৰত আগৰ মিটিঙৰ বিষয় বস্তুবোৰ আলোচনা কৰাতো কিয় প্ৰয়োজনীয়?

২। অধ্যয়নৰ সময়ত 'ৰিন' দলক "বিষয় বস্তুটে" মনোনিবেশ কৰিবলৈ, চলাওঁতা হিচাবে আপুনি কি কি কৰিব পাৰে?



**প্ৰৰ্থানা**

*হে প্ৰভু, মই বিশ্বাস কৰোঁ আপুনি মোক শিষ্যা/শিষ্য কৰিবলৈ আৰু 'ৰিন' জয়কৰা দলৰ চলাওঁতা হ'বলৈ আহ্বান কৰিছে। ফলোদায়ক উপদেশক/শিক্ষক হ'বলৈ মোক জ্ঞান, ধৈৰ্য্য, সংবেদনশীল,*

# সমৰ্পণ

## ‘ৰিনাৰ্চ/জয়কৰোঁতা ৩×৩ অভিযান



প্ৰতি ঃ যীচুখ্ৰীষ্টৰ সৰ্মপিত শিষ্যা/শিষ্য যিসকলে আন তিনিগৰাকী মহিলাৰ লগত শক্তিশালী আত্মিক গঠনৰ দায়িত্ব লবলৈ সিদ্ধান্ত কৰিছে, তেওঁলোকলৈ পৰামৰ্শ আগবঢ়োৱা হৈছে ঃ

১। প্ৰাৰ্থনাত সময় নিয়াই ঈশ্বৰৰ সহায় বিচাৰিব যাতে যি তিনিগৰাকী মহিলাক আপুনি গভীৰ শিষ্যাত্বৰ কাৰণে মনোনীত কৰি শিক্ষা দিব, তেওঁলোকেও যেন শক্তিৰে পৰিপূৰ্ণ হৈ শিষ্যা/শিষ্য গঢ়োতা হব পাৰিব।

২। গোটেই সপ্তাহ প্ৰতি গৰাকীৰ কাৰণে প্ৰাৰ্থনা কৰিব, যাতে ঈশ্বৰে তেওঁলোৰকৰ হৃদয় অৰ্থপূৰ্ণ শিষ্যা/শিষ্যৰ কাৰণে যুগুত কৰে।

৩। তেওঁলোকক ব্যক্তিগতভাবে লগ ধৰিব, যাতে আপুনি ঐশ্বৰিক চিন্তা আৰু পবিত্ৰ সাহসেৰে শিষ্যাত্বৰ প্ৰয়োজনীয়তাৰ বিষয়ে বুজাব পাৰিব।

৪। প্ৰতি গৰাকীৰ লগত প্ৰাৰ্থনা কৰিব আৰু আপোনাৰ আৰু ডিচাইপেল্শ্বিপ্ মেনুৰেলৰ আন দুগৰাকীৰ পৰা শিক্ষা লাভ কৰা সম্মতি জানি ল’ব।

৫। আপোনাৰ ‘ৰিন’ জয়কৰা দলত সাপ্তাহিকত শিষ্যা/শিষ্যত্বৰ কাৰণে তিনিও গৰাকীকে একেলগে প্ৰাৰ্থনা আৰু সমৰ্পনৰ কাৰণে আহ্বান কৰিব।

৬। ‘ৰিন’ শিষ্যাত্বৰ মেনুৰেল খনৰ পৰা প্ৰাৰ্থনাৰে শিক্ষা শেষ কৰিব, যাতে তিনিও গৰাকীয়ে সৰ্মপিত শিষ্যা হ’ব আৰু প্ৰতিগৰাকীয়ে আন তিনি গৰাকী মহিলাৰ লগত ‘ৰিন’ শিষ্যাত্বৰ দল আৰম্ভ কৰিবলৈ সিদ্ধান্ত কৰিব।

## প্ৰভু, মই নিসন্দেহ...

১। আপুনি মোৰ পাপৰ কাৰণে আৰু মোৰ চুবুৰীয়াসকলৰ পাপৰ কাৰণে ক্ৰুচত মৃত্যুবৰণ কৰিলে (“আমি যেতিয়া পাপী আছিলোঁ, খ্ৰীষ্টই আমাৰ নিমিত্তে প্ৰাণ দিলে।” ৰোমীয়া ৫:৮ পদ)।

২। বিশ্বাসত মই আপোনালৈ অহা কাৰণে আপুনি মোক উদ্ধাৰ কৰিলে, আপুনি মোৰ চুবুৰীয়াসকলকো উদ্ধাৰ কৰিব যেতিয়া তেওঁলোক আপোনালৈ ঘুৰে (“শুনাঙ্গ মই দুৱাৰ মুখত থিয় হৈ টুকুৰিয়াই আছোঁ, কোনোৰে যদি মোৰ মাত শুনি দুৱাৰ মেলি দিয়ে, তেন্তে মই তেওঁৰ ঘৰত সোমাই তেওঁৰে সৈতে ভোজন কৰিম আৰু তেঁৱো মোৰে সৈতে ভোজন কৰিব।’ প্ৰকাশিত বাক্য ৩:২০ পদ)

৩। আপুনি মোক উদ্ধাৰ কৰা কাৰণে, মোৰ চুবুৰীয়াসকলক উদ্ধাৰ কৰিবলৈ মই আপোনাৰ সাক্ষী হৈ তেওঁলোকক আপোনাৰ পৰিত্ৰাণলৈ আনিব লাগিব (মইহে তোমালোকক মনোনীত কৰিলোঁ আৰু নিযুক্ত কৰিলোঁ, যাতে তোমালোক গৈ অধিক ফলৱন্ত হোৱা।’ যোহন ১৫:১৬ পদ)।

৪। যদি মই আপোনাৰ বাক্যত থাকো মই আপোনাৰ প্ৰকৃত শিষ্যা/শিষ্য হ’ম (“তোমালোকে যদি মোৰ বাক্য মানি চলা, তেন্তে প্ৰকৃততে তোমালোক মোৰ শিষ্যা” (যোহন ৮:৩১ পদ)।

৫। মোৰ প্ৰতি আপোনাৰ মহান আজ্ঞা হৈছে শিষ্যা/শিষ্য কৰা (“...তোমালোক সকলো জাতিৰ ওচৰলৈ যোৱা আৰু তেওঁলোকক মোৰ শিষ্য কৰা...।” মথি ২৮:১৯ পদ)।

৬। আপুনি মোক তিনিগৰাকী মহিলাৰ লগত আত্মিক আত্মিক গঠনৰ দায়িত্ব লোৱাতো বিচাৰে, যিসকলে উৎসৰ্গিত শিষ্যা/শিষ্য গঢ়োতা হ’ব আৰু প্ৰতি গৰাকীয়ে আন তিনিগৰাকীৰ লগত ‘ৰিন’ জয় কৰা দল গঠন কৰিব (“... সেইদৰে পৰস্পৰে উৎসাহ দি ইজনে সিজনক ধৰ্ম্মত বৃদ্ধি কৰা।” (১ম থিচলনীকীয়া ৫:১১ পদ)।

৭। মই এতিয়াই মহান আজ্ঞাৰ দায়িত্ব পালন কৰিবলৈ প্ৰাৰ্থনাৰে আগবাঢ়ি যাবলৈ আৰম্ভ কৰা উচিত : হেৰুৱা জনক জয় কৰা আৰু শিষ্যা/শিষ্য কৰা (...যি কালত কোনেও কাম কৰিব নোৱাৰিব, এনে ৰাতি আহিছে।” (যোহন ৯:৪ পদ)।

৮। পবিত্ৰ আত্মাৰ ওপৰত নিৰ্ভৰ কৰি, মই এতিয়াই এক পবিত্ৰ চুক্তি কৰিব লাগিব, যাতে মই আপোনাৰ প্ৰতি আৰু এই পৰিচৰ্য্যাৰ প্ৰতি বিশ্বাসী ‘ৰিনাৰ’/ জয়কৰোঁতা হ’ম। আৰু এই অভিপ্ৰায়েৰে মই মোৰ হাতখন আগবঢ়াই দিছোঁ।

**চহী :..............................................**

**তাৰিখ :........................................**

**যি তিনি গৰাকী মহিলাক শিক্ষা দি যীচু খ্ৰীষ্টৰ শিষ্যা কৰিব বিচাৰো তেওঁলোক হ’ল ঃ**

**১।** ______________________________

**২।** ______________________________

**৩।** ______________________________

# পৰিশিষ্ট

## সহায়ৰ বাবে ৱেবছাইট

**http://coregroups.org**.
Core Discipleship. Resources for discipleship groups.

**http://www.telintl.org.**
Training Evangelistic Leadership. Books and resources for sale.

**http://www.navigators.org.**
Navigators. Resources for discipleship and Bible studies.

**http://www.gospelcentereddiscipleship.com.**
Articles and resources on discipleship.

**http://www.discipleshiplibrary.com.**
Audio and pdf articles and curriculum on discipleship.

**http://www.disciplers.org.**
Free discipleship lessons.

## প্ৰমিচিং মিনিচ্‌ত্ৰিচ্‌

এগৰাকী প্ৰাণজয় কৰোঁতা ফলোদায়ক মহিলা হ'ব উদ্দেশ্যে এক বিশেষ পৰিচৰ্য্যাৰ কাৰণে, যদি আপুনি প্ৰভুৰ ওচৰত পথৰ নিৰ্দ্দেৰ্শনা বিচাৰিছে, তেতিয়া 'ৱিন'ৰ লগত মহিলাৰ কাৰণে 'এআইডিএ' অফিচত 'এআইডিএ পেকেজ্ অফ্ প্ৰমিচিং মিনিচ্‌ত্ৰিচ'ৰ' লগত যোগাযোগ কৰক। যোগাযোগৰ ঠিকনা হৈছে :


Address: AIDA
C-1/1493, Vasant Kunj,
New Delhi-110 070, INDIA

E-mail: *shantarawate@yahoo.in*

Phone: *011-26122930, or 9971671627*